ASSAM LEG... ...SEM...
SECRETARIAT
A.L.A. Debates ...
1... April to 24th December
...L... 2
...ibrary.
... 10-...

Le...

सत्यमेव जयते

DPC58

# OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVERIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

NO. 16 — 20

The 1st April, 1992

Price Rs. 26·50

# CONTENTS

Budget Session

No. 16

Dated, the 1st April, 1992


| | | Pages |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Discusstion During Zero Hour | 58 |
| 3. | Call Attention Notice | 84 |
| 4. | Matter Under Rule 301 | 90 |
| 5. | Statement by the Chief Minister. | 94 |
| 6. | Presentation of Reports. | 96 |
| 7. | Introduction of Government Bill. | 98 |
| 8. | Consideration and Passing of the Government Bill. | 101 |
| 9. | Adjournment | 127 |
| 10. | Annexures—I, II, III & IV | 128 to 140 |


×××

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## WEDNESDAY, APRIL 1, 1992.

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Shri Jiba Kanta Gogoi, Speaker, in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral replies were given )

Mr. Speaker : Starred Question No. 279. Hon'ble Member Shri Alauddin Sarkar.

*বিষয় ঃ সর্বনিম্ন চাহিদা আঁচনি*

শ্রীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

❀ ২৭৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'সৰ্বনিম্ন চাহিদা' আঁচনিৰ অধীনত অসম্পূৰ্ণ হৈ থকা ৰাস্তাবোৰ বন্ধাৰ কি ব্যৱস্থা কৰা হব ?

(খ) যোৱা বছৰ এই আঁচনিৰ কাম সম্পূৰ্ণ ভাৱে বন্ধ ৰখা হৈছিল নেকি ?

(গ) চলিত বছৰত উক্ত আঁচনিৰ কাম যথা ৰীতিত আৰম্ভ কৰা হবনে ?

শ্রীগোলোক চন্দ্ৰ ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে,

(ক) পৰিকল্পনা শিতানৰ অধীনত প্ৰাপ্ত আৰ্থিক মঞ্জুৰীৰ ওপৰত ভিত্তি কৰি অসম্পূৰ্ণ ৰাস্তাবোৰ বন্ধাৰ ব্যৱস্থা লোৱা হৈছে।

(খ) নাই হোৱা।

(গ) পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

* আলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, এই সৰ্বনিম্ন চাহিদা আঁচনিৰ ৰাস্তা বন্ধাৰ ক্ষেত্ৰত কিমান টকা দিয়া হয় বিধায়ক সকলে জানিব লাগে। ৰাস্তা কিমান হ'ল সেই কথাও জানিব লাগে। কিন্তু কথা হ'ল যোৱা বছৰৰ পৰা বৰ্তমান এপ্ৰিললৈ যদি এপ্ৰিল ফুল নহয় বিশেষ বিশেষ কিছুমান সমষ্টি বাচি লৈ তেনে কাম কৰিবলৈ দিছিল নেকি ?

*—Speech not corrected.

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এম-এন-পিৰ কাম বিলাক এচ-ডি-পি-চিৰ জৰিয়তে কৰা হয় । এচ-ডি-পি চিৰ সিদ্ধান্ত-মতে গোটেই মহকুমাৰ টকা বিতৰণ কৰা হয়। ৰাস্তা কোন কেইটা লব তাকো তাতেই ঠিক কৰি দিয়ে । আমি কেৱল ইয়াৰ পৰা মহকুমা ভিত্তিত টকা মঞ্জুৰী দিওঁ । কথা হ'ল ১৯৯০-৯১ চনত উক্ত আঁচনিত ৮১৫ লাখ টকা ধাৰ্য্য কৰা হৈছিল আৰু মুঠ ৭৫০ কিলোমিটাৰ পথ লোৱা হৈছিল তাৰ ভিতৰত ১৯৯১ চনৰ মাৰ্চ মাহলৈকে ৩০৪ কিলোমিটাৰ পথ, ৫৩৯ লাখ টকা খৰছ কৰি সম্পূৰ্ণ কৰা হয় । বাকী থকা ১৪৬ কিলোমিটাৰ পথ চলিত বছৰত সম্পূৰ্ণ কৰা হব । ১৯৯১-৯২ চনৰ উক্ত আঁচনিত ১৩১৫ লাখ টকা ধাৰ্য্য কৰা হয় । তাৰ ভিতৰত ১৯৯০-৯১ চনৰ আৰু তাৰ আগৰ বাকী থকা কামৰ বাবে ৪৫০ লাখ আৰু নতুন আঁচনিৰ বাবে ৮৬৫ লাখ টকা ধাৰ্য্য কৰা হয় । বৰ্ত্তমান এই আঁচনি সমূহৰ কাম পূৰ্ণ গতিত আছে ।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ চাৰ, এই ক্ষেত্ৰত অৰ্থ মঞ্জুৰী দিয়াৰ কথাটো বিধায়ক সকলে জানিব পাৰে আৰু সমষ্টি পৰ্য্যায়ত কিমান কাম হয় সেইটোও জানিব লাগে । অন্য কোন সমষ্টিত কাম হৈছে কব নোৱাৰো কিন্তু মোৰ সমষ্টিত আৰু মোৰ ওচৰ পাজৰৰ সমষ্টিত কাম হোৱা নাই ! সঁচাকৈ বিশেষ বিশেষ সমষ্টিত কাম কৰা হৈছে নেকি আনক বঞ্চিত কৰি ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ চাৰ, সমষ্টি হিচাবে ক'তো কাম কৰা হোৱা ৰিপোৰ্ট আমাৰ নাই । যদি এনেকুৱা হৈছে নিশ্চয় চাম ।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ এইবাৰ বিত্তীয় বছৰ আৰম্ভ হ'ল আৰু এই বিত্তীয় বছৰত কিমান টকা মঞ্জুৰ কৰা হয় সেইটো সংশ্লিষ্ট বিধায়ক সকলে জানিব পাৰিবনে ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ চাৰ, এইটো চাব ডিভি-জনেল প্লেনিং বোৰ্ডৰ দ্বাৰা কৰা হয় । সংশ্লিষ্ট বিধায়ক এই বোৰ্ডৰ মেম্বাৰ । এইবাৰ ৪৮৫ লাখ টকা মঞ্জুৰ কৰা হৈছে ।

---

* Speech not corrected.

*শ্ৰীআলাউদ্দিন সৰকাৰ : বিধায়ক সকলে এই মঞ্জুৰীৰ কথা জানিব লাগে আৰু এক্সিকিউটিভ ইঞ্জিনীয়াৰ বা জুনিয়ৰ ইঞ্জিনীয়াৰ সকলে সেই পৰামৰ্শ-মতে ৰাস্তাৰ কাম কৰে। অসমতেই এই ধৰণে কাম হৈ থাকে যদিও যোৱা সময় ছোৱাত মোৰ সমষ্টিত আৰম্ভ কৰা ৰাস্তা এটা দেখ: দেখকৈ পৰি আছে। ফলত ৰাইজৰ দুৰ্ভোগ হৈছে অসুবিধা হৈছে। গতিকে অহা বছৰত কিমান টকা লাগিব সংশ্লিষ্ট বিভাগৰ পৰা বিধায়ক সকলে জানিব পাৰিবনে ?

*দেৱান জয়নাল আবেদিন : অধ্যক্ষ, মহোদয়, এচ-পি-ডি-চি আছে হয় আৰু বিধায়ক বা মন্ত্ৰী সকলো মেম্বাৰ থকাতো হয় কিন্তু আগতে সকলো সমষ্টিতে সমান ভাবে ধন আবন্টন কৰা হৈছিল। এতিয়া দেখিছো এচ-পি-ডি-চিৰ যি সমূহ সমষ্টিৰ বিধায়কসকল মন্ত্ৰী হৈছে সেই সকলে বেছি পৰিমাণৰ ধন লৈ যায় আৰু যিসকল বিধায়ক, বিধায়ক হৈয়েই আছে সেই সমূহ সমষ্টিত ধন কম ধৰে। এই ধৰণৰ বৈষম্য পৰিলক্ষিত হৈছে। এইটো সমান সমান কৰাৰ ব্যৱস্থা কৰিবনে ?

*শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে কোন ৰাস্তা লব লাগে কিমান টকা ৰাখিব লাগিব সেইটো এচ-পি-ডি-চিয়ে ঠিক কৰে। যদি মন্ত্ৰীৰ ভাগত বেছি পৰে বিধায়কৰ কম পৰে সেইটো ঠিক কৰিব বোৰ্ডেহে। আমাৰ ইয়াৰ পৰা নহয়।

*শ্ৰীআলাউদ্দিন সৰকাৰ : অসম্পূৰ্ণ কামবিলাক সম্পূৰ্ণ কৰাৰ কাৰণে টকা খৰচ কৰিব লাগে, সেই কাৰণে কৈছো এইবাৰৰ টকা দিয়াৰ সময়ত বিধায়ক সকলে পোনপটীয়া ভাবে জানিব লাগে।

*শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) : মই বিধায়ক সকলৰ সহযোগ নালাগে বুলি কোৱা নাই। আমি আমাৰ ফালৰ পৰা বিভাগীয় অফিচাৰ সকলকহে হুকুম দিওঁ সেই ক্ষেত্ৰত তেখেতসকলে যোগাযোগ ৰাখিব লাগে।

* Speech not corrected.

Mr. Speaker : Now, Starred Question No. 280.

**বিষয় ঃ হাজোৰ মাজেৰে যোৱা গুৱাহাটী বৰপেটা গড়কাপ্তানী ৰাস্তা ।**

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে সুধিছে ঃ

* ২৮০ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান হাজোৰ মাজেৰে যোৱা গুৱাহাটী—বৰপেটা পি-ডব্লিউ-ডি ৰাস্তা আৰু দলঙৰ দুৰৱস্থাৰ কথাটো চৰকাৰে জানে নেকি ?

(খ) যদি জানে, তেনেহলে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে ।

(খ) দলঙৰ পুনৰ নিৰ্মাণ আৰু মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু পুঁজিৰ সাপেক্ষে ৰাস্তাৰ কাম কৰি থকা হৈছে ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, এই কথাটো অলপ চিৰি-য়াচলি লব লাগে । যোৱা বছৰ দেখা গৈছে হাজো-নলবাৰী - বৰপেটা ৰাস্তাত অৰ্থাৎ গুৱাহাটী-হাজো-বৰপেটা ৰাস্তাত বাছ বাগৰি যিমান সংখ্যক যাত্ৰীৰ জীৱন নষ্ট হৈছে সেইটো দুখ লগা কথা । তিনি চাৰি বাৰ বাছ বাগৰিছে । অথচ মন্ত্ৰী মহোদয়ে জানে যে এই ৰাস্তাটোত আটাইতকৈ বেছি যাত্ৰীবাহী বাছ চলাচল কৰে । গতিকে এই ৰাস্তাটো প্ৰাঅ'ৰিটি বেচিচত লবৰ ব্যৱস্থা কৰিবনে আৰু দলং বিলাকৰ দুৰৱস্থা দূৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ চাৰ, প্ৰাঅ'ৰিটি ভিত্তিতেই এই ৰাস্তাৰ ওপৰত গুৰুত্ব দিছো । ১৯খন কাঠৰ দলং আছে আৰু তাৰ ভিতৰত ৮ খন পকী কৰিবলৈ ব্যৱস্থা কৰা হৈছে । বৰপেটা সংমণ্ডল আৰু গুৱাহাটী সংমণ্ডলৰ অধীনত বিভিন্ন ঠাই আছে । চাৰিখন কাঠৰ দলং আছে সেই বিলাকো মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে । অৱশ্যে পৰ্য্যায়ক্ৰমে গোটেই বিলাক দলং পকী

* Speech not corrected.

কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ কাৰণে প্ৰাৰম্ভিক ৭০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে এই বছৰৰ কাৰণে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এই ৰাস্তাটো বৰ ভয়াবহ হৈ আছে। সিদিনাখন আপুনি পঠোৱা শুভেচ্ছামূলক ভ্ৰমণৰ দলটো কোকৰাঝাৰলৈ যাওঁতে, ঘূৰি আহোতে এই ৰাস্তাৰে উভতি অহা আটাইকেইজন মাননীয় সদস্যই এই ৰাস্তাটোৰ ভয়াবহতাৰ সাক্ষ্য দিব। সৰু সৰু দলং আঠখন ১৯ খনৰ ভিতৰত পকী কৰিবলৈ ললেই নহয়। ডাঙৰ দলঙত হাত দিয়া নাই। বহুত দলং বিপদজনক হৈ আছে। সেই কাৰণে অগ্ৰাধিকাৰ ভিত্তিত এই ৰাস্তাটোৰ কাম কৰিব লাগে। মন্ত্ৰী সকল নাযায় কাৰণে ৰাস্তাটোৰ কথা গম নাপাব পাৰে।

( ভইচ : মই সিদিনা গৈ আহিছো। )

আপুনি সৰ্বেবাৰীলৈ ৰাজহ আদালতৰ কাৰণে গৈছিল। কিন্তু দীঘল দলং বাদ দি সৰু সৰু দলং কেইখনমান ললেই কাম নহব। ৰাস্তাটোত গুৰুত্ব দি অগ্ৰাধিকাৰ ভিত্তিত ললে মন্ত্ৰী ডাঙৰীয়াৰো পুণ্য হব। বহুত মানুহৰ জীৱন ৰক্ষা পৰিব। সেই কাৰণে দীঘলীয়া দলঙো কৰিবনে আশ্বাস দিব লাগে?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ডাঙৰ দলঙত খৰছ বেছি। আমি ৰাজ্যিক পৰ্য্যায়ত ডাঙৰ দলং অন্তৰ্ভুক্ত কৰো। গোটেই অসমৰ দলং অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা কৰিছো। ইয়াতে বহুত ডাঙৰ ডাঙৰ দলং আছে। এফালৰ পৰা দলংবিলাক কৰিবলৈ লোৱা হৈছে। টকা পালে সৰু হওঁক ডাঙৰ হওঁক পুঁজিৰ সাপেক্ষে কৰি আছো।

* শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মইয়ে কৰিব লাগিছিল কাৰণ গোটেই ৰাস্তাটো মোৰ সমষ্টিৰে অৰ্থাৎ হাজো সমষ্টিৰ মাজেৰে গৈছে, এই ৰাস্তাটোৰ কথা কলেই গড়কাপ্তানী মন্ত্ৰীয়ে দুখ প্ৰকাশ কৰে আৰু ৭০ লাখ টকাৰ কথা কয় কিন্তু এই ৭০ লাখ টকা শিঙিমাৰীত গাত পোটোতে খৰছ হ'ল, তাত এটা বালিৰ বান্ধ দিছে, কিমান দিন থাকিব কব নোৱাৰো। এই ৰাস্তাটোৰ এটা অলটাৰনেটিভ ৰাস্তা আছে। য'ত জালুকবাৰী সমষ্টি শেষ হৈছে তাৰ পৰা

* Speech not corrected.

পছৰীয়াৰ মাজেৰে বেলেগ ৰাস্তা আছে তাক পকীকৰণৰো ব্যৱস্থা কৰা নাই বা ৰাস্তাটোৰ উন্নতিৰ কোনো ব্যৱস্থা লোৱা নাই। অথচ এই যিটো পুৰণা ৰাস্তা জালুকবাৰী সমষ্টি পাৰ হোৱাৰ পাচতে ব্ৰহ্মপুত্ৰ নদীৰ কাষেৰে গৈছে, ঠায়ে ঠায়ে ব্ৰিচ হৈছে, ভাঙিছে, উন্নতি কৰাৰ চেষ্টা কৰা নাই। আনহাতে অলটাৰনেটিভ যিটো ৰাস্তা চেঁচাৰ পৰা আহি দদৰাত লাগিছে তাৰো উন্নতি কৰা নাই, প্ৰশ্ন কৰিলেই ৭০ লাখ টকাৰ কথা কয়, চৰকাৰে কি ব্যৱস্থা লৈছে ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ): অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে যিটো অলটাৰনেটিভ ৰাস্তা আছে সেইটোত মই নিজে গৈছো আৰু দেখিছো-ৰাস্তাটো বৰ ঘনবসতিৰ মাজেৰে গৈছে, যথেষ্ট টকাৰ দৰ্কাৰ হব, ব্যৱস্থা কৰিব লাগিব। তেখেতে যি ৭০ লাখ টকাৰ কথা কৈছে হাজো নলবাৰী গুৱাহাটী ৰাস্তাটোত শিঙিমাৰীৰ সেই ৭০ লাখৰ ওপৰিও আৰু ৭০ লাখ টকা ওপৰঞ্চি ধৰা হৈছে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হোৱা নাই। হাজো ও গুৱাহাটী ৰাস্তাটো আগতে যি ঠাইতে পকী হৈ আছিল তেনেকৈয়ে আছে। ৰাত তুয়ো ফালটো খহি গৈছে। এই ৰাস্তাটো হৈছে অসমৰ ভিতৰতে আটাইতকৈ ব্যস্ত ৰাস্তা। প্ৰতি দিনে এই ৰাস্তা-টোৰে তিনিশৰো অধিক বাছ চলে। চৰকাৰে ৰাস্তাটোত যিমান গুৰুত্ব দিব লাগিছিল সেই তুলনাত একেবাৰে গুৰুত্ব দিয়া নাই। ৰাস্তাটো বৰ্দ্ধিতকৰণ নোহোৱা কাৰণে যিবিলাক বাছ চলে সেই বাছবিলাকে চাইড দিব-লগীয়া হলেই বাগৰি পৰে। কাৰণ চাইডবিলাক বহু দ হৈ গৈছে। প্ৰশ্ন কৰিব লাগে কাৰণে মই প্ৰশ্ন কৰা নাই ৰাস্তাটোৰ কাৰণে মই বাৰম্বাৰ কৈ থাকো কিন্তু বাৰে বাৰে পুঁজিৰ অভাৱ বুলি কয়। তেখেতক এই বিভাগৰ দায়িত্ব দিছে যেতিয়া পুঁজি বঢ়াই লোৱাটো তেওঁৰ নিজৰ দায়িত্ব। আমিও মন্ত্ৰী আছিলো। দিল্লীত গৈ অতিৰিক্ত পুঁজি আনিছিলো। দিল্লীক বুজাব পাৰিলে পুঁজি দিব। মাত্ৰ বুজাব জানিব লাগিব।

---

* Speech not corrected.

* শ্ৰীজয়নাথ শৰ্মা ঃ চাৰ, ভাৰতৰ বিত্ত মন্ত্ৰী আমাৰ মুখ্য মন্ত্ৰীৰ ভাড়া ঘৰত থাকে। খবৰ কাগজত পাইছো। গতিকে নিজৰ বিত্ত মন্ত্ৰী যেতিয়া ফাণ্ড পজিশ্যন বঢ়াই নলয় কিয় ?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী অসমৰ তেখেতে আমাৰ মুখ্য-মন্ত্ৰীৰ বাইদেউৰ কেয়াৰ অফৰ ঠিকনা দিছে। নিশ্চয় তেখেতৰ ভাড়া ঘৰতে থাকে। গতিকে ঘৰৰ মালিকে কলে দেখোন পুঁজি দিব। কাৰণ আপোনালোকে হুইপ জাৰি কৰি তেখেতক ইয়াৰ পৰা জিকাই নিলে, ৮ জনে হেনো দিয়াই নাই। এই ৰাস্তাটো খহি খহি গৈছে উন্নতিৰ কি ব্যৱস্থা কৰিব ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, পুঁজি নোহোৱা নহয়, চি. এফৰ পৰা টকা আনিছো আৰু দুটা ৰাস্তা লৈছো তাৰে ভিতৰত এইটোও আছে।

( Starred Question No 2.1 deemed to has been lapsed as the Hon'ble member was not present when called for )

Mr. Speaker : Now, Starred Question No. 282.

*বিষয় ঃ বন গৱেষণা কেন্দ্ৰ।*

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

* ২৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাটত স্থাপন কৰা বন গৱেষণা কেন্দ্ৰটোৰ বাবে আৱণ্টন দিয়া মাটিত কেন্দ্ৰটোৰ ঘৰ—দুৱাৰ নিৰ্মাণৰ কাম আগবাঢ়িছেনে ?

(খ) যদি আগবাঢ়িছে, কিমান দূৰ আগবাঢ়িছে আৰু যদি আগবঢ়া নাই, ইয়াৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) আগবঢ়া নাই।

খ) ৰাজ্য চৰকাৰ অবগত নহয়।

---

* Speech not corrected.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যোৰহাটৰ যিটো বন গৱেষণা কেন্দ্ৰ সেইটো কেন্দ্ৰীয় চৰকাৰৰ অনুস্থান ৰাজ্য চৰকাৰে মাত্ৰ মাটিতো দিব লাগে। ৰাজ্য চৰকাৰে এই মাটি দিলেনে আৰু যদি দিয়া হৈছে কোন চিঠিযোগে মাটি দিলে মুখ্য মন্ত্ৰীয়ে জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ ১৮০ বিঘা মাটি চমজাই দিয়া হৈছে ।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে কৈছে যে এইটো কেন্দ্ৰীয় চৰকাৰৰ অনুস্থান ৰাজ্য চৰকাৰ অৰগত নহয়। যিটো বন গৱেষণা কেন্দ্ৰ হব গোটেই উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে পাৰিপাৰ্শ্বিকতাত সহায় কৰিব, বন সম্পদ ৰক্ষা কৰিব। ইয়াত কাম কৰা লোকসকল অসমীয়া বিষয়া, ১৮০ বিঘা মাটি দিয়া বুলি কৈছে কিন্তু তেওঁলোকে কাম নকৰি এনেয়ে বহি আছে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ ব্যৱস্থা লৈছো, বিষয়াজন মোৰ ওচৰলৈ আহিছিল মই সকলো প্ৰকাৰৰ সহায় আগবঢ়াম বুলি কৈছো।

**( Starred Question Nos. 283 and 284 deemed to have been lapsed as the Hon'ble Questioners were not present when called for. )**

**Mr. Speaker :** Now, Starred Question No. 285. Hon'ble Member Shri Chandan Kumar Sarkar.

***বিষয় ঃ অভয়াপুৰীত নিৰ্ম্মাণ কৰা জেলৰ ঘৰ।***

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

* ২৮৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে !

অভয়াপুৰীত নিৰ্মান কৰা নতুন জেল হাজোতৰ ঘৰটোৰ কাৰ্য্যালয় কেতিয়া খোলা হব আৰু উক্ত জেল হাজোতৰ কৰ্মচাৰী কেতিয়া নিযুক্তি হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

---

* Speech not corrected.

অহা ১৯৯২-৯৩ বিত্তীয় বছৰৰ ভিতৰতে অভয়াপুৰীৰ নৱনিৰ্মিত কাৰাগাৰ কাৰ্য্যালয় আৰম্ভ কৰি কৰ্ম্মচাৰী নিযুক্তি দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে।

* শ্ৰীজমন সিং ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, ওদালগুৰি মহকুমা জেল হাজোতৰ ঘৰটো নিৰ্মাণ কৰা আজি ৩ বছৰ হ'ল। ইয়াৰ কাম-কাজ বিলাক বৰ্ত্তমান মঙ্গলদৈৰ পৰাই কৰি থাকিবলগীয়া হৈছে। এই ঘৰটো কেতিয়া সম্পূৰ্ণ কৰা হ'ব মুখ্য মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছে সেইটো বেলেগে আনিলে ভাল হয়।

* শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান অৱস্থাত গোৱালপাৰা জিলাৰ অভয়াপুৰীত এই জেল হাজোতৰ ঘৰটো সোনকালে নোহোৱাৰ কাৰণে বাৰিষা মানুহে পানীৰ মাজতো অহা যোৱা কৰিব লাগে, যাৰ কাৰণে ৰাইজৰ বাৰিষা ভীষণ কষ্ট হয়। গতিকে সোনকালে নিৰ্মাণ কৰা ব্যৱস্থা হাতত লবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অহা ১৯৯২-৯৩ বিত্তীয় বছৰৰ ভিতৰতে উক্ত কাৰাগাৰটো মুকলি কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

* শ্ৰীফনী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, বঙ্গাইগাঁৱতো তেনে এটা কাৰাগাৰ প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ লৈছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া-লৈকে তেনে প্ৰস্তাৱ লোৱা হোৱা নাই।

মাননীয় অধ্যক্ষ : এতিয়া তৰাচিহ্নিত প্ৰশ্ন নং ২৮৬।

***বিষয় : পশু খাদ্যৰ যোগান।***

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

* ২৮৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং জিলাত হোৱা বানপানীৰ সময়ত সৰ্বমুঠ কিমান টকাৰ পশু খাদ্য যোগান ধৰা হৈছিল ?

---

* Speech not corrected.

(খ) যোৱা বানপানীৰ সময়ত দৰং জিলাৰ বাহিৰে অসমৰ অন্যান্য জিলাত পশুখাদ্য কিমান যোগান ধৰা হৈছিল ? ( জিলা ভিত্তিত জনাব )

(গ) ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত অসমৰ কোন কোন জিলাত কিমান টকাৰ পশুৰ বাবদ ঔষধ যোগান ধৰা হৈছে ?

(ঘ) ১৯৯০-৯১ চনত কিমান টকাৰ পশু খাদ্য অসমত জিলা ভিত্তিত যোগান ধৰা হৈছিল ?

* শ্ৰীনকুল দাস ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলাত যোৱা বানপানীৰ সময়ত ২১,৩৫,৪২৬·০০ টকাৰ পশু খাদ্য বিতৰণ কৰা হৈছিল বুলি চৰকাৰৰ ওচৰত দাবী তোলা হৈছিল যদিও এতিয়ালৈকে অনুসন্ধান চলি থকাৰ বাবে প্ৰকৃত ব্যয় কিমান হৈছিল সেইটো এতিয়াও নিৰ্ণয় হোৱা নাই ।

(খ) সংশ্লিষ্ট উপায়ুক্ত সকলৰ পৰা তথ্য পাতি সংগ্ৰহ কৰি থকা হৈছে ।

(গ) জিলা ভিত্তিক তালিকা গাঁঠি দিয়া হ'ল ।

( See the Annexure—I )

(ঘ) ১৯৯০-৯১ চনত অসমত মুঠ ৬,০২,১৮৪·০০ টকা মঞ্জুৰ কৰা হৈছিল । জিলা ভিত্তিক তালিকা গাঁঠি দিয়া হ'ল ।

( See the Annexure—II )

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দুয়োটা চনৰ টোটেল ফিগাৰ একেলগে দিলেই হব । একে বছৰতে গোটেই ৰাজ্যখনত কিমান হ'ল জনাব নেকি ?

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া একেলগে নাই পিচত মই যোগ কৰি দিম ।

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সিদিনা মন্ত্ৰী মহোদয়ক টেলিফোন যোগে কৈছিলো যে ২১ লাখ ৩৫ হেজাৰ টকাৰ ফলচ্ বিল দিছে আৰু কৈছিলো যে তাত মন্ত্ৰীৰ কোনোবা সমৰ্থক জড়িত আছিল বুলি অভিযোগ

---

* Speech not corrected.

আহিছিল। এই ফলচ্ বিল বিলাকৰ ক্ষেত্ৰত অফিচাৰ জড়িত আছে তথাপিটো মন্ত্ৰী মহোদয়ে একো ব্যৱস্থা গ্ৰহণ কৰা নাই।

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই সিদিনা টেলিফোন যোগে জিলা উপায়ুক্তৰ পৰা যোগাযোগ কৰি জানিব পাৰিছো যে সেই বিষয়াজনৰ বিৰুদ্ধে তেনে কোনো নিৰ্দিষ্ট অভিযোগ নাই। যদি তেওঁৰ বিৰুদ্ধে অনুসন্ধান কৰি অভিযোগ পোৱা হয়, তেনেহলে তেওঁৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হব।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ বানপানীৰ সময়ত মই কুৰুৱা অঞ্চলত পশু খাদ্য দিবলৈ কৈছিলো। তেওঁ কিন্তু দিব নোৱাৰো বুলি কলে আৰু কলে যে গোটেই ৰাজ্যতে দিয়াৰ বাবে মাত্ৰ ২ লাখ মান টকাৰ খাদ্য পাইছো। যি কুৰুৱা অঞ্চলত পশু খাদ্য যোগান দিব নোৱাৰিলে সেই সময়তেই ২১ লাখ টকাৰ ফলচ বিল দিছে তথাপিটো মন্ত্ৰী মহোদয়ে সেই বিষয়াজনৰ ওপৰত একো ব্যৱস্থা লোৱা নাই। নিচান নামৰ এটা সংগঠনৰ নামত বৰপেটা, মঙ্গলদৈ, বিশ্বনাথ চাৰিআলিত মেডিচিনৰ নামত কেইবা লাখো টকা দিছে। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে তদন্ত কৰি বিহিত ব্যৱস্থা লম। মই তেখেতক ব্যক্তিগত ভাৱে কৈছো যে ইয়াত আপোনালোকৰ কোনোবা সমৰ্থক জড়িত আছে। তাৰ পৰা জনা যায় যে সেই পৰিপ্ৰেক্ষিততেই বিষয়াজনৰ বিৰুদ্ধে এতিয়ালৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়া গৰাকীৰ বিৰুদ্ধে পোনপটীয়াকৈ ব্যৱস্থা লোৱাটো কোনো যুক্তি সংগত হব নোৱাৰে। গতিকে আমি জিলা উপায়ুক্তক নিৰ্দেশ দিছো সকলো বিলাক অনুসন্ধান কৰি এটা প্ৰতিবেদন দাখিল কৰক। সেই মতে যদি তেওঁৰ ওপৰত কিবা অভিযোগ পাও তেতিয়াহলে আমি বিষয়াজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা।

---

* Speech not corrected.

কাৰণ আমাৰ হাতত গোটেই ৰেকৰ্ড পাতি আছে যদিও বৰ্ত্তমানে মই দিব নোৱাৰো।

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, ঠিক মাননীয় সদস্যজনে কোৱাৰ দৰে নহয়। মই জিলা উপায়ুক্তৰ পৰা পোৱা চিঠি এখন সদনৰ জ্ঞাতাৰ্থে পঢ়ি দিছোঁ।

( The Honble Minister quoted the following from the letter No. DRR. 63/91-92/89 dated 28-3-92 from Deputy Commissioner, Darrang to Director, Veterinary & Animal Hustandry )

**Sub : Assembly Question.**

Ref. : Your letter No. A. 5—37/17/4197 dt. 27-3-92

Sir,

With reference to the subject cited above, I have the honour to inform you that no expenditure has been incurred from our side till date. As ordered by the Govt. in the Veterinary Department an enquiry is being conducted into the irregularities committed during the distribution of cattle feed by the Veterinary Department at Darrang district.

Therefore, we shall be able to tell the actual quantity of cattle feed distributed by the District Veterinary Officer, Darrang only after completion of the enquiry.

এনকোৱাৰিটো সম্পূৰ্ণ নোহোৱাকৈ বিষয়াৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহব।

---

* Speech not corrected.

* শ্রীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটোৰ সংক্ৰান্তত যিবিলাক তথ্য-পাতি আছে সেইবোৰ নাইকিয়া কৰাৰ যথেষ্ট সম্ভাৱনা আছে। নিচান নামৰ সংগঠনটোৱে ১৪ লাখ টকাৰ ফলচ্ বিল দিয়া বুলি অভিযোগ উঠিছে আৰু স্পষ্টকৈ সুধিছোঁ যে এই অভিযোগৰ লগত আপোনাৰ পৰিয়ালৰ কোনোবা জড়িত আছে নেকি ? ২১ লাখ টকাৰ ফলচ্ বিল দিয়াৰ কোনোবা সমৰ্থক আছে নেকি ?

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সম্পূৰ্ণ ভিত্তিহীন। মোৰ পৰিয়ালৰ কোনো লোক ইয়াত জড়িত নাই। তথা মোৰ বংশ পৰিয়ালৰ কোনো ইয়াত জড়িত নাই।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, তেনেহলে বিভাগীয় মন্ত্ৰী গৰাকীয়ে সেই দুৰ্নীতিগ্ৰস্ত বিষয়াজনৰ বিৰুদ্ধে কিয় ব্যৱস্থা লোৱা নাই।

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে তদন্ত কৰিহে বিহিত ব্যৱস্থা লম। বৰ্তমান সেই বিষয়াজনে দুৰ্নীতি কৰা অভিযোগ মোৰ হাতত নাই।

* শ্ৰীগিয়াচউদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, এই ২১ লাখ টকাৰ কিমান পশু খাদ্যৰ যোগান ধৰা হৈছিল আৰু পশু খাদ্যবোৰ কি কি আছিল ? কি পদ্ধতিত যোগান ধৰা হৈছিল ? পশুবিলাকে খালেনে নাই তাৰ ইউটিলাইজেচনৰ চাৰ্টিফিকেট পালেনে নাই তাৰ উত্তৰ দিবনে ?

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গিয়াচউদ্দিন আহমেদ ডাঙৰীয়াই যিটো কথা কৈছে তাৰ উত্তৰত কওঁ যে এই সকলো বিলাক কাগজ পত্ৰ চিজ্ কৰা হৈছে আৰু এই বিষয়ে অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ সংক্ৰান্তত মই এটাই মাত্ৰ পৰিপূৰক প্ৰশ্ন সুধিব খুজিছো কিয়নো এই প্ৰশ্নটোৰ লগত পশুধন বিশেষকৈ গৰুৰ খাদ্য জড়িত হৈ আছে। ইয়াত মানুহ জড়িত থকা

* Speech not corrected.

হেঁতেন মই প্ৰশ্ন নকৰিলোহেতেন, কাৰণ মানুহে কথা কব পাৰে কিন্তু গৰুৱে কথা কব নোৱাৰে। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে এই কাৰণেই যে এই সংক্ৰান্তত ইতিমধ্যে বহুতো অভিযোগ উঠিছে আৰু কাগজে পত্ৰই প্ৰকাশ পাইছে। যোৱা ২০ মাৰ্চ তাৰিখৰ "আজিৰ অসম" বাতৰি কাকততো এই সংক্ৰান্তত এটা বাতৰি প্ৰকাশ পাইছে। এই বাতৰিটোৰ গোটেইখিনি মই পঢ়িব নাযাও, তাৰ এটা অংশ পঢ়ি দিছো—সদনৰ জ্ঞাতাৰ্থে। বাতৰিৰ এটা অংশত কোৱা হৈছে যে—"আনহাতে মঙ্গলদৈ চহৰৰ ইউনাইটেড নামৰ কাগজ আদি ষ্টেচনাৰী সামগ্ৰীৰ যোগনীয়াৰ প্ৰতিষ্ঠান এখনৰ নামতো সেই প্ৰতিষ্ঠান গৰাকীৰ অজ্ঞাতে কোনোৱে পশু খাদ্য যোগান ধৰা বুলি দেখুৱাই ধন আদায়ৰ বাবে বহু হাজাৰ টকাৰ ভুৱা বিল দাখিল কৰা ঘটনাও বৰ্ত্তমান ওলাই পৰিছে। এই প্ৰসঙ্গত প্ৰণিধানযোগ্য যে ধন আদায়ৰ বাবে দাখিল কৰা বিলৰ ঠিকনা অনুসৰি সকলো যোগনীয়াৰকে ব্যক্তিগত ভাবে দিয়া চিঠি অনুসৰি নিৰ্দিষ্ট দিন আৰু সময়ত সেই প্ৰতিস্থানৰ গৰাকীও উপায়ুক্তৰ কাৰ্য্যালয়ত হাজিৰ হয় আৰু জবানবন্দীৰ সময়তহে তেওঁ জানিব পাৰে যে তেওঁৰ প্ৰতিস্থানৰ নামত কোনোৱে পশুখাদ্য যোগান ধৰা বুলি ধন আদায়ৰ বাবে কৰ্ত্তৃপক্ষৰ ওচৰত বিল দাখিল কৰিছে"। এতিয়া আমাৰ প্ৰশ্ন হৈছে যে পশু খাদ্য যোগান নধৰাকৈয়ে কিতাপ পত্ৰ যোগান ধৰা দোকানৰ নামতো ভুৱা বিল দি টকা আদায় কৰাৰ যিটো ব্যৱস্থা কৰিছে সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ? গৰুৱে মাটিব নোৱাৰে কাৰণেই গৰুৰ নামত ভুৱা বিল দি এনে ধৰণৰ কামবোৰ কৰিব দিব নেকি ? গতিকে যি জন বিষয়া এই ঘটনাৰ লগত জড়িত সেই বিষয়া জনৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই কিয় ? সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে এই ঘটনাৰ লগত জড়িত বিষয়া জনক অতি সোনকালে চাচ্‌পেণ্ড কৰি বিভাগীয়া ব্যৱস্থা লব নে নলয় !

* শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত সদনক জনাব খুজিছো যে এই বিল সম্পৰ্কত এতিয়ালৈ এটা পায়ো আদায় দিয়া হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে এই সংক্ৰান্তত

---

* Speech not corrected.

যিবোৰ বিবৃতি দিছে সেই সকলোবোৰ সত্য নহয়। এনে এখন বিল দাখিলহে কৰিছে কিন্তু টকা দিয়া হোৱা নাই। এই সংক্ৰান্তত মই বিভাগীয় ভাবে তদন্ত কৰি আছো আৰু ঘটনাটো সত্যাসত্য নিৰূপণ কৰি ব্যৱস্থা লোৱা হব।

( সদনত গণ্ডগোল )

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে কৈছে যে কোনোবাই এনে এখন বিল দিছেহে কিন্তু পইচা দিয়া হোৱা নাই। এই ক্ষেত্ৰত যিবোৰ অভিযোগ পোৱা হৈছে সেইবোৰ তদন্ত কৰি শেষ হলেই বিলখনৰ সত্যাসত্য ওলাই পৰিব। কোনোবাই হয়তো ফলচ বিলো দিব পাৰে। সম্পূৰ্ণ তথ্য পোৱাৰ পিচত ইয়াৰ বাবে কোনোবা দায়ী হলে শাস্তি নিশ্চয় পাব।

* শ্ৰীজয়নাথ শৰ্মা: অধ্যক্ষ মহোদয়, মোৰ এটা ক্লাৰিফিকচন আছে। সেইটোৰ বাবে মোক অলপ কব দিয়ক। ( সদনত গণ্ডগোল )।

* মাননীয় অধ্যক্ষ: এই প্ৰশ্নটোৰ মন্ত্ৰীয়ে ইতিমধ্যে উত্তৰ দিলে আৰু ৬টা পৰিপুৰকৰ ঠাইত ৭টা পৰিপুৰক দিয়া হৈছে। এই ক্ষেত্ৰত মন্ত্ৰীয়ে এনকুৱেৰী কৰি বিহিত ব্যৱস্থা লব। এতিয়া প্ৰশ্ন নং ২৮৭।

***বিষয়: টেকেলিকুটা গড়কাপ্তানী ৰাস্তা।***

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে:

* ২৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ঘিলামাৰা গড়কাপ্তানী সংমণ্ডলৰ অন্তৰ্গত ঢকুৱাখানা টেকেলিকুটা গড়কাপ্তানী পথৰ ঢকুৱাখানা চাৰিআলি অংশ Improvement কৰিবলৈ মুঠ তিনি লাখ টকা মঞ্জুৰি দিয়া কথাটো সচাঁনে?

(খ) যদি সচাঁ, উক্ত কামৰ কাৰণে নিবিদা বন্দোবস্তি দিয়া হৈছেনে?

(গ) যদি দিয়া হৈছে Improvementৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰীয়ে ) উত্তৰ দিছে:

(ক) সঁচা।

---

* Speech not corrected.

(খ) হয়, হৈছে।

(গ) কামৰ অগ্ৰগতি হৈ আছে।

* শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে ঢকুৱাখানা চাৰিআলি অংশৰ কাম কিছু আৰম্ভ হৈছে বুলি তেখেতৰ উত্তৰত কৈছে। কিন্তু প্ৰকৃততে ৩ লাখ টকাৰ কাম একেবাৰে হোৱা নাই। যদি মন্ত্ৰী ডাঙৰীয়াক কাম আৰম্ভ হোৱা বুলি বিভাগে খবৰ দিছে তেনেহলে কিমান দিনৰ ভিতৰত এই কামখিনি শেষ কৰা হব সেইটো অনুগ্ৰহ কৰি জনাব নে?

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( গড়কাপ্তানি মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই কামটো যোৱা ৩/৯/৯১ তাৰিখেই কৰিবলৈ দিয়া হৈছিল। কিন্তু প্ৰথমতে যি জন ঠিকাদাৰক কামটো কৰিবলৈ দিয়া হৈছিল তেওঁ কামটো নকৰাৰ কাৰণে তেওঁৰ অৰ্ডাৰটো বাতিল কৰি যোৱা জানুৱাৰী মাহত আন এজন ঠিকাদাৰক দিয়া হয়। এই কামটো এপ্ৰিল মাহৰ ভিতৰতে শেষ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

মাননীয় অধ্যক্ষ : এতিয়া তৰাচিহ্নিত প্ৰশ্ন নং ২৮৮। মাননীয় সদস্য শ্ৰীযতীন মালী।

***বিষয় : অসম আন্দোলনৰ শ্বহীদ।***

শ্ৰীযতীন মালীয়ে সুধিছে :

* ২৮৮। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম আন্দোলনৰ শ্বহীদ সকলক ৰাজ্যিক চৰকাৰে "চৰকাৰী স্বীকৃতি" দিয়াটো সচাঁনে?

(খ) শ্বহীদ সকলক চৰকাৰে স্বীকৃতি দি শ্বহীদ পৰিয়াল বোৰক আৰ্থিক তথা অন্যভাবে সহায় কৰিছিল নেকি আৰু যদি কৰিছিল কেনে ধৰণে কৰিছিল?

(গ) ১০ ডিচেম্বৰৰ দিনটো "শ্বহীদ দিৱস" হিচাবে গণ্য কৰি চৰকাৰী বন্ধৰ দিন হিচাবে ঘোষণা কৰাটো সচাঁনে?

(ঘ) ১৯৯১ চনৰ শ্বহীদ দিৱসটো ( ১০ ডিচেম্বৰ ) ৰাজ্যিক চৰকাৰে কত কেনে ধৰণে পালন কৰিছিল জনাবনে?

* Speech not corrected.

(ঙ) ১৯৯১ চনৰ ১০ ডিচেম্বৰৰ দিনটো শ্বহীদ দিৱস হিচাবে গন্য কৰি চৰকাৰী বন্ধৰ দিন হিচাবে ঘোষণা কৰিছিল নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) উত্তৰ দিছে ঃ

(ক) হয়, সচাঁ।

(খ) হয়, সচাঁ। আৰ্থিক সাহায্য ওঁ চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যালয়ৰ চাকৰিত মকৰল কৰাৰ ব্যৱস্থা কৰা হৈছিল। তাৰোপৰি ধান কল আৰু মটৰ গাড়ীৰ অনুজ্ঞাপত্ৰ দিয়া হৈছিল। শ্বহীদ সকলৰ পৰিয়ালবোৰক আৰ্থিক তথা অন্যভাবে সহায় কৰিছিল।

(গ) হয়, সচাঁ।

(ঘ) চৰকাৰী ভাবে পালন কৰা হোৱা নাছিল।

(ঙ) হয়।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে ১০ ডিচেম্বৰৰ দিনটো চৰকাৰী বন্ধ হিচাবে ঘোষণা কৰি যি কাৰ্য্য ব্যৱস্থা লোৱাৰ আঁচনি ৰখা হৈছিল সেইটো বন্ধ কৰি এই দিৱসটো চৰকাৰী ভাবে উৎযাপন কৰাৰ ব্যৱস্থা লব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই বন্ধটোৰ ক্ষেত্ৰত আমাৰ উদ্দেশ্য একো নাই। এই দিৱসটো চৰকাৰী ভাবে উৎযাপন কৰিব পৰা নহ'ব।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ ১০ ডিচেম্বৰৰ দিনটো চৰকাৰী বন্ধ হিচাবে ঘোষণা কৰা হোৱা নাছিল নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ১০ ডিচেম্বৰৰ দিনটো বন্ধ আছিল।

* শ্ৰীগিয়াচউদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, আন্দোলনৰ শ্বহীদ বোলা কথাষাৰৰ সংজ্ঞা কি ? বাস্তৱ ঘটনাটো হল এনেকুৱা কিছুমানে আন্দোলন কৰিবলৈ গৈ শ্বহীদ হ'ল আৰু কিছুমানে আন্দোলনৰ বিৰোধীতা কৰি শ্বহীদ

* Speech not corrected.

হ'ল । এতিয়া আন্দোলনৰ স্বহীদ বুলি যি সকলক সহায় কৰাৰ কথা কৈছে এইটো কোন সংজ্ঞাৰ ভিতৰত পৰে ? ইয়াৰ পৰিধি কি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যি সকলৰ কথা সোধা হৈছে সেই সকলক বিদেশী খেদা আন্দোলনৰ সপক্ষে আন্দোলন কৰি মৃত্যু বৰণ কৰা সকলকে এনে ধৰণৰ সাহায্য দিয়া হৈছে ।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, যোৱা ১০ ডিচেম্বৰৰ দিনটো চৰকাৰী বন্ধ হিচাবে ঘোষণা নকৰাৰ কাৰণ কি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সেইদিনা বন্ধ বুলি ঘোষণা কৰা হৈছে ।

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে আন্দোলনৰ সপক্ষে আৰু বিপক্ষে কোৱা হৈছে । এই ক্ষেত্ৰত যি সকলে আন্দোলনৰ সপক্ষে মৃত্যুবৰণ কৰিলে তেওঁলোকক স্বহীদ বুলি ঘোষণা কৰা হ'ল । কিন্তু যিসকলে এই আন্দোলনৰ মোকাবিলা কৰিবলৈ গৈ মৃত্যু বৰণ কৰিব লগা হ'ল, তেওঁলোকক স্বহীদ বুলি ঘোষণা কৰা নাই । তেওঁলোককো স্বহীদ বুলি ঘোষণা কৰাৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ আগৰ প্ৰশ্নৰ শুধৰণি হোৱা নাই । ১৯৯১ চনৰ ১০ ডিচেম্বৰ তাৰিখটো চৰকাৰী বন্ধ হিচাবে ঘোষণা কৰা নাছিল । এইটো কি হিচাবে বন্ধৰ দিন বুলি ঘোষণা কৰিছে বুজি পোৱা নাই । এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, ১৯৯১ চনৰ ১০ ডিচেম্বৰ তাৰিখটো স্বহীদ দিৱস হিচাবে বন্ধৰ দিন ঘোষণা কৰা হৈছিল ।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, ১০ ডিচেম্বৰটো চৰকাৰী বন্ধ হোৱা নাই ।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : বন্ধৰ দিন বুলি স্পষ্ট কোৱা হৈছে ।

---

* Speech not corrected.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, ইয়াৰ প্ৰসঙ্গ কি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত চৰকাৰী এবছৰীয়া এখন লিষ্ট থাকে, তাত যিটো থাকে সেই মতে কৰা হয়।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, ১০ ডিচেম্বৰটো চৰকাৰী বন্ধ হোৱা নাই।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, মই আগতে কৈছোঁ, ঘোষণা কৰা হৈছে।

* শ্ৰীআলাউদ্দিন চৰকাৰ ঃ অধ্যক্ষ মহোদয়, অলপ আগতে মই কৰা প্ৰশ্নৰ উত্তৰ পোৱা নাই। এইটো জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, মই আমাৰ মাননীয় সদস্য শ্ৰীসৰকাৰ আৰু শ্ৰীগিয়াচউদ্দিন আহমেদ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ দিবলৈ বিচাৰিছোঁ। বিদেশী আন্দোলনৰ সপক্ষে যিসকলে মৃত্যু বৰণ কৰিলে, তেওঁলোকক শ্বহীদ হিচাবে ঘোষণা কৰা হৈছে। যিসকলে বিৰোধিতা কৰি মৃত্যু বৰণ কৰিছে তেওঁলোকক শ্বহীদ ঘোষণা কৰা হোৱা নাই।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কিবা দাবী পাইছে নেকি আৰু সেই হিচাবে তেওঁলোকক শ্বহীদ ঘোষণা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত বহুত কোৱা হৈছে।

* শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে ১৯৯২ চনৰ বন্ধৰ লিষ্টখনত চৰকাৰী বন্ধৰ দিন হিচাবে যিবিলাক আছে তাৰ ভিতৰত ১০ ডিচেম্বৰৰ দিনটো শ্বহীদ দিবস হিচাবে চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, এই বছৰৰ

* Speech not corrected

বন্ধৰ লিষ্টখন বৰ্ত্তমান মোৰ হাতত নাই। লিষ্টখন পোৱাৰ পিচত মই জনাব পাৰিম।

Mr. Speaker : Now Starred Question No. 289. Hon'ble Member Shri Bhupen Roy.

*বিষয় ঃ চৰ অঞ্চলৰ উন্নতি*

শ্ৰীভূপেন ৰয়ে সুধিছে ঃ

* ২৮৯ মাননীয় চৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰ অঞ্চলৰ উন্নতিৰ বাবে চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত চৰ অঞ্চল সমূহত তেনে কিবা আঁচনি লৈছে নেকি ?

(গ) যদি লৈছে আঁচনি সমূহ কি কি আৰু কোন গাওঁত হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) চৰ অঞ্চলৰ উন্নতিৰ বাবে চৰকাৰে নিম্নলিখিত আঁচনি সমূহ গ্ৰহণ কৰিছে :

১। কৃষি।

২। পশুপালন আৰু গাখীৰ উৎপাদন।

৩। খোৱাপানী যোগান আঁচনি।

৪। কুটীৰ শিল্প।

৫। শিক্ষা।

৬। আৰ্থসামাজিক জৰীপ।

(খ) সমষ্টি হিচাবে কোনো আঁচনি লোৱা নহয়।

(গ) প্ৰশ্ন নুঠে।

* শ্ৰীভুপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক আঁচনি লোৱা হৈছে, এই কথাটো আমি বিধান সভাত জানিব পাৰিলো। কিন্তু বাস্তব ক্ষেত্ৰত

* Speech not corrected.

কোনো এটা কাৰ্য্য পন্থা লোৱা দেখা নাই । চৰ উন্নয়ন নিগমৰ পৰা ৫/৬টা দমকল দিয়া দেখা গৈছে । চৰ অঞ্চলৰ ক্ষেত্ৰত ব্যৱস্থা লব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, ব্যৱস্থা লোৱা হৈছে । তেখেতৰ সমষ্টিৰ সৃজনগ্ৰাম আৰু বৈতামাৰী ডেভেলপমেণ্ট ব্লকত কিছু কাম কৰা হৈছে । তাৰ ভিতৰত আছে সেই অঞ্চলৰ দুখীয়া কৃষক সকলক ঘেহু, মটৰ আদিৰ বীজ দিয়া হৈছে । সেই অঞ্চলৰ উন্নতি কৰিবৰ কাৰণে শস্য বিতৰণ কৰা হৈছে । তাত ৩০টা দমকল আৰু দুটা পাৱাৰ পাম্প দিয়া হৈছে । এইদৰে নানা ধৰণৰ আঁচনি লোৱা হৈছে ।

* শ্ৰীভূপেন ৰয় : অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ মানুহ বিলাক অতি পিচ-পৰি আছে । তেওঁলোকে বেংকৰ লোন নাপায় আনহাতে আই, আৰ, ডি, পি,ৰ লোনো নাপায় । আই, আৰ, ডি পি লোনটো বেংকৰ ফালৰ পৰা দিয়া হয়, কিন্তু বেংকে লোন দিয়াৰ কাৰণে আগ ভাগ নলয় । মোৰ সমষ্টি সৃজনগ্ৰামত তেনেকুৱা হৈছে । এই ক্ষেত্ৰত ব্যৱস্থা লব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, চৰ অঞ্চলত বসবাস কৰা লোক সকলৰ মাটিৰ পট্টা নাই । মাটিৰ পট্টা দিয়াৰ কাৰণে জৰীপ কৰি থকা হৈছে । জৰীপ হোৱাৰ পিচত তেওঁলোকক পট্টা দিয়া হব । বেংকৰ এটা নিয়ম আছে, পাঁচ হেজাৰ টকা মাটিৰ মৰ্টগেজ নিদিয়াকৈ লোন দিব পাৰি । এই আঁচনি কাৰ্য্যকৰী কৰিব পাৰি ।

* শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে চৰ অঞ্চলৰ উন্নতিৰ কাৰণে যি আঁচনিৰ কথা কৈছে সেই বিলাক আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে চৰ উন্নয়ন কৰ্তৃপক্ষই সেৱা কেন্দ্ৰৰ ঘৰৰ ব্যৱস্থা কৰিছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত নিৰ্দ্দেশ দিয়া হৈছে ।

* শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মহকুমা জিলা

---

* Speech not corrected.

ভিত্তিত চৰ অঞ্চলত কেনে ধৰণৰ সেৱা কেন্দ্ৰ আছে এইটো জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : এই বিষয়ে তথ্য নাই, বিবেচনা কৰা হব।

* শ্ৰীনিজামউদ্দিন খান : অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে চৰ অঞ্চল উন্নয়নৰ কাৰণে বিভিন্ন আঁচনি লোৱা হৈছে। ১৯৯১-৯২ চনৰ যি মঞ্জুৰীৰ ধন আৰু ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ ধনৰ মাজত পাৰ্থক্য ৰখা হৈছে। এই বিষয়ে জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, যিখিনি টকা আছিল সেইখিনি দিয়া হৈছে। সেই খিনিৰে চৰ উন্নয়নৰ কাম কৰি আছে। ইয়াৰোপৰি যন্ত্ৰপাতিও বিতৰণ কৰা হৈছে।

* শ্ৰীপদ্মেশ্বৰ দলে : অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে টেক্‌নিকেল পঢ়িবলৈ যায়। তেওঁলোকক স্কলাৰশ্বিপ দিয়াৰ ব্যৱস্থা আছে, এইটো বাহাল ৰাখিছে নে নাই জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, এইটো চলি আছে।

Mr. Speaker : Now Starred Question No. 290.

*বিষয় : অসম অৰুণাচলৰ সীমান্তৰ দৈৰ্ঘ্য*

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

* ২৯০ মাননীয় সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম অৰুণাচল সীমান্তৰ প্ৰকৃত দৈৰ্ঘ্য কিমান, ইয়াৰে কিমান অংশ বিবাদমান আৰু কিমান অংশ বিবাদবিহীন ?

(খ) বিবাদমান অঞ্চল সমূহৰ বিবাদ অন্ত কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

(গ) অৰুণাচলৰ বেদখলত থকা অসমৰ মাটিৰ পৰিমাণ কিমান ?

---

* Speech not corrected.

শ্ৰীনগেন নেওঁগ ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) প্ৰায় ৭০৪ কিঃ মিঃ। ইয়াৰে ভাৰতীয় জৰীপ বিভাগৰ দ্বাৰা চিহ্নিত কৰা ৩৭৮ কিঃ মিঃ বিবাদবিহীন আৰু চিহ্নিত কৰিবলৈ বাকী থকা ৩২৬ কিঃ মিঃত কিছু বিবাদ আছে।

(খ) বিবাদ সমূহ নিষ্পত্তি কৰাৰ বাবে বিভিন্ন পৰ্য্যায়ৰ বিষয়াৰ উপৰিও মুখ্যমন্ত্ৰী পৰ্য্যায়তো আলোচনা চলাই থকা হৈছে। তাৰ উপৰি ১৯৮৯ চনত ভাৰতৰ উচ্চতম ন্যায়ালয়ত গোচৰ এটাও তৰা হৈছে।

গ) প্ৰায় ৪৫২১২,৪৭ হেক্টৰ।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে অসম অৰুণাচল প্ৰদেশৰ সীমাৰ দৈৰ্ঘ্য ৭০৪ কিঃ মিঃ। তেওঁলোকে সাংবিধানিক সীমা ৰেখা মানি লব বিচৰা নাই। ইয়াৰ ভিতৰত ৩২৬ কিলোমিটাৰ বিবাদ আছে। ইয়াৰ ভিতৰত কিমান হেক্টৰ মাটি বন বিভাগৰ অধীনত আছে আৰু কিমান হেক্টৰ মাটি নাই? আৰু ইয়াৰ জনসংখ্যা কিমানখিনি অৰুণাচলৰ আৰু কিমানখিনি নহয়, এই কথাটো জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ মাটি এনে ধৰণে আছে লক্ষীমপুৰ ২ হেজাৰ ৫ শ ৮ হেক্টৰ, শোনিতপুৰ ১৫ হেজাৰ ৭২ হেক্টৰ, তিনিচুকীয়া ৩ হেজাৰ ৫ হেক্টৰ, শিৱসাগৰ ৭৮৫ হেক্টৰ। এইদৰে বিভিন্ন অসমৰ ৰিজাৰ্ভ এৰিয়া আছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, অসমৰ কাষৰীয়া ৰাজ্য কেইখনৰ মানুহে অসমৰ বছৰ বছৰ মাটি দখল কৰি পাহাৰৰ তলত কিছুমান গাওঁ পাতি লয়। সেই গাওঁবিলাকৰ নাম পাহাৰৰ ওপৰত থকা গাওঁৰ নামৰ লগত একে। চেনচাচৰ সময়ত বা ইলেকশ্বনৰ সময়ত তেওঁলোকে সেই অঞ্চল বিলাক সোমাই লয়। সেই কাৰণে এই ৩২৬ কিলোমিটাৰ বিবদমান হৈছে। ৩২৬ কিলোমিটাৰ সাংবিধানিক সীমা ৰেখা ভাৰতীয় জৰীপ বিভাগে কৰিছে। এই ক্ষেত্ৰত ১৯৮৯ চনতে ভাৰতৰ

* Speech not corrected.

উচ্চতম ন্যায়ালয়ত গোচৰ দিয়া হৈছিল । ইয়াক ক্ষীপ্র কৰিবৰ কাৰণে ব্যৱস্থা লব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্রী ) : অধ্যক্ষ মহোদয়, এইটো বাৱস্থা হাতত লোৱা হব ।

* শ্ৰীগহীন চন্দ্র দাস : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে অৰুনাচল আৰু নাগালেণ্ডৰ যি সীমা বিবাদমান হৈ আছে তাৰোপৰি ইণ্টাৰ ডিষ্ট্ৰিক্টৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে । মই কথাটো স্পষ্ট কৰি দিব বিচাৰিছো, নগাওঁ আৰু কাৰবি আংলঙৰ সীমাৰ বিবাদ চলি আছে তাৰ ব্যৱস্থা কিবা লৈছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্রী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিলাক জিলাৰ উপায়ুক্তই চায় । সেই বিলাক সমাধা কৰিবলৈ চেষ্টা কৰি আছে ।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে চৰাইপুঙৰ পৰা অৰুণাচললৈ মাত্ৰ ৭ কিলোমিটাৰ দূৰত্ব । এই বনাঞ্চলৰ গছ কাটি খাপ্লাং কৰা হৈছে । এই বিষয়ত মুখ্য মন্ত্রী মহোদয়ে আগতে বিষয়টো তদন্ত কৰি সদনক অৱগত কৰা হব বুলি কৈছিল । এই বিষয়ে চৰকাৰে কি ব্যৱস্থা হাতত লোৱা লৈছে জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্রী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে অৰুণাচলৰ মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰা হৈছে, তেওঁলোকৰ দৃষ্টিগোচৰ কৰা হৈছে । তেখেতসকলৰ ফালৰ পৰা ব্যবস্থা গ্ৰহণ কৰিছে ।

(i) Boundary demarcation in the undisputed areas, and erection of boundary pillars should commence as early as possible.

(ii) In respect of disputed areas, status-quo should be maintained and no eviction of people or demolition of houses and properties should be undertaken by both

* Speech not corrected.

the Governments in the disputed areas. However, no fresh construction or encroachment will be allowed in the disputed areas.

(iii) Local Committees, consisting of representatives from Arunachalies and Assamese on 50 : 50 basis to be formed in the disputed areas to sort out the problems.

(iv) An official level Committee representing both the States should meet to work out the modalities to implement the agreement arrived at by the two Chief Ministers and take follow-up action.

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই চৰাইপুং থানাৰ কথা জানিব বিচাৰিছো সেইটো কি হল ? মুখ্য মন্ত্ৰীয়ে তদন্ত কৰি সদনক অবগত কৰাৰ কথা আছিল আৰু চৰাইপুং বনাঞ্চল কাটি শেষ কৰিছে, সেইটো অবগত হব লাগে ।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আগতে প্ৰশ্ন কৰিছিল অৰুনাচলৰ সম্পৰ্কে । ৰিপোৰ্ট দিয়াৰ কথা আছে ।

মাননীয় অধ্যক্ষ : এতিয়া তৰাচিহ্নিত প্ৰশ্ন নং ২৯১ । মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ।

*বিষয় : লাইপুলীয়া দলং ।*

শ্ৰীদিলীপ কুমাৰ শইকীয়ায়ে সুধিছে :

* ২৯১ মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধেমাজী সমষ্টিৰ অন্তৰ্গত মাছখোৱা আৰু চিচি কলঘৰক সংযোগ স্থাপন কৰা এক মাত্ৰ লাইপুলীয়া দলঙৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

* Speech not corrected.

(খ) লাইপূলীয়া দলঙৰ কাম সম্পূৰ্ণ কৰি তুলিবলৈ কিমান দিন লাগিব ?

(গ) লাইপূলীয়া দলঙৰ কাম কিমান জন ঠিকাদাৰক দিয়া হৈছে আৰু লগতে ঠিকাদাৰ কেইজনৰ নাম উল্লেখ কৰিব ।

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) শতকৰা ৫০ ভাগ কাম সম্পূৰ্ণ হৈছে ।

(খ) এপ্ৰিল মাহৰ ( ১৯৯২ ) ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰা যায় ।

(গ) প্ৰথমে কামটো শ্ৰীচিদানন্দ শইকীয়াক আবণ্টন দিয়া হয় আৰু তেওঁৰ অকৃতকাৰ্য্যতাৰ কাৰণে শ্ৰীৰুহিত শইকীয়াক পুনৰ আবণ্টন দিয়া হয় ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো কেইবাবাৰো কৰা হৈছে । কথাটো হ'ল শতকৰা ৫০ ভাগ কাম হৈছে বুলি কৈছে কিন্তু বাকী ৫০ ভাগ কাম এই ১ মাহৰ ভিতৰতে সম্পূৰ্ণ হব নেকি ? দ্বিতীয় কথা হ'ল এই শ্ৰীচিদানন্দ শইকীয়াই কাম কৰিব নোৱাৰাৰ কাৰণে পুনৰ কামটো শ্ৰীৰুহিত শইকীয়াক দিয়া হল বুলি প্ৰশ্নোত্তৰত কৈছে। কিন্তু শ্ৰীচিদানন্দ শইকীয়াই কামটো পাইছে ।

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীৰুহিত শইকীয়াক কামটো দিয়া হৈছে । গতিকে আশা কৰিছো কামটো শেষ কৰিব ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীচিদানন্দ শইকীয়াক ৫০ শতাংশ কাম কৰিবলৈ দিয়া হৈছে । শ্ৰীৰুহিত শইকীয়াও আছে । শ্ৰীচিদানন্দ শইকীয়াই কাম কৰিব নোৱাৰাৰ কাৰণে নহয় । তেওঁ কাম পাইছে ।

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীচিদানন্দ শইকীয়াই কামটো কৰিব নোৱাৰাৰ কাৰণে শ্ৰীৰুহিত শইকীয়াক কাম দিয়া হৈছে ।

* শ্ৰীভূপেন ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বঙাইগাৱৰ পৰা বিজনী পথছোৱাত দলং বেয়া হৈ থকাৰ কাৰণে যাতায়ত বন্ধ হৈ আছে, সেই বিষয়ে মন্ত্ৰী মহোদয়ে জানে নেকি ?

---

* Speech not corrected.

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে নতুনকৈ এটা প্ৰশ্ন দিলে ভাল হয়।

(Starred Question No. 292 was withdrawn by the Questioner with the leave of the House.

Mr. Speaker : Starred Question No. 292 has been withdrawn. Now Starred Question No. 293.

***বিষয় : সমষ্টি ভিত্তিত টকা আবণ্টন।***

* শ্ৰীনজমুল হকে সুধিছে :

* ২৯৩ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা সংমণ্ডলৰ গোৱালপাৰাৰ পৰা কাৰাই খাওয়া বগুৱান হৈ চুনাৰীলৈকে থকা গড়কাপ্তানী ৰাস্তাটো উন্নত কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) পুঁজি সাপেক্ষে অংশ বিশেষে উন্নতি কৰণৰ কাম কৰি থকা হৈছে।

* শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি এই কাৰাই খাওৱা বগুৱান হৈ চুনাৰিলৈকে গোৱালপাৰা জিলাৰ যিটো ৰাষ্টা আছে সেই ৰাষ্টাটো ঘনবসতিপূৰ্ণ মানুহৰ মাজেৰে আহিছে আৰু ই অতি গুৰুত্বপূৰ্ণ ৰাষ্টা। এই ৰাষ্টাটো ইমান বেয়া হৈ আছে যে যাৰ ফলত গাড়ী চলাচল বন্ধ হৈ আছে। কেতিয়াবা গাড়ী গৈ উভতি আহিব লগা হয়। সেই অঞ্চলৰ মানুহৰ সুবিধালৈ লক্ষ্য ৰাখি মাননীয় মন্ত্ৰী মহোদয়ে উক্ত ৰাষ্টাটো পকীকৰণৰ ব্যৱস্থা লব লাগে।

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই ৰাষ্টা কেইটা হৈছে গোৱালপাৰা কাৰাই খাওৱা ৰাষ্টা মুঠ দৈৰ্ঘ্য ১৫ কিঃ মিঃ, ইয়াৰ

---

* Speech not corrected.

১৩.২ কিঃ মিঃ গ্রেভেল কৰা হৈছে। ১ কিঃ মিঃ পকী কৰা হৈছে। কৰাই-খোৱা তলতলা ৰাষ্টাৰ ২১ কিঃ মিঃৰ ২০.৬ কিঃ মিঃ গ্রেভেল আৰু ০.৪ কিঃ মিঃ পকা আৰু লক্ষীপুৰ-চুনাৰী ৰাষ্টাৰ মুঠ ১১ কিঃ মিঃৰ ৯ কিঃ মিঃ গ্রেভেল ২ কিঃমিঃ পকা কৰা হৈছে। এই গোটেই বিলাক ৰাষ্টাৰ কাৰণে প্রত্যেক বছৰে খৰচ কৰি আছে। ১৯৮৪-৮৫ চনৰ পৰাই এই ৰাষ্টা বিলাকত খৰচ কৰি থকা হৈছে।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, এই ৰাষ্টা-বিলাকত বছৰে বছৰে টকা খৰচ কৰি আছে কিন্তু তাত গাড়ী চলাচল কৰাৰ কাৰণে সুবিধা হোৱা নাই। এই ৰাষ্টাটোত কিয় গাড়ী বন্ধ হৈ থাকে ?

* শ্রীগোলোক ৰাজবংশী ( মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, গাড়ী বন্ধ হৈ থকাৰ কথাটো ইয়াত নাই।

**( Starred Question Nos. 294 to 398 and deferred Question No. 36 of 11-3-92 could not taken as the Question Hour was over. However the same deemed to have been disposed of ).**

***বিষয় : বারৈগ্রাম জংশন সংলগ্ন একটি রেলগেট স্থাপন।***

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন :

* ২৯৪ মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) বারৈগ্রাম-পেচারপার সড়কের বারৈগ্রাম জংশন সংলগ্ন একটি রেলগেট স্থাপন ও কায়স্থগ্রাম-সিঙ্গরিয়া-বালিয়া সড়কের কায়স্থগ্রাম রেলষ্টেচন সংলগ্ন একটি রেলগেট স্থাপনের জন্য একাধিকবার দাবি জানানো সত্বেও বিভাগীয় কর্তৃপক্ষ কোনরূপ গুরুত্ব না দেওয়ার ব্যাপারে সরকার অবহিত আছেন কি ?

(খ) এবং এব্যাপারে সরকার কি কার্য্যকরী পদক্ষেপ নিয়েছেন ?

---

* Speech not corrected.

(গ) আসাম সরকারের P. W. D. (Communication Br.) Dispur থেকে Chief Engineer, P. W. D. (R) Assam, Chandmari কার্য্যালয় হতে P Memo No. CRD. 1/91/pt/90-A dt. 5-9-91 প্রদত্ত পত্রের মর্মানুযায়ী সরকার কি কার্য্যকরী পদক্ষেপ গ্রহণ করেছেন ?

(ঘ) সরকার রেল বিভাগের সহিত শীঘ্রই যোগাযোগ ক্রমে বর্ত্তমান অর্থ বছরে রেল গেট স্থাপনের জন্য সক্রিয় ভূমিকা ও কার্য্যকরী পদক্ষেপ গ্রহণ করবেন কি ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কাম হাতত লোৱা হোৱা নাই।

(খ) ৰেলৱে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে।

(গ) কায়স্থগ্ৰাম আৰু বাৰৈগ্ৰামত ৰেলগেট স্থাপনৰ বাবে গড়কাপ্তানী বিভাগে ৰেলৱে কৰ্তৃপক্ষক কিমান টকা দিব লাগিব তাৰো যোগাযোগ কৰা হৈছে।

(ঘ) এইবছৰত যাবতীয় পুজিৰ অভাবত আৰু ৰেলৱে কৰ্তৃপক্ষক দিব লগা ধন ঠিৰাং কৰিব পৰা নহ'ল বাবে কামটো এই বিত্তীয় বছৰত হাতত লব পৰা নহল।

*বিষয় : কালদিয়া নদীৰ দলং ধ্বংস।*

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে :

*২৯৫ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ গড়কাপ্তানী কাৰ্য্যবাহী অভিযন্তাৰ (পথ) অধিনত থকা অঞ্চলী বাটাবাৰী পথৰ কালদিয়া নদীৰ ওপৰত থকা ( গধুলী গাওঁ বকুৱা ঘাট . দলং খন উগ্ৰপন্থীয়ে সম্পূৰ্ণ ভাৱে ধ্বংস কৰি পেলোৱাটো সচানে ?

---

* Speech not correcetd.

(খ) যদি সচাঁ হয় তেনেহলে দলং খন পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(গ) যদি কৰা নাই তৎকালীন ভাৱে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় সচাঁ ।

(খ) উগ্ৰপন্থীয়ে ধ্বংস কৰা দলংবোৰৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে লগা ধনৰ মঞ্জুৰীৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত বহুদিন ধৰি যোগাযোগ কৰি থকা হৈছে ।

(গ) প্ৰশ্ন নুঠে ।

**Re : Survey Staff.**

Shri Samarendra Nath Sen, asked :

* 296 Will the Minister of Town and Country Planning be pleased to state :

(a) Whether it is a fact that a Survey Staff under Town and Country Planning, Silchar submitted a scheme for the improvement of drainage system for Silchar Town and its sorroundings ?

(b) If so, what step the Government has taken to implement the said scheme ?

(c) Whether Government will start a drainage Division at Silchar like Division functioning in Guwahati and Tinsukia ?

(d) If, so, when it will start functioning ?

---

* Speech not corrected.

Shri Hiteswar Saikia, ( Chief Minister ) replied :

(a) No.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

**Re : R. C. C. Bridge of Dulani river.**

Shri Kamal Brahma asked :

* 297 Will the Minister of P. W. D. be pleased to State :

(a) The latest position of Dulani River R. C. C. bridge Bijni and the reasons for non-completion ?

(b) What is the estimated cost ?

(c) How much amount have been spent so far ?

Sri Golok Rajbanshi ( Minister ) replied :

(a) Foundation and Substructure have been nearly completed and the overall progress is 45%. The reasons for non-completion of work is due to law and order situation prevailing in the area and to some extent unfavourable weather.

(b) Rs. 86,136 lakhs.

(c) Rs. 36,51,874·00

---

* Speech not corrected.

*বিষয় ঃ বঙাইগাওঁ* **Fly over bridge.**

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ২৯৮ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙাইগাওঁৰ Fly over Bridge খনৰ জৰীপ আদি কাৰ্য্যৰ বাবে কেইবা লাখো টকা খৰছ কৰাৰ পিছতো ৰেলৱে বিভাগে সম্মতি নজনোৱা বাবেই নিৰ্মাণ কাৰ্য্য আৰম্ভ নোহোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা হয়, কি অসুবিধাৰ বাবে ৰেলৱে বিভাগে সম্মতি জনোৱা নাই আৰু ৰাজ্য চৰকাৰ এই বিষয়ে অৱগত নে ?

(গ) অসম চৰকাৰে ৰেলৱে বিভাগৰ লগত উচ্চ পৰ্য্যায়ত এতিয়া'লৈ কেইবাৰ আলোচনা কৰিছে ।

( আলোচনাৰ সিদ্ধান্ত সমূহ সদনৰ মেজত দাখিল কৰিব )

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কেইবা লাখ টকা খৰছ কৰা কথাটো সচাঁ নহয়, আৰু ৰেলৱেই সম্মতি জনোৱাত পলম হোৱাৰ বাবে দলঙৰ কাম আৰম্ভ নোহোৱাৰ কথাটো সঁচা ।

(খ) পংকিত বন্ধনৰ ( Alignment ) ওপৰত ভালে সংখ্যক ৰেল কৰ্মচাৰীৰ আবাস গৃহ পৰাত সেইবোৰ নাভাঙিবলৈ কৰ্মচাৰী সংঘবোৰৰ হেতু প্ৰদান আৰু কিছুমান কাৰিকৰী আসোঁৱাহ ( Road geometric )ৰ বাবে অনুমতি প্ৰদানত পলম হয় আৰু ৰাজ্য চৰকাৰ এই বিষয়ে অৱগত ।

(গ) তিনিবাৰ, আৰু ইয়াৰ সিদ্ধান্ত সমূহ দাখিল কৰা হৈছে ।

( See the Annexure—III )

( Deferred Question No. 36 of 11-3-92 )

---

* Speech not corrected.

( Deferred Question No 36 of 11-3-92 )

**Re : Muster Roll Workers,**

Shri Giasuddin Ahmed,

Will the Chief Minister be p eased to State :

(a) The total number of Muster Roll workers serving under different Forest Di visions of the state ?

(b) Will the Government consider the matter of regularisation of their services phase by phase ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) 4755 Nos.

(b) No. There is no proposal at present to regularise their Services in the department.

## UNSTARRED
## QUESTIONS AND ANSWERS

*বিষয় ঃ জোকোটা খাইগড় গড়কাপ্তানী বাস্তা।*

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

৩৯৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জোকোটা খাইগড় গড়কাপ্তানী ৰাস্তা ( নগাওঁ জিলা গড়কাপ্তানী পশ্চিম খণ্ড ) টো ১৯৮৬ চনৰ বানপানীৰ খহনীয়াতে ব্যৱহাৰৰ তেনেই অনুপযোগী হৈ থকাটো চৰকাৰে জানেনে ?

(খ) উক্ত পথৰ শালমাৰা দলং, বৰপানী দলং কেইখনো যে ভাঙি যোগাযোগৰ বাৰুকৈয়ে অসুবিধা হৈছে, চৰকাৰে জানেনে ?

(গ) যদি জানে মেৰামতিৰ তত্কালিন ব্যৱস্থা লবনে ?

(ঘ) এই কামবোৰ কৰিবলৈ কিমান টকাৰ প্ৰয়োজন হ'ব আৰু কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

শ্ৰীগোলোক ৰাজবংশী, (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় চৰকাৰ অবগত ।

(খ) হয়, চৰকাৰে জানে ।

(গ) বিত্তীয় অনুদান পালে ততকালিন মেৰামতিৰ ব্যৱস্থা লব পৰা যাব।

(ঘ) উক্ত পথটোৰ মুঠ দৈৰ্ঘ্য ১৭'০০ কিঃ মিঃ । তাৰে প্ৰথম ৯ কিঃ মিঃ গড়কাপ্তানী নগাওঁ পশ্চিম সংমণ্ডলৰ অধীনত । বাকী অংশ নগাওঁ পূব সংমণ্ডলৰ অধীনত পৰে ।

সম্পূৰ্ণ পথটো মেৰামতি, উন্নতিকৰণ আৰু প্ৰতিৰোধ ব্যৱস্থা আদি কৰিবলৈ হলে সৰ্বমুঠ ২৯,৫০,০০০.০০ ( উনত্ৰিশ লাখ পঞ্চাশ হাজাৰ ) টকাৰ প্ৰয়োজন হ'ব । এই টকাখিনি মঞ্জুৰী পালে কামখিনি হাতত লব পৰা যাব ।

## *বিষয় : ৰাইহাটা গোৰেশ্বৰ ৰাস্তা পকীকৰণ ।*

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

৩৯৬ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম সাহিত্য সভাৰ গোৰেশ্বৰত অনুষ্ঠিত হৈ যোৱা অধিবেশনৰ লগত সংগতি ৰাখি ৰাইহাটা চাৰিআলি গোৰেশ্বৰ পথটিৰ পকীকৰণৰ আঁচনি গ্ৰহণ কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, ইয়াৰ বাবে মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু ইতিমধ্যে কিমান টকা মুকলি কৰি দিয়া হৈছে ?

(গ) এই আঁচনিৰ বাবে ধাৰ্য্য কৰা ধনখিনি কোন তাৰিখে মুকলি কৰি দিয়া হৈছিল ?

(ঘ) আঁচনি অনুযায়ী পথৰ পকীকৰণৰ কাম সমাপ্ত হ'লনে ?

(ঙ) যদি হোৱা নাই কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ইয়াৰ বাবে ৭২ লাখ টকা ধাৰ্য্য কৰা হৈছিল। উক্ত আলিটোৰ কাৰণে স্থকীয়াকৈ কোনো টকা মুকলি কৰা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) গোটেইখিনি হোৱা নাই।

(ঙ) অহা ১৫ দিনৰ ভিতৰত সম্পুৰ্ণ হব বুলি আশা কৰা হৈছে।

*বিষয় ঃ চোৰাং ভাবে গছ কটা।*

শ্ৰীমধুসুদন তেওৱাৰীয়ে সুধিছে ঃ

৩৯৭। মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন কি ?

(ক) বিগত নভেম্বর মাসে বদরপুর বিধান সভা নির্বাচনের সময়ে পাথার-কান্দি সমষ্টির নানান বনাঞ্চল যেমন লোয়ার পোয়া রেঞ্জ ও চুরাইবাড়ী ফরেষ্ট রেঞ্জে লক্ষ লক্ষ টাকা মূল্যের সেগুন গাছ অবৈধ ভাবে কাটা হয়েছিল এ বিষয়ে সরকার অবগত আছেন কি ?

(খ) যদি অবগত থাকেন, তবে কি ব্যবস্থা গ্রহণ করিতেছেন ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ছেগুনৰ টুকুৰাবোৰ জব্দ কৰি বিভাগীয় দিপোলৈ অনা হৈছে। এই অবৈধ ভাবে গছ কটাৰ লগত জৰিত থকা দুজন বিট অফিচাৰক নিলম্বিত কৰা হৈছে। লোৱাই পোয়াৰ আঞ্চলিক বন বিষয়া জনক বদলি কৰি আতৰাই দিয়া হৈছে, সেই অঞ্চলৰ বিট অফিচ আদিত বন কৰ্ম্মচাৰীৰ সংখ্যা বৃদ্ধি কৰা হৈছে আৰু অসম বন-সংৰক্ষন বাহিনী, অসম গৃহৰক্ষী বাহিনী আদি ৰাখি ভবিষ্যতে যাতে অবৈধভাৱে গছ কাটিব নোৱাৰে তাৰ ব্যৱস্থা লোৱা হৈছে।

*বিষয় ঃ পানী যোগান আঁচনি ।*

শ্ৰীবুবুল দাসে সুধিছে ঃ

৩৯৮ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জাগীৰোড সমষ্টিৰ অন্তৰ্গত মুঠ কিমানটা Pipe Water Supply Scheme সম্পূৰ্ণ কৰা হ'ল ?

(খ) এই সমষ্টিত আৰু কিমানটা এনেকুৱা আঁচনি আধৰুৱা হৈ আছে আৰু অধৰুৱা হৈ থকাৰ কাৰণ সমূহ কি কি ?

(গ) এই সমষ্টিৰ অন্তৰ্গত "কুষানিবাৰী পাইপ ৱাটাৰ চাপ্লাই আঁচনিটোৰ" বিপৰীতে মঞ্জুৰ হোৱা ধন সম্পূৰ্ণভাবে খৰছ হ'ল নে আৰু যদি হ'ল আঁচনিটো আজি ইমান বছৰে কিয় কাৰ্য্যক্ষম হৈ নুঠিল ?

(ঘ) এই সমষ্টিৰ বাকী থকা পাইপ ৱাটাৰ চাপ্লাই আঁচনি কেইটা সম্পূৰ্ণ ভাবে কাৰ্য্যক্ষম কৰি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবেন ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ১৮ টা পানী যোগান আঁচনিৰ ভিতৰত ৩টাৰ কাম সম্পূৰ্ণ হৈছে ।

(খ) বাকী ১৫টাৰ ভিতৰত ১০ টাৰ কাম যদিও সম্পূৰ্ণ হৈ উঠা নাই পানী যোগান দি থকা হৈছে আৰু ৫টা আঁচনিৰ কাম চলি আছে । নিৰ্মাণ সামগ্ৰীৰ অভাৱ, বানপানী তথা যাতায়াতৰ অসুবিধাৰ বাবদ কামবোৰ সম্পূৰ্ণ হৈ উঠা নাই ।

(গ) হৈছে । ১৯৮২ চনত অনুমোদিত হোৱা আঁচনিখন ১৯৮৫ চনত সম্পূৰ্ণ হোৱাৰ পিছত পানী যোগান ধৰা হৈছিল যদিও উক্ত আঁচনিৰ বহুতো সামগ্ৰী, বিশেষকৈ পাইপ চুৰি হোৱাৰ কাৰণে পানী যোগানত ব্যাঘাত জন্মে । বৰ্ত্তমান উক্ত আঁচনিৰ পাইপ লাইন পুনৰ বহুওৱা হৈছে আৰু অতি সোনকালে পানী দিব পৰা যাব বুলি আশা কৰা হৈছে ।

(ঘ) আৱশ্যকীয় ধন পালে অষ্টম পৰিকল্পনাৰ ভিতৰতে পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰা হব ।

**বিষয় ঃ অন্তৰগড় মুৰফুলনী পি, ডব্লিউ ডি, ৰাস্তা ।**

শ্ৰীবিনোদ গোৱালায়ে সুধিছে ঃ

৩৯৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ অন্তগড় মুৰফুলনীৰ পৰা বগীজানলৈ আৰু বকিয়াল পথ দুটাৰ অৱস্থা অতি শোচনীয় হোৱা বাবে প্ৰায় গাড়ী চলাচল বন্ধ হৈ থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত পথছোৱা উন্নয়নৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লৈছে কেতিয়াৰ পৰা লব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) অবগত নহয় । কিন্তু লাগতিয়াল পুজিঁৰ আবণ্টন নোপোৱাৰ বাবে পথ দুটাৰ মেৰামতি কাম প্ৰয়োজন অনুসাৰে কৰিব পৰা হোৱা নাই । তথাপি গাড়ী চলাচল কৰি থাকিব পৰাকৈ সময় অনুযায়ী কাম কৰি থকা হৈছে ।

(খ) মুৰফুলনীৰ পৰা বগীজানলৈ যোৱা পথছোৱাৰ উন্নয়নৰ বাবে ১,০৬,০০০ টকাৰ আঁচনি চলিত বাৰ্ষিক পৰিকল্পনাত লোৱা হৈছে । আৰু বকীয়াল পথৰ উন্নয়নৰ বাবে ১৯৯০-৯১ চনৰ বাৰ্ষিক পৰিকল্পনাত ১,০০,০০০ টকাৰ আঁচনি লোৱা হৈছে ।

(গ) ওপৰত উল্লেখিত কৰা পথ দুটাৰ (১) বকিয়াল পথত উন্নয়নৰ কাম বৰ্ত্তমান চলি আছে (২) মুৰফুলনীৰ পৰা বগীজানলৈ যোৱা পথছোৱাৰ কাম হাতত লবলৈ যো-জা কৰি থকা হৈছে ।

**বিষয় : বনাইঘাটৰ দলং ।**

শ্ৰীৰেনুপমা ৰাজখোৱায়ে সুধিছে :

৪০০ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) টীয়ক সমষ্টিৰ অন্তৰ্গত বনাই ঘাটৰ দলংখন ১৯৮৮-৮৯ চনত নিৰ্মানৰ কাম হাতত লৈও আজিও সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ কি ?

(খ) বনাই ঘাটটো গড়কাপ্তানী বিভাগৰ হয় নে নহয় জনাবনে ?

(গ) টীয়ক সমষ্টিৰ অন্তৰ্গত শুকানজনীয়া দলঙৰ বাবদ ৩ লাখ ২৬ হেজাৰ টকা অনুমোদন দিয়াৰ পাচতো কিয় বিভাগে কাম হাতত লোৱা নাই ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বনাই ঘাটৰ দলংখনৰ নিৰ্মাণৰ সামগ্ৰী পৰীক্ষা নিৰিক্ষা কৰি থকা বাবে আৰু বানপানীৰ কাৰণে নিৰ্মান কাৰ্য্য সম্পূৰ্ণ হৈ উঠা নাই ।

(খ) বনাই ঘাটটো গড়কাপ্তানী বিভাগৰ অন্তৰ্গত নহয় ।

(গ) শুকানজনীয়া দলং বুলি কোনো আঁচনি চৰকাৰৰ অনুমোদন নাই ।

***বিষয় ঃ বন গাওঁৰ আঁচনি ।***

৪০১ । মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বন গাওঁবোৰ চৰকাৰে ৰাজহ বিভাগলৈ হস্তান্তৰ কৰাৰ কোনো আচনি হাতত লৈছে নেকি ?

(খ) যদি লৈছে কেতিয়াকৈ কাৰ্য্যকৰী ব্যৱস্থা লব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মূখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান তেনে ধৰণৰ কোনো আঁচনি চৰকাৰৰ হাতত নাই ।

(খ) প্ৰশ্ন নুঠে ।

## Re : Attack on 6 Bodos by Tiger

Shri Karendra Basumatary asked :

402. Will the Chief Minister be pleased to State—

(a) Whether Government is aware that on 10th February, 1992, 6 Bodos had been attacked by a Tiger and all of them have been hospitalised in Mangaldoi Civil Hospital in a serious conditions ?

(b) If so whether any compansation has been paid to the victims by the Govt. ?

Shri Hiteswar Saikia (Chief Minister ) replied :

(a) Yes.

(b) Necessary Compensation as per existing rule will be given on receipt of medical report and Police report which are awaited.

## বিষয় ঃ ছিঙা P. .W .D ৰাস্তা ।

শ্রীনিজাম উদ্দিন খান, বিধায়ক ঃ

৪০৩ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ কয়াকুছি Village P.W. D. ৰাস্তাটো মেৰামতিৰ কিবা ব্যৱস্থা লোৱা হৈছেনে ?

(খ) ৰাস্তাৰ ছিঙা অংশ সমূহত বাৰিষাৰ লগে লগে ফুটব্রিজ দিয়া ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় নুন্যতম চাহিদা আচনিৰ শিতানত মেৰামতি কামৰ বাবে আংশিক ব্যৱস্থা লোৱা হৈছে ।

(খ) হয় টকা পালে প্ৰয়োজনীয়তা আৰু সুসাধ্যতা অনুসাৰে ফুটব্ৰিজ বা নাওঁ দিয়াৰ ব্যৱস্থা কৰা হ'ব ।

*বিষয় ঃ হস্পিতাল উন্নতিকৰণ ।*

শ্ৰীধ্ৰুব কুমাৰ সেনে সুধিছে ঃ

৪০৪। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) ধুবুড়ী চিভিল হস্পিতাল উন্নতি করার কোন সিদ্ধান্ত গ্রহণ করিয়া গৃহ নির্মাণের কাম আরম্ভ করার বিষয়ে সরকার জানেন কি ?

(খ) যদি জানেন, তবে গৃহ নির্মাণের কামের জন্য কত টাকা ধার্য্য করা হইয়াছে ?

(গ) উক্ত গৃহ নির্মাণের কাম কি কারণে বন্ধ হইয়া আছে ?

(ঘ) উক্ত গৃহ নির্মাণের কাম কবের মধ্যে সম্পূর্ণ করা হবে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী বিভাগ এই বিষয়ত অৱগত নহয় ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) প্ৰশ্ন নুঠে ।

**Re : Guma—Natanpur P. W. D Road.**

Shri Kali Ranjan Deb asked :

405. Will the Minister of Public Works Department be pleased to state :

(a) Whether there is any proposal of taking over the Gumra—Natanpur P. W. D. Road in Cachar District by the N. E. C. ?

(b) If so, when the development work of the said road will be started by N. E. C. ?

Shri Golok Rajbanshi, ( Minister ) replied :

(a) At present there is no such proposal.

(b) Does not arise.

*বিষয় ঃ ৰাস্তাৰ সংস্কাৰ সাধন কৰি বাচ চলাচলৰ ব্যৱস্থা কৰা।*

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন :

৪০৬। মাননীয় গড় কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করি জানাবেন কি ?

(ক) চেরাগী কাকুয়াগ্রাম সড়কের বিনোদিনি হতে কাকুয়াগ্রাম N.H. 44 থেকে জবাইপুর সড়কের নাথুপুর থেকে জবাইপুর সড়কের শেষ সিমানা পর্য্যন্ত রাস্তার কাজ বার বার দাবি জানানো সত্বেও কর্তৃপক্ষ কোন রূপ কার্য্যকরী ব্যবস্থা গ্রহণ না করা সম্পর্কে সরকার অবহিত আছেন কি ?

(খ) যদি আছেন বর্ত্তমান অর্থ বছরে বর্নিত রাস্তা সমূহের সংস্কার সাধন করতঃ বাস চলাচলের ব্যবস্থা করা হবে কি ?

(গ) বাজারঘাট গ্রাম সেবক কোয়ার্টারের সম্মুখহতে কাকুয়াগ্রাম সড়কের প্রাথমিক পর্য্যায়ে যে এক কিলোমিটার পর্য্যন্ত রাস্তা কত টাকা খরচ করে কত দিনে ভিতর সম্পন্ন করা হবে ?

(ঘ) বাজারঘাট গোবিন্দগঞ্জ নগেন্দ্রনগর সড়কের দুরাবস্থা সম্পর্কে বর্ত্তমান সরকার অবহিত আছেন কি ?

(ঙ) যদি আছেন বর্ত্তমান অর্থ বছরে সরকের সংস্কার সাধন করতঃ বাস চলাচলের ব্যবস্থা করা হবে কি ?

শ্রীগোলোক ৰাজবংশী ( মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক) নহয়, তাত তেনে কোনো গড়কাপ্তানী ৰাস্তা নাই ।

(খ) প্রশ্ন নুঠে ।

(গ) মুঠ টকা ১·৩৬ লাখ আৰু উক্ত কাম ১৯৯২-৯৩ চনত সম্পূর্ণ হব ।

(ঘ) হয় আছে ।

ঙ) নহয় । উক্ত ৰাস্তা ১৯৯২-৯৩ চনত হে সম্পূর্ণ হব ।

*বিষয় : I. C. D. P. প্রকল্প ।*

শ্রীপ্রণব কুমার নাথে জিজ্ঞাসা করছেন :

৪০৭। মাননীয় পশুপালন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করি জানাবেন কি ?

(ক) করিমগঞ্জ জিলার রামকৃষ্ণ নগরের হরিনগরে 'ইনটেনচিভ কেটল ডেভেলপমেন্ট প্রজেক্ট ( I.C.P D ) এর প্রধান কার্য্যালয় স্থাপন করার বিষয়ে কি সিদ্ধান্ত নিয়েছেন ?

(খ) চলিত অর্থ বছরে ইহা কার্য্যকরী করা হবে কি ?

শ্রীনকুল দাস (মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বছৰত এনে কোনো প্রস্তাৱ নাছিল ।

(খ) কার্য্যকৰী কৰাৰ প্রশ্ন নুঠে ।

*বিষয় ঃ চাংসাৰী কেন্দুকোনা পথ ।*

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে ঃ

৪০৮ । মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাংসাৰী কেন্দুকোনা পথৰ পুঠিমাৰী নদীৰ ওপৰত আঠগাৰঁত থকা দলংখন কেতিয়াৰ পৰা বন্ধ হৈ আছে ?

(খ) ইয়াক কেতিয়া কাৰ্য্যক্ষম কৰি তোলা হব ?

(গ) (১) চাংসাৰী কেন্দুকোনা, (২) চাংসাৰী-বোকেৰীয়া কমলপুৰ (৩) ক'লাজল-গূড়মৌ আৰু (৪) উত্তৰ গুৱাহাটী-বেজেৰা-আঙ্কেৰীবাট ৰাস্তা কেইটা পকীকৰণৰ বাবে চৰকাৰৰ আঁচনি আছে নেকি ?

(ঘ) যদি আছে, এই পকীকৰণৰ কাম কেতিয়া আৰম্ভ হব আৰু কেতিয়া সমাপ্ত হব ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২৫-৭-৯১ তাৰিখৰ পৰা ।

(খ) এই কামটোৰ বাবে ৪'৮০ লাখ টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে । প্ৰয়োজনীয় মঞ্জুৰী পালে কামটো আৰম্ভ কৰি ( তিনি ) মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা হব ।

(গ) ৪ নং পথটোৰ বাবে বাকী পথ কেইটাৰ পকীকৰণৰ বাবে কোনো আঁচনি নাই ।

(ঘ) বেজেৰা বালিকুছি এই পথটোৰ পকীকৰণৰ বাবে ২'০০ ( দুই ) লাখ টকাৰ এটা আঁচনি লোৱা হৈছে । এই শিতানত প্ৰয়োজনীয় আৰ্থিক মঞ্জুৰী পালেই কামটো হাতত লোৱা হ'ব ।

*বিষয় ঃ অসম চুক্তি ১৪ (খ) ধাৰা ।*

শ্ৰীজয় নাথ শৰ্মাই সুধিছে ঃ

৪০৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

অসম চুক্তিৰ ১৪ (খ) ধাৰা অনুসৰি কিমান লোকক আৰ্থিক সাহায্য আৰু সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

১। আৰ্থিক সাহায্য মুঠ— ৮৩৪৩ জনক দিয়া হৈছে।

২। কৰ্মসংস্থাপন মুঠ— ৮৮৯ জনক দিয়া হৈছে।

ক) চাকৰি পোৱা লোক— ৭৬৩ জন।

খ) ধান/চিৰা কলৰ/মটৰ গাড়ীৰ অনুজ্ঞাপত্ৰ পোৱা লোকৰ সংখ্যা— ১২৬ জন।

*বিষয় : পাথাৰকান্দি সমষ্টিৰ সড়ক।*

শ্ৰীমধুসূদন তেওৱাৰীয়ে সুধিছে :

৪১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পাথারকান্দি লক্ষীপুর রাস্তার লঙ্গাই নদীর ( আর, চি, চি ) ব্রীজ ভূমিকম্পে ক্ষতিগ্রস্ত হওয়ার কারণে কয়েক বৎসর যাবৎ যোগা যোগ বিচ্ছিন্ন, এ ব্যাপারে সরকার কোন ব্যবস্থা গ্রহণ করিবেন কি ?

(খ) চান্দখিরা কাঠাল তলী রাস্তাটি এন, ই, সি কর্তৃক গ্রহণ করার ব্যাপারে কতটুকু কি হয়েসে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হ'য়, প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ বাবে পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে।

(খ) এই ৰাস্তা উত্তৰ পূৰ পৰিষদে এতিয়ালৈ লোৱা নাই।

*বিষয় ঃ সীমান্ত পথ নির্ম্মাণ ।*

শ্ৰীনগেন শৰ্মাই সুধিছে :

৪১১ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰে সীমান্ত পথ নিৰ্মাণ কৰিবলৈ ১৯৯১-৯২ চনত কিমান টকা দিয়া হৈছে ?

(খ) এই বছৰতে ( ১৯৯১-৯২ ) সীমান্ত পথ নিৰ্মাণ কৰা কাম সমাপ্ত হবনে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ভাৰত চৰকাৰৰ পৰা ভাৰত-বাংলাদেশ সীমান্ত পথত কাঁটা- তাঁৰৰ বেৰ নিৰ্মাণৰ কাৰণে ইং ১৯৯১-৯২ চনত ১৫৩৩ লাখ টকাৰ প্ৰাৰম্ভিক আৱন্টন পোৱা হৈছিল যদিও বৰ্তমানলৈকে মাথোন ৯৬৬·০৫ লাখ টকাহে তেওঁলোকে মুকলি কৰি দিয়ে । বাকী ৫৬৬·৯৫ লাখ টকা এই বিত্তীয় বছৰৰ ভিতৰতে গড়কাপ্তানী বিভাগক খৰচৰ বাবে মুকলি কৰি দিবলৈ যোগাযোগ কৰি থকা হৈছে আৰু ইং ১৯৯২ চনৰ ৩১ মাৰ্চৰ ভিতৰতে ভাৰত চৰকাৰৰ পৰা পোৱা যাব বুলি আশা কৰা হৈছে ।

(খ) নহয় ।

( Replies to Unstarred Question No. 412 was not recieved ).

*বিষয় ঃ চকুৱাখানাৰ গড়কাপ্তানীৰ কাঠৰ দলং*

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৪১৩ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চকুৱাখানা মহকুমাৰ অধীনত গড়কাপ্তানী বিভাগৰ কাঠৰ দলঙৰ মুঠ সংখ্যা কিমান ?

(খ) উক্ত দলংবোৰৰ ভিতৰত বেয়া আৰু দুৰ্ব্বল দলঙৰ মুঠ সংখ্যা কিমান ?

(গ) বেয়া আৰু দুৰ্বল দল ৰ কাৰণে যাতায়ত বন্ধ হোৱা গড়কাপ্তানী পথৰ সংখ্যা কিমান ?

(ঘ) উক্ত দলং আৰু পথবোৰ মেৰামতি কৰি যাতায়তৰ সু-চলাচলৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে ।

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানা মহকুমাৰ অন্তৰ্গত ঘিলামৰা গড়কাপ্তানী সংমণ্ডলত (পথ) মুঠ ৫০ খন কাঠৰ দলং আছে ।

(গ) যাতায়ত বন্ধ হোৱা ২টা গড়কাপ্তানী পথ আছে ।

(ঘ) সৰু সুৰা মেৰামতিৰ ( Minor repair ) কাম চলি আছে । ডাঙৰ মেৰামতি ( Major repair ) আৰু পুনৰ্নিৰ্মানৰ কাম পুজিঁৰ অভাৱত হাতত লব পৰা নাই ।

*বিষয় ঃ খোৱাপানী যোগান আঁচনি ।*

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

৪১৪ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিত বৰ্ত্তমান কিমানটা খোৱা পানী যোগান আচঁনি কাৰ্য্যকৰী হৈ আছে ?

(খ) অনুমোদিত আঁচনিৰ ভিতৰত কিমানটা অধৰুৰা হৈ আছে আৰু কি কি কাৰণত আধৰুৱা হৈ আছে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈ ১৮টা আচঁনি অনুমোদন কৰা হৈছে ।

(খ) ৫টা আঁচনিত বিজুলী সংযোগ, ৯টা আঁচনিত বিজুলী, জলধাৰ আৰু লৌহ পৰিশোধকৰ বাহিৰে বাকী সকলো কাম সম্পুৰ্ণ কৰি গোটেইবোৰ

আঁচনিৰ যোগেদি পানী যোগান দি থকা হৈছে। যাইকৈ বিজুলী সংযোগ নোপোৱাৰ বাবে পলম হৈছে।

**বিষয় : চৰ এলেকাত দমকল।**

শ্ৰীযতীন মালীয়ে সুধিছে :

৪১৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ আগতে পলাশবাৰী সমষ্টিৰ অন্তৰ্গত চৰ এলেকাত কিমানটা দমকল বহুওৱা হৈছিল ? আৰু ক'ত ক'ত বহুওৱা হৈছিল ?

(খ) ১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ পৰা ১৯৯০ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত উক্ত চৰ এলেকাত কিমান টকাৰ নলীনাদ বহুওৱা হৈছে ?

(গ) জন সংখ্যা অনুপাতে উক্ত চৰ এলেকাত আৰু কিমানটা নলী নাদৰ প্ৰয়োজন হব পাৰে ?

(ঘ) প্ৰয়োজন হব পৰা নলীনাদ সমূহ চলিত বছৰতে বহুৱাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) উক্ত সময়ছোৱাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা কোনো দমকল বহুওৱা হোৱা নাছিল।

(খ) ৫২,০০০.০০ টকাৰ।

(গ) ১৮ টা।

(ঘ) বৰ্ত্তমানে ক'ত কি অনুপাতে দমকল আদি বহুওৱা হব বিকেন্দ্ৰীকৃত পৰিকল্পনা পৰিষদৰ যোগেদিহে ঠিক কৰা হয়।

**বিষয় : অভয়াপুৰী গাওঁ সমূহত পানী যোগান।**

শ্ৰীভুপেন ৰয়ে সুধিছে :

৪১৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত গাওঁ সমূহত খোৱা পানী যোগানৰ বাবে চলিত বছৰত কি ব্যৱস্থা হাতত লৈছে ?

(খ) উক্ত সমষ্টিৰ ভিতৰত আধৰুৱা হৈ থকা পাইপ ওৱাটাৰ স্কীম সমূহৰ কাম সম্পূর্ণ কৰাৰ বাবে কিমান দিন সময় লাগিব ?

শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ চনত মুঠ ৫৬ খন গাওঁত ২ টা পকী কুৱা, ৪১ টা দমকল, ৭ টা মাৰ্ক টু আৰু ১১ টা নলী প্রবাহিত পানী যোগান আঁচনিৰে পানী যোগান ধৰা হৈছে।

(খ) অষ্টম পৰিকল্পনাৰ ভিতৰত পৰ্য্যায়ক্রমে সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে ।

***বিষয় ঃ নেচনেল ইনচ্ টিটিউট অৱ পাবলিক ফাইনেন্স এণ্ড পলিচী ।***

শ্রীপ্রফুল্ল কুমাৰ মহন্তয়ে সুধিছে ঃ

৪১৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নেচনেল ইনচ্ টিটিউট অৱ পাবলিক ফাইনেন্স এণ্ড পলিচীয়ে ৰাজ্য-সমূহক হাই ইনকাম ষ্টেটছ, মিডল্ ইনকাম ষ্টেটচ, ল-ইনকাম ষ্টেটচ এই তিনিটা ভাগত বিভাজন কৰাৰ বিষয়ে চৰকাৰে জ্ঞাতনে ?

(খ) যদি জ্ঞাত হয়, অসমৰ স্থান কোনটো ( গ্রুপ ) ত ?

(গ) ১৯৯০-৯১ চনত বিত্তীয় বছৰত ৰাজ্যধনৰ বিভিন্ন চ'ৰচ্ ৰ পৰা সংগ্রহ কৰা প্রকৃত ধনৰ পৰিমাণ কিমান আছিল আৰু ১৯৯১-৯২ চনত কিমান হ'ল ?

ঘ) ৰাজ্যখনৰ উক্ত ধন সংগ্ৰহৰ উৎস সমূহ কি কি আছিল আৰু ১৯৯০—৯১ চনত উৎস (চ'ৰচ্) সমূহৰ পৰা সংগৃহীত ধনৰ পৰিমাণ সুকীয়া সুকীয়াকৈ উল্লেখ কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নহয়।

খ) প্ৰশ্ন নুঠে।

গ) ১৯৯০—৯১ চনত সংগৃহীত প্ৰকৃত ধনৰ পৰিমান আছিল ৫,২৩১.০২ কোটি টকা আৰু ১৯৯১ চনত আনুমানিক ৪,৯৭৮.৭২ কোটি টকা।

ঘ) ১৯৯০—৯১ চনত ৰাজ্যখনৰ বিভিন্ন উৎস সমূহৰ পৰা সুকীয়া সুকীয়াকৈ সংগৃহীত ধনৰ পৰিমাণ দেখুৱাই তালিকা এখন ইয়াৰ লগত গাঠি দিয়া হ'ল।

( See the Annexure – IV )

(Unstarred Question No. 418 was Defferred)

বিষয় —ক্ৰীড়া সামগ্ৰী

শ্ৰীপ্ৰণব কুমাৰ নাথ জিজ্ঞাস করছেন।

৪১৯। মাননীয় যুবকল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

ক) দক্ষিণ করিমগঞ্জ বিধান সভা নির্বাচন চর্কে কিছু সেচ্ছাসেৱী সন্থার ক্ৰীড়ার সামগ্ৰী দেওয়ার জন্য একাধিকবার দেরি কারার ব্যাপারে চরকার অবগত কি ?

খ) নিম্ন বর্ণিত সেচ্ছাসেৱী সন্থালৈ খেলা-ধূলার মান উন্নয়ণ ও যুৱক যুৱতীদের উৎসাহ প্ৰদানর জন্য ক্ৰীড়া সামগ্ৰী বৰ্ত্তমান অর্থবছরে বন্টনের ব্যৱস্থা করিবেন কি ?

১। বসন্তপুর গ্রামোন্নয়ন সন্থা,
পোঃ অঃ গবিন্দ গঞ্জ বাজার,
ক্রিকেট ও ফুটবল একমেত করে।

২। ক্লাব রিলায়েন্স, নয়াবজার,
পোঃ অঃ বাসুদের নগর,
ক্রিকেট ও ফুটবল একমেত করে।

৩। আজাদ হিন্দ ক্লাব
পোঃ অঃ বাজার ঘাট
ক্রিকেট ও ফুটবল এক মেত করে

৪। জনকল্যান সংঘ,
পোঃ অঃ শিববারী, কৃষ্ণ নগর।

৫। যুবকল্যাণ পরিষদ
পোঃ অঃ নিলাম বাজার

৬। শান্তনীত,
পোঃ অঃ নিলাম বাজার

৭। পল্লী উন্নয়ণ সংঘ
পোঃ অঃ টেলিধালের পার
ক্রিকেট ওঁ ফুটবল একমেট করে

৮। বৈরাশির চ'ক মহিলা সমিতি,
পোঃ অঃ নিলাম বাজার
বেটমিন্টন একমেট

৯। বিবেকানন্দ ক্লাৱ
পোঃ অঃ দত্তগ্রাম
ক্রিকেট ওঁ ফুটবল একমেট করে।

**শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) যে উত্তৰ দিছে :**

(ক) সংশ্লিষ্ট ক্রিড়া বিষয়াৰ পৰা বিতং বিৱৰণ বিচৰা হৈছে।

(খ) ১৯৯২—৯৩ বিত্তীয় বছৰৰ ভিতৰত বন্টনৰ বিবেচনা কৰা হ'ব।

বিষয় ঃ পাঠশালা অঞ্চলি কোঠৰ আলীৰ মেৰামতি।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

৪২০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ গড়কাপ্তানি কাৰ্য্যবাহী অভিযন্তাৰ (পথ) অধীনত থকা পাঠশালা অঞ্চলি ( কোঠৰ আলী ) ৰাষ্টাৰ মেৰামতিৰ বাবে যোৱা ১৯৯০—৯১, ৯১ – ৯২ বিত্তীয় বছৰ দুটিত টকা ধাৰ্য্য কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল কোন কোন শিতানৰ পৰা টকা ধাৰ্য্য কৰা হৈছিল ধাৰ্য্য হোৱা টকা সম্পূৰ্ণ খৰছ হৈছে নেকি ? ( চন ভিত্তিত জনাব)

(গ) যদি হৈছে ৰাষ্টাটোৰ কিমান কিলোমিটাৰৰ পৰা কিমান কিলো-মিটাৰলৈ মেৰামতিৰ কাম কৰা হ'ল।

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানি মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) মেৰামতিৰ শিতানত কোঠৰ আলীৰ কাৰণে ১৯৯০—৯১, ৯১ – ৯২ বিত্তীয় বছৰত কোনো বিশেষ পূজিৰ মঞ্জুৰি দিয়া হোৱা নাই।

(খ) মেৰামতিৰ শিতানত বনুৱাৰ দৰমহাৰ বাহিৰে ১৯৯০—৯১ আৰু ১৯৯১ – ৯২ চনত ১,৫৬, ১১৮.০০ টকা খৰছ কৰা হৈছিল।

প্ৰশ্ন কৰ্ত্তা মাননীয় সদস্য গৰাকীক জনাওঁ যে প্ৰশ্নৰ খ অংশত খোজামতে সঠিক উত্তৰ তথ্য-পাতি যথা সময়ত নোপোৱা কাৰণে দিব পৰা নগ'ল। তথ্যখিনি খোজা হৈছে আৰু পালেই মাননীয় সদস্য গৰাকীক জনোৱা হ'ব ।

(গ) ৰাষ্টাটোৰ গোটেই ২০ কিঃ মিঃ।

বিষয় ঃ চৰাইমাৰী ৰাষ্টাৰ মেৰামতি

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

৪২১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ গড়কাপ্তানি কাৰ্য্যবাহী অভিযন্তাৰ ( পথ ) অধীনত থকা চৰাইমাৰী মচলপুৰ ৰাষ্টাৰ মেৰামতিৰ বাবে যোৱা ১৯৯০—৯১, ১৯৯১—৯২ বিত্তীয় বছৰ দুটিত টকা ধাৰ্য্য কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল কোন কোন শিতানৰ পৰা কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু ধাৰ্য্য হোৱা টকা সম্পূৰ্ণ খৰছ কৰা হৈছে নেকি ? ( চন ভিত্তিত জনাব )

(গ) যদি খৰছ কৰা হৈছে ৰাষ্টাবোৰ কিমান কিঃ মিঃ ৰ পৰা কিমান কিঃ মিঃ মেৰামতি কৰা হ'ল ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) চৰাইমাৰী মচলপুৰ নামেৰে কোনো গড়কাপ্তানী পথ নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ ৰঙিয়া কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয়।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

৪২২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰঙিয়া মহকুমাৰ কাৰ্য্যবাহী অভিযন্তা কাৰ্য্যালয়ত বিগত কেইবাবছৰো ধৰি ব্যাপক অনিয়ম আৰু দুৰ্নীতি চলি থকা সম্পৰ্কে চৰকাৰে কৰা অনুসন্ধান কিমানদূৰ অগ্ৰগতি লাভ কৰিছিল ।

(খ) এই অনুসন্ধানৰ চূড়ান্ত প্ৰতিবেদন কেতিয়া প্ৰকাশ পাব ?

(গ) অনুসন্ধানত এতিয়ালৈকে পোৱা তথ্য অনুযায়ী কিমান টকাৰ খেলি-মেলি বা আত্মসাত পৰিলক্ষিত হৈছে ?

(ঘ) উক্ত কাৰ্য্যালয়ত চলা অনিয়ম আৰু দুর্নীতিৰ বাবেই হোৱা কোনো কৰ্মচাৰীৰ বিৰুদ্ধে কিবা অনুশাসন মূলক ব্যৱস্থা লোৱা হৈছে নেকি ?

(ঙ) যদি হৈছে তেন্তে কৰ্মচাৰীৰ সংখ্যা কিমান ? আৰু কেতিয়া তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিভাগীয় অনুসন্ধানৰ প্ৰাথমিক পৰ্য্যায় সম্পূৰ্ণ হৈছে। তাৰোপৰি ৰাজনৈতিক (ক) বিভাগক অৰ্থ নৈতিক অপৰাধ শাখাৰ (Bureau of Economic offence) জৰিয়তে অনুসন্ধান কৰি দোষী বিষয়া সকলৰ বিৰুদ্ধে আইনমতে ব্যৱস্থা লবলৈ অনুৰোধ কৰা হৈছে। আৰু এই অনুসন্ধানত ৰিপোৰ্ট (Report) এতিয়ালৈ পোৱা হোৱা নাই।

(খ) উপৰোক্ত বিভাগীয় অনুসন্ধানৰ প্ৰতিবেদন চৰকাৰে পাইছে।

(গ) বিভাগীয় অনুসন্ধানত এতিয়ালৈকে ৬০২ ৭৩ লক্ষ্য টকাৰ খেলিমেলি ধৰা পৰিছে আৰু ৯৮,৮৯৬·০০ টকা আত্মসাত কৰা বুলি পৰিলক্ষিত হৈছে।

(ঘ) লোৱা হৈছে।

(ঙ) মুঠ ৯ জন। ইয়াৰ ভিতৰত দুজন কাৰ্য্যবাহী অভিযন্তা এজনৰ বিৰুদ্ধে ১৭ ১২ ৯০ আৰু আনজনৰ বিৰুদ্ধে ৫।৬.৯১, ৩ জন সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ A E.E. দুই জনক ১৭।১২।৯০ আৰু এজনক ১০।৬।৯১ তাৰিখে আৰু এজন গাণনিক বিষয়াক ২৮।১।৯১ তাৰিখে (Director of Accounts) ৰ দ্বাৰা আৰু এজন কৰ্ম নিয়োগী শাখা সহায়কক ২০।১১ ৯১ তাৰিখে নিলম্বিত কৰা হৈছে। ইয়াৰোপৰি দুজন উচ্চ বিভাগৰ সহায়কৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ বন সংমণ্ডলত কেজুৱেল কৰ্মী

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৪২৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা, দিগবৈ বন সংমণ্ডলত ১৯৯২ চনৰ জানুৱাৰীৰ পৰা নতুনকৈ স্কীল্ড/আনস্কীল্ড কেজুৱেল হিচাবে নিযুক্তি দিয়া হৈছে নেকি ? ( নাম ঠিকনা দিব )

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ডুমডুমা, দিগবৈ বন সংমণ্ডলত ১৯৯২ চনৰ জানুৱাৰীৰ পৰা নতুনকৈ স্কীল্ড/আনস্কীল্ড কোনো ব্যক্তিক কেজুৱেল হিচাবে নিযুক্তি দিয়া হোৱা নাই।

বিষয় ঃ আগবন্ধা খোৱা পানী আঁচনি।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৪২৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আগবন্ধা আৰু ২নং বাপাপুং জনস্বাস্থ্য কাৰিকৰী বিভাগৰ খোৱা পানীৰ যোগানৰ আঁচনিখন কি পৰ্য্যায়ত আছে।

(খ) কোন চনত এই আঁচনি দুখন আৰম্ভ কৰা হয় ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আগবন্ধা গাওঁত ৮টা হস্ত চালিত নলীনাদ আৰু দুটা মাৰ্ক—২ হস্তপাম আৰু ২ নং বাপাপুং গাওঁত দুটা হস্তচালিত নলীনাদ বহুৱা হৈছে। তদুপৰি এই দুখন গাওঁত ওচৰৰ Pipe Water Supply আঁচনিৰ পৰা পাইপ বহুৱা হৈছে যদিওঁ বিজুলী সংযোজনৰ অভাৱত টেপবিলাক চালু কৰিব পৰা হোৱা নাই।

(খ) তথ্য সংগ্ৰহ কৰি থকা হৈছে।

বিষয় –ঢকুৱাখানা মহকুমাধিপতিৰ কাৰ্য্যালয়।

শ্ৰীভৰত নৰহে সুধিছে :

৪২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঢকুৱাখানা মহকুমাধিপতিৰ কাৰ্য্যালয় নিৰ্মাণ কৰিবলৈ চৰকাৰে নিবিদা বন্দোৱস্তী দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা নিবিদা বন্দোৱস্তী পোৱা ঠিকাদাৰ জনৰ নাম কি?

(গ) নিৰ্মানকাৰ্য্য বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) সুধিব দত্ত।

(গ) নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতি হৈ আছে আৰু মূল ঘৰৰ ভেটি প্ৰায় ৮০% সম্পূৰ্ণ হৈছে। লগতে গেৰেজ আৰু চতুৰ্থ শ্ৰেণীৰ আবাস গৃহৰ ৯৫% সম্পূৰ্ণ হৈছে।

বিষয় ঃ স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৪২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা মহকুমাৰ কেকুৰি বেবেজিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এখন নিৰ্মান কৰিবলৈ চৰকাৰে নিবিদা বন্দোৱস্তী দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা, উক্ত স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য্য বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু চতুৰ্থ শ্ৰেণীৰ আবাসগৃহ এটাৰ নিৰ্মাণৰ নিবিদা বন্দোৱস্তী দিয়া কথাটো সঁচা।

(খ) কাম আৰম্ভ হোৱা নাই।

Re: Non-Increase of Annual plan.

Shri Nizamuddin Khan asked.

427. Will the Chief Minister be pleased to state.

(a) Is it a fact that the allocation of Annual Plan for 1992-93 of Assam State Char Development Authority has not been increases at all compared to annual plan of 1991-92 for the same ?

(b) If not, why ?

Shri Hiteswar Saikia (Chief Minister) replied.

(a) Yes,

(b) Annual Plan 1992-93 allocation has been made by Government of India, working of Planning Commission on the recommendation of State Government Actual State Government (P.&D. Department) recommendeda higher allocation i.e. for Rs. 195.00 lacs for 1992-93. But Governmeot of India allocated only Rs. 110.00 lacs.

Re : Ramgaon Bridge on Barnodi River.

Shri Karendra Basumatary asked,

428. Will the Minister of P.W.D. be pleased to state :

(a) Wheather the Government is aware that Ramgaon Bridge on Barnodi River between Darrang and Kamrup District has been damage during the last AASU and ABSU movements but the bridge has not been repaired till today ?

b) Wheather Government. has any plan to repair this damaged bridge and if so, when ?

Shri Golok Rajbongshi ( Minister, P. W. D. ) replied

a) Yes,

b) No, due to paucity of fund repairs to the bridge could not be taken up.

**Re : Bridge over River Boleswar.**

Sri Kaliranjan Dev asked,

429. Will the Minister of P. W. D. be pleased to state :

b) Is it a fact that the Planning Commission had sanctioned for construction of a bridge over river Boleswar on Silchar – Natanpur P. W. D. road during 7th Five year plan ?

b) If so, when the construction work of the said bridge is expected to be started ?

Sri Golok Rajbongshi ( Minister, P. W. D. ) replied.

a) The project was included in 7th Five year plan after clearence by Planning Commission as informed N. E. C.

b) The construction work of the bridge will be started as and when the estimate as sanctioned by N. E. C

Hon'ble Speaker : Question hour is over. I have received 6 Zero hours Notices.

Now Hon'ble Member Sri Ramendra Narayan Kalita to raised his Zero Hour Norice.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অৰ্থাৎ ৩১ মাৰ্চ তাৰিখে চেন্টিনেল কাকতত প্ৰকাশিত "অসম চিকিৎসা সেৱা সন্থাব প্ৰতীক অনশন ঘৰ্মঘট" কৰাৰ বাতৰি সম্পৰ্কে স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

অধ্যক্ষ মহোদয়, ইতিমধ্যে অসম চিকিৎসা সেৱা সন্থাৰ লগত চৰকাৰৰ এখন চুক্তি হৈছিল। এতিয়া জানিব পৰা মতে অসম চিকিৎসা সেৱা সন্থাই চৰকাৰৰ লগত চুক্তি কৰিছিল সেই চুক্তি খন কাৰ্য্যকৰী নকৰাৰ কাৰণে পাঁচজন চিকিৎসা সেৱা সন্থাৰ বিষয় ববীয়াই জনতা ভৱনৰ সমুখত ১২ ঘন্টীয়া প্ৰতীক ধৰ্ম ঘটৰ কাৰ্য্য সূচী লৈছে। চাৰ, আমি জানো যে আজি কিছু দিনৰ আগতে অসম চিকিৎসা সেৱা সন্থাই সঘনাই ৩৫ দিনীয়া কৰ্ম বিৰতি পালন কৰিছিল। তেতিয়া দেখা গৈছিল যে অসমৰ দুখীয়া গাৱঁৰ মানুহে এই কৰ্ম বিৰতিৰ ফলত যথেষ্ট জীয়াতু ভোগ কৰিবলগীয়া হৈছিল। বহুতো ৰোগী চিকিৎসাৰ অভাৱত মৃত্যুও হৈছিল। গতিকে এনেকুৱা এটা চুক্তি কৰাৰ পিছতো চৰকাৰে কাৰ্য্যকৰী কৰা নাই। সেয়েহে এই সন্দৰ্ভত স্বাস্থ্য মন্ত্ৰীৰ ওচৰত এটা স্পষ্টীকৰণ বিচাৰিছোঁ। অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক বা মন্ত্ৰী সকলৰ ক্ষেত্ৰত চিকিৎসাৰ কাৰণে কোনো অসুবিধা নাই। কাৰণ আমি অসুখ হলে কোনোবা নাৰ্চিং হোম বা প্ৰাইভেট ডাক্তৰৰ ওচৰলৈ চিকিৎসাৰ কাৰণে যাব পাৰো। কিন্তু দুখীয়া গাৱঁৰ জনসাধাৰণে নাৰ্চিং হোম বা গুৱাহাটী লৈ আহি প্ৰায়ভেট ডাক্তৰৰ ওচৰত চিকিৎসা কৰিবহি নোৱাৰে। গতিকে আমি জানিব বিচাৰিছোঁ, চৰকাৰে কিয় এই ক্ষেত্ৰত অমনোযোগিতা প্ৰদৰ্শন কৰিছে ? ইতিমধ্যে জনা গৈছে যে অসম মন্ত্ৰী সভাই যি চুক্তি কৰিছিল সেই চুক্তি কাৰ্য্যকৰী কৰাৰ কাৰণে অনুমোদনো জনাইছিল। গতিকে সেই চুক্তি মতে কাম কৰিবলৈ মাননীয় স্বাস্থ্য মন্ত্ৰী তথা মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ

---

* Speech not corrected

জনাইছো আৰু মই আশা ৰাখিছোঁ অনতি পলমে সেৱা সন্থাই কৰা ন্যায্য দাবী পাঁচটা যিমতে চুক্তি স্বাক্ষৰিত কৰিছিল, সেইটো আজিৰ বিধান সভাতেই সিদ্ধান্ত গ্ৰহণ কৰি এই চুক্তি কাৰ্য্যকৰী কেতিয়াৰ পৰা কৰিব আৰু মই ভাবোঁ কাইলৈৰ পৰাই যাতে কাৰ্য্যকৰী কৰে তাকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা অতি গুৰুত্বপূৰ্ণ বিষয়ে কব বিচাৰিছোঁ। সেইটো হৈছে, অসমত আজি যিমান বিলাক বিভাগ আছে, প্ৰত্যেকৰে এটাতকৈ অধিক ইউনিয়ন আছে! কিন্তু অসম চিকিৎসা সেৱা সন্থাব মাত্ৰ এটাই ইউনিয়ণ আছে যাক "আমচা" বুলি কোৱা হয়। ইয়াত প্ৰায়মেৰী হেল্থ অফিচাৰৰ পৰা আৰম্ভ কৰি এডিচনেল ডাইৰেক্টৰলৈকে সকলো ডাঙৰ ডাঙৰ ডাক্তৰ সকল জড়িত হৈ থাকে।

মাননীয় অধ্যক্ষ মহোদয় গতিকে যদি অসম চিকিৎসা সেৱা সন্থাই এই আন্দোলন কৰে তেন্তে এই সকলো জড়িত হৈ পৰিব। কলিতা ডাঙৰীয়াই কৈয়েই গৈছে যে আগতে হেল্থ এচ'চিয়েচনৰ ডাক্তৰ সকলে কৰ্ম্ম বিৰতি পালন কৰোতে সাধাৰণ মানুহৰ যি দুৰবস্থা হৈছিল, যি অসুবিধা ভোগ কৰিছিল সেইবোৰলৈ চাই চৰকাৰে দাবী সমূহ মানি লৈ আজিৰ ভিতৰতে মীমাংসা নকৰিলে আমচাৰ ষ্ট্ৰাইকে অসমৰ গাৱেঁ-ভূয়েঁ পুনৰ বিপৰ্য্যায় হ'ব। আশা কৰো, মাননীয় স্বাস্থ্য মন্ত্ৰী তথা মুখ্য মন্ত্ৰীয়ে পজিটিভ আৰু ডেফিনিত ব্যৱস্থা লব লাগে। মই এটা প্ৰসংগ উল্লেখ কৰিব বিচাৰো Conveyed the same decision vide letter No. HLA 7/95/89/Pt/II dtd 13-10-91

মাননীয় অধ্যক্ষ মহোদয়, এই মতে তেওঁলোকে চৰকাৰৰ লগত আলোচনা কৰি প্ৰস্তাৱ দিছিল আৰু চৰকাৰেও গ্ৰহণ কৰিছিল। তাৰ পিছত তেওঁলোকৰ মাজত এগ্ৰিমেণ্ট হৈছিল আৰু মই তেতিয়া স্বাস্থ্য মন্ত্ৰী আছিলো। এডিচনেল হেল্থ ডাইৰেক্টৰ আৰু জইণ্ট চেক্ৰেটৰী

---

* Speech not corrected

সঞ্জীৱ সাৰলোক তাত আছিল। তেওঁলোকেও চুক্তি খনত সন্মতি জনাইছিল। বৰ্ত্তমান আমচাই তাকে অনুসৰণ কৰিছে। এই চুক্তিখন ১৩/১০/৯১ তাৰিখে স্বাক্ষৰিত হৈছিল। কিন্তু আজি পৰ্য্যন্ত কাৰ্য্যকৰী নোহোৱাটো অসম চৰকাৰে দুখীয়া জনসাধাৰণক অৱহেলা কৰাটোকে বুজাইছে। মাননীয় অধ্যক্ষ মহোদয় আমি জানো, যে গুৱাহাটীৰ মানুহৰ অৰ্থাৎ বিশেষ ব্যক্তি সকলৰ হেজাৰ হেজাৰ টকা আছে আৰু চিকিৎসা কৰিবলৈও প্ৰায়ভেট ডাক্তৰ আছে। কিন্তু গাৱঁৰ দুখীয়া জন-সাধাৰণৰ ৰোগ হলে গুৱাহাটীলৈ আহিবলৈ বা প্ৰায়ভেট ডাক্তৰৰ ওচৰত চিকিৎসা কৰিবলৈ টকা-পইচা নাই। তাৰোপৰি গাৱঁৰ ফালে ভূৱা চিকিৎসকৰো অভাৱ নাই। এনেকৈ ধৰ্মঘট আদিৰ সুবিধা লৈ সেই ভূৱা চিকিৎসক সকলে দুখীয়া জনসাধাৰণৰ পৰা টকা-পইচা আহৰণ কৰে। অন্যহাতে বেমাৰ ভাল নহয়েই, ভূৱা চিকিৎসাত ৰোগীৰ মৃত্যু ও হোৱা দেখা যায়।

মাননীয় অধ্যক্ষ মহোদয় অসমত গাইনোক'লজি পেথ'লজি আৰু ই,এন, টি বিভাগৰ ডাক্তৰ হাজাৰ হাজাৰ আছে। অসমত হিট দেখুওৱা ৩ জন ডাক্তৰ অসমৰ বাহিৰত আছে। অসমৰ ২ জন ডাক্তৰ কিডনি ট্ৰেৱলেনত ডিপুটেচনৰ কাৰণে চৰকাৰে অল ইণ্ডিয়া ইনষ্টিটিউট্ অব মেডিকেল চাইন্স লৈ পঠিয়াইছে। পি, জি, পঢ়িবৰ কাৰণে চণ্ডীগড়, বাঙ্গালোৰ আৰু হাৰিয়ানাৰ বাহিৰে অসমত নাই। প্ৰতি বছৰে বাহিৰত মাত্ৰ ৪ টা চিট ওলায়। এই চিট কেইটা পাবৰ কাৰণে কমপিটিচন কৰিবলগীয়া হয়। নেফ্ৰ'লজি বা পেথ'লজিয়ে হওঁক ডাক্তৰ সকলক চুপাৰ স্কেল দিব লাগে। অধ্যক্ষ মহোদয়, মই এতিয়া লাভৰ বিষয়ে কব বিচাৰিছো লাভৰ বিষয়ে কওঁতে কোনোবাই হয়তো কব পাৰে ৰুলিং দিয়ক।

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) : আমি একো নকওঁ। আপুনি কৈ থাকক।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অল ইণ্ডিয়া ইনষ্টিটিউট, বিহাৰ আৰু চণ্ডীগড়ত পি, জি, পঢ়িবলৈ গলে ষ্টাডি লিভ আৰু

---

* Speech not corrected

দৰ্মহা দিয়াৰ উপৰিও এডিচনেল পইচা দিব লাগে। এই ক্ষেত্ৰত মই মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অসমৰ এজন ডাক্তৰে চণ্ডীগড় ব্লাড পি. জি. অ' থেৰাফি পাছ কৰি অসমলৈ ঘূৰি আহিছিল। তেখেতক আমি অসমৰ মেডিকেল কলেজত চাকৰি দিব লাগিছিল কিন্তু তেখেত পুনৰ অসমৰ পৰা ঘূৰি যাবলগীয়া হল। তেখেতে মোৰ ওচৰত আহি দুখেৰে চকু পানী টুকি কলে যে আপোনাৰ আৰু ৰিংজোৰ কাৰণে মই পি. জি. আই পাছ কৰি এদিনতে অসমলৈ ঘূৰি আহিছিলো। কিন্তু আপোনালোকে ইয়াত চাকৰি দিব নোৱাৰে। চণ্ডীগড়ত এচিচটেন্ট প্ৰফেচাৰ হিচাবে মোৰ এপইন্টমেন্ট হৈছিল। অসমৰ ল'ৰা-ছোৱালী বিলাকে বাহিৰত পঢ়ি অহাৰ পিচত অসমৰ ডিব্ৰুগড়, শিলচৰ আৰু গুৱাহাটী মেডিকেল কলেজত চাকৰি কৰা সুবিধা নাপায়। তেখেতক এপইন্টমেন্ট দিয়া হল মবাইলভেনত। তেতিয়া এই ডাক্তৰজন মোৰ লগত ফিটিং হৈ গল। তাৰ পিচত তুলিয়াজানৰ ৩০ খন বিচনা যুক্ত হস্পিতালত নিযুক্তি দিলে। এই বিষয়ে ডাঃ কমলা কলিতাই জানিব। It is not the matter, The matter the proper persons should be selected for proper post and placed at proper field ক্লিনিকেল হেমট্ৰলজি আৰু ব্লাড কেন্সাৰ বিষয়লৈ অসমৰ দুজন ডাক্তৰ পঢ়িবৰ কাৰণে বাহিৰলৈ যায়। অসমৰ বাইজৰ উন্নতিৰ কাৰণে উক্ত বিভাগটোৱে উচ্চ শিক্ষাৰ কাৰণে বাহিৰলৈ পঠিয়াব লাগে। যিহেতু কিছুমান বিভাগৰ শিক্ষা অসমত দিব নোৱাৰে। এই বিষয়ত চৰকাৰে চকু দিব লাগে। চৰকাৰ অমনোযোগিতা হব নালাগে। ডাক্তৰ সকলৰ ৰিটায়াৰমেন্টত যোৱাৰ আগতে খুব বেছি চিফ্ মেডিকেল অফিচাৰহে পায়। সেই কাৰণে তেওঁলোকক চুপাৰ টাইম স্কেল দিব লাগে। মই আগতে কৈ আহিছো আৰু এতিয়াও কওঁ যে ডাক্তৰ আৰু পুলিচৰ কোনো চানদে, মনদে আৰু হলিদে নাই। এই দুটা বিভাগৰ মানুহখিনিক ভাল কৰিবলৈ হলে বা দক্ষতা বঢ়াবলৈ হলে বছৰি ৩ মাহৰ দৰ্মহা অতিৰিক্তভাৱে দিয়াৰ ব্যৱস্থা কৰিব লাগে। They will be compelled to work for the people. এওঁলোকৰ কাৰণে কিমান

পইচা খৰছ হব। চৰকাৰে বিনা কাৰণত বহুত কোটি কোটি টকা খৰছ কৰে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে আমছা সকলৰ ষ্ট্ৰাইকটো চৰকাৰে আলোচনাৰ মাধ্যমেৰে বন্ধ নকৰিলে অসমৰ জনসাধাৰণলৈ দুৰ্যোগ আহি পৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই দেখিবলৈ পাইছো যে উৰিষ্যা বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মেডিকেল কলেজত পি, জি, প্ৰফেচাৰ আছে। আমাৰ অসমত পি, জি নাই কাৰণে প্ৰফেচাৰ হব নোৱাৰে। স্বাস্থ্য বিভাগটো মানুহৰ জীৱনৰ লগত জড়িত আছে। এই কথাটো চিবিয়াচলি লব লাগে। বিত্ত বিভাগকো এই বিষয়ত পৰামৰ্শ দিব লাগে। যি বিলাক মানুহে কাৰডিঅ'লজি, নেফ্ৰ'লজি, গায়ন'কলজি আৰু চুপাৰ চিলেকচনত চিট পায় তেওঁলোকক বাহিৰলৈ পঢ়িবৰ কাৰণে পঠিয়াব লাগে। পাছ কৰি অহাৰ পিচত অসমত চাকৰি দিবলৈ চেষ্টা কৰিব লাগে। I will look into. My point is you have to take positive steps considering the urgency of the poeple of Assam. You have take immidiately.

* শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী বৰ্ত্তমান সদস্য পাটোৱাৰী ডাঙৰীয়াই আগতে উল্লেখ কৰিছে। সেই কাৰণে মই সদনত বেছি কব বিচৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চিকিৎসা সেৱা আৰু আমচা অনশনত বহা যাবে সদনত বিৰাট ব্যাখ্যা হৈছে। আচলতে চৰকাৰৰ কোনো আন্তৰিকতা নাই। অসমৰ গাওঁ-ভূই অৱস্থা নাইকীয়া হৈছে। চহৰত ডাঙৰ ডাঙৰ মানুহ, মন্ত্ৰী এম, এল, এ সকল থাকে। তেওঁলোকে হাজাৰ হাজাৰ টকা খৰছ কৰি নাৰ্চিং হোমলৈ যাব পাৰে। কিন্তু গাৱঁৰ দুখীয়া মানুহে যাব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মূল বস্তুটো হৈছে এই যি আন্দোলনটো

* Speech not corrected

হৈছে সেইটো ৫ দফীয়া দাবী চনদৰ ওপৰত ভিত্তি কৰিহে আন্দোলনটো হৈছে, মই দীঘলীয়া নকৰো মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই ইতি-মধ্যে কৈ গৈছে। এইটো আচৰ্য্যজনক কথা যে আমাৰ ৰাজ্যখনত যি সকল চৰকাৰী ডাক্তৰ আছে তেওঁলোকৰ চাৰভিচ ৰুল এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই। তেনে ক্ষেত্ৰত এজন ডাক্তৰে কি ৰুলৰ ওপৰত ভিত্তি কৰি কাম কৰিব কাৰণ তেওঁ কেতিয়া অৱসৰ পাব, কিমান বেতন পাব আৰু তেওঁলোকৰ ভবিষ্যত প্ৰমোশ্যন ইত্যাদি কেনে ভাবে নিৰ্দ্ধাৰণ কৰা হব সেই বিষয়ে তেওঁলোকৰ জনাৰ কোনো উপায় নাই। এনেকুৱা এটা অৱস্থাত এই চৰকাৰ খন ৰই আছে। ৩০ দিন কম্পেন-চেটৰী লিভ ললে আৰু এই লিভৰ কাৰণে কিমান টকাৰ প্ৰয়োজন হব সেইটোৰ বিষয়ে বাজেটত কোনো উল্লেখ নাই। আচলতে আমি জানিব পৰা নাই এই যে স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়া সকল কি কামত ব্যস্ত হৈ থাকে সেইটো জানিব পৰা নাই। সেইদিনা জি, এম, চি আৰু কেন্সাৰ ইন্সিটিউটত গৈছিলো; তাত দেখিলো যোৱা ৫,৬ বছৰ ধৰি লাখ লাখ টকাৰ সম্পত্তি নষ্ট হৈ আছে, কেন্সাৰ ইন্সিটিউটত পৰি থকা দান সুত্ৰে পোৱা লাখ টকীয়া যন্ত্ৰ-পাতি বিলাক ব্যৱহাৰ নোহোৱাকৈ পৰি থকাৰ কাৰণে নষ্ট হৈ গৈছে। তাৰ পাচত চাওক আমাৰ ৰাজ্যখনত কাৰ্মাচাৰীৰ পোষ্ট খালী হৈ পৰি। আছে চৰকাৰৰ ফালৰ পৰা এটা ৰিপোৰ্ট নহাৰ কাৰণে এই পোষ্ট বিলাক ফিলাপ কৰিব পৰা নাই। সান্ধ্য বাতৰিত আমি পঢ়িছো তলৰ ফালে শিৰোনামাত এম্বোলেন্সৰ কথা কৈছে, এই চৰকাৰ খন লাখ লাখ টকাৰ এম্বোলেন্স কিনাত ব্যস্ত। স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়া সকলে আজি মন্ত্ৰীক মিচ-গাইড কৰি আছে। গতিকে আমি কব খোজো চৰকাৰে এ, এম, এচ, এৰ লগত সোনকালেই আলোচনাত বহি তেওঁলোকৰ দাবী সমূহৰ ওপৰত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এটা কথা হৈছে আমাৰ ৰাজ্যত আজি যোগ্য জনৰ স্থান নাইকীয়া হৈছে। বিশেষকৈ এই স্বাস্থ্য বিভাগত যোগ্যবান ডাক্তৰ অজস্ৰ আছে কিন্তু তেওঁলোকক যথাযোগ্য সন্মান দিয়া হোৱা নাই। আপোনালোকে জানে মেডিকেল কলেজৰ ডাক্তৰ

এ, বৰুৱাই শিশু চিকিৎসাৰ ক্ষেত্ৰত এক চমকপ্ৰদ সফলতা লাভ কৰিছে যিটো নেকি আমাৰ ৰাজ্যৰেই নহয় বা দেশৰেই নহয় সমগ্ৰ বিশ্বৰ বাবে এটি চমকপ্ৰদ সাফল্যতা। কিন্তু মোৰ যদি ফল হোৱা নাই বোধকৰো আমাৰ চৰকাৰৰ ফালৰ পৰাই হওক বা মন্ত্ৰী আয়ুক্তৰ ফালৰ পৰাই হওক সেই সুযোগ্য ডাক্তৰ জনক কোনেও টেলিফোন যোগেও ধন্যবাদ এটা দিয়া নাই। যোগ্য ব্যক্তিক যোগ্য আসন নিদিয়া অকল আমাৰ চৰকাৰ খনৰেই নহয় ই অসমীয়া জাতি-টোৰে এটা চৰিত্ৰত পৰিণত হৈ আহিছে। গতিকে পলমকৈ হলেও সেই সকল যোগ্য ব্যক্তিক যোগ্য সন্মান দিয়াৰ কাৰণে বিশেষকৈ ডাক্তৰ বৰুৱাক মন্ত্ৰী মহোদয়ৰ ফালৰ পৰাই হওঁক স্বাস্থ্য বিভাগৰ আয়ুক্তৰ ফালৰ পৰা ধন্যবাদ জনাব লাগে। শেষত চৰকাৰৰ লগত এ, এম, এচ, ৰ লগত চৰকাৰে যি চুক্তি কৰিছিল সেই চুক্তিক সম্পূৰ্ণ মৰ্য্যদা আৰু চুক্তিৰ দফা বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তৎকালিন ব্যৱস্থা হাতত লব লাগে বুলি দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীদেৱান জয়নাল আবেদীন : মাননীয় অধ্যক্ষ মহোদয়, আমচাৰ সদস্য সকলে যি ৫ দফীয়া দাবী সম্পৰ্কত অনশন কৰি বিধান সভাৰ সন্মুখত উপবিষ্ট হৈ আছে, এইটো বৰ দুখলগা কথা হৈছে কিয়নো ইয়াৰ আগতে এই ডাক্তৰ সদস্য সকলে তেওঁলোকৰ ২০ দফীয়া দাবী সম্পৰ্কত ৩৫ দিন ধৰি আন্দোলন পালন কৰিলে, এই সংক্ৰান্তত যোৱা ৩ অক্টোবৰৰ পৰা ৬ নবেম্বৰলৈকে চৰকাৰৰ লগত সন্থাৰ এটা চুক্তি হৈছিল আৰু এটা চুক্তিত উপনীত হৈছিল আৰু এই চুক্তিত যিবিলাক কথা আছিল সেই সকলোবোৰ কথা চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী মহোদয়ে যোৱা ২০ ডিচেম্বৰ তাৰিখে অনুমোদন জনায়। এই চুক্তি খনত কেইটামান ধাৰা আছে যি কেইটা নেকি তৎকালিন ভাবে কাৰ্যাকৰী কৰিব পাৰি আৰু তাৰে কেইটামান ধাৰা আছে সেই কেইটা তিনি মাহৰ ভিতৰত কাৰ্য্যকৰী কৰা হব বুলি চুক্তিত আছিল। গতিকে সেই দাবী কেইটা তিনি

* Speech not corrected

মাহৰ ভিতৰত পালন কৰিব লাগিছিল কিন্তু সময় মূৰকত এই দাবী কেইটা পালন নকৰাৰ বাবে আজি' আমচাই' আকৌ নতুনকৈ আন্দোলন কৰিবলৈ আগবাঢ়ি আহিছে।

শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ চাৰ আমাৰ এজন সদস্যই সদনত শুই আছে। মাননীয় বিধায়ক শ্রীজগন্নাথ সিনহাই শুই আছে।

* শ্রীদেৱান জয়নাল আবেদীন ঃ অধ্যক্ষ মহোদয়, এইটো অতি গুৰুত্বপূর্ণ কথা যে বিগত দিনত যেতিয়া আমচাই ৩০ দিনৰ কাৰণে আন্দোলন কৰিছিল তেতিয়া আমাৰ সর্ব্বসাধাৰণ ৰাইজৰ অৱস্থা ভয়াবহ হৈ পৰিছিল, দুখীয়া ৰাইজৰ দূৰবস্থাৰ সীমা নোহোৱা হৈছিল। সেই বিষয়ে দীঘলীয়াকৈ কোৱাৰ প্রয়োজন নাই। সেই সময়ত মইয়ো অসুস্থ হৈ পৰিছিলো, ডাক্তৰ বিচাৰি পঠিয়াইছিলো কিন্তু কাকো নাপালো, পিছত জানিবা এজন ডাক্তৰ কোনো প্রকাৰে অনা হ'ল কিন্তু তেওঁয়ো প্রেচ-ক্রিপশ্যন দিব নোৱাৰো বুলি জনালে, তেনেহলে অনুমান কৰক সাধাৰণ ৰাইজৰ কি দূৰবস্থা হৈছিল। চহৰত মানুহে কোনো প্রকাৰে চলি গৈছিল কিন্তু গাওঁ-ভূঞেঁ কেনে অৱস্থাৰ সন্মুখীন হৈছিল সেইটো সহজে অনুমেয়। গতিকে চৰকাৰে আমচাৰ লগত আলোচনা কৰি যি কেইটা দাবী পূৰণ কৰা হব বুলি চুক্তি কৰিছিল সেই আটাইকেইটা দাবী পূৰণ কৰাৰ ক্ষেত্রত তৎকালীন ব্যৱস্থা লোৱাতো উচিত। অৱশ্যে চৰকাৰক আমি শলাগ লব লাগিব যে আগতে ৰোগী সকলৰ পথ্যৰ কাৰণে ৬ টকা দিছিল আৰু টি বি ৰোগী সকলৰ কাৰণে ৬.৫০ পইচা দিছিল এতিয়া সেই টকাতো চৰকাৰে ১০ টকা কৰিলে। কিন্তু যি কেইটা দাবী বৃহত্তৰ ৰাইজৰ স্বার্থৰ লগত জড়িত হৈ আছে সেইবিলাক দাবী পূৰণৰ ক্ষেত্রত বিশেষ মনোযোগ দিব লাগে। অসমত যি কেইখন মেডিকেল কলেজ আছে সেই এখনতো চিটি স্কেনৰ ব্যৱস্থা নাই, যি চিটি স্কেনৰ যন্ত্রটো অত্যন্ত গুৰুত্বপূর্ণ, কিয়নো ডাক্তৰ সকলে অপাৰেশ্যন ইত্যাদি চিকিৎসাৰ কাৰণে ৰোগীক চিটি স্কেনৰ পৰীক্ষা কৰিবলৈ পঠায়

---

* Speech not corrected

কিন্তু দুখীয়া মানুহে এই সুবিধা কেনেকৈ লয়। এই যন্ত্রটো মেডিকেল কলেজত নথকাৰ কাৰণে বেচি ভাগ কেচ নোমল বৰাৰ মাথাই নিউ-ৰোলজি ইনষ্টিটিউটত ৰেফাৰ কৰে। তাত এই চিটি স্কেনৰ কাৰণে 'এক্স-ৰে' কৰোতে প্ৰতিটো কেচত ২০০০ টকা লাগে। এইটো দুখীয়া মানুহে ক'ৰ পৰা এফোৰ্ট কৰিব ?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আপোনালোকে আচৰিত হব যে গুৱাহাটী কেন্সাৰ ইনষ্টিটিউটৰ কাৰণে ব্যৱস্থা কৰা চিটি স্কেনৰ যন্ত্ৰটো জাপানৰ এম্বেচীৰ বাৰাণ্ডাত যোৱা ৪ বছৰ ধৰি পৰি আছে। ইয়াৰ ক্ষতিপূৰণ কোনে দিব ?

* শ্ৰীদেৱান জয়নাল আবেদীন : অধ্যক্ষ মহোদয়, মই খবৰ লৈছো এই মাথাই নিউৰোলোজি ইনষ্টিটিউটে প্ৰতি দিনে এই যন্ত্ৰটো থকাৰ কাৰণে এক্স-ৰে ইত্যাদি কৰোতে ৬০ হাজাৰ মান টকা উপাৰ্জন কৰে। এই ইনষ্টিটিউটে চৰকাৰৰ পৰা লোন লৈয়েই এই যন্ত্ৰটো কিনাৰ কাৰণে বেংকৰ পৰা লোন লৈছে প্ৰায় বহু কোটি টকা। কিন্তু চৰকাৰে যন্ত্ৰটো কিনিবৰ কাৰণে প্ৰাইভেট পাৰ্টিক লোন দিব পাৰে কিয় মেডিকেল কলেজৰ কাৰণে কিনিব নোৱাৰে ? চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ কাৰণে এই যন্ত্ৰটো কিনিব লাগে নহলে জটিল অপাৰেশ্যন ইত্যাদিৰ কাৰণে এই যন্ত্ৰটোত এক্স-ৰে কৰাব লাগে।

এই পাঁচটা দাবীৰ ভিতৰত মেডিকেল কলেজ সমূহৰ উন্নতি কৰাৰ যি দাবী ৰাখিছে সেই দাবী আন্তৰিকতাৰে সৈতে বিবেচনা কৰিব লাগে। চৰকাৰে যি চুক্তিত উপনীত হৈছিল তিনি মাহৰ ভিতৰত চুক্তি পালন কৰিবৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। তেনে ক্ষেত্ৰত আজি কিয় অনশন ধৰ্মঘটত বহিবলৈ বাধ্য হল। চৰকাৰে আজি স্পষ্টভাৱে ঘোষণা কৰিব লাগে যে আমচাৰ লগত যি চুক্তিত উপনীত হৈছিল সেই চুক্তি আখৰে আখৰে পালন কৰিব। তিনিমাহ সময় ইতিমধ্যে পাৰ হৈ গল। গতিকে এই চুক্তি আখৰে আখৰে পালন কৰিব বুলি স্পষ্টভাৱে ঘোষণা কৰিব লাগে।

---

* Speech not corrected

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (স্বাস্থ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমচাৰ কথাটো নতুন কথা নহয়। চৰকাৰৰ প্ৰত্যেক বিভাগৰে গুৰুত্ব আছে। আজি জিৰ' আৱাৰত যি নটিছ দিছে এই সম্পৰ্কত তথ্য-পাতি মোৰ হাতত নাই। কি চুক্তি কৰিছো, ইমপ্লিমেন্ট কিয় হোৱা নাই গোটেই বিৱৰণ অহা শুক্ৰবাৰে সদনত দিম। গতিকে সময় দিলে ভাল হয়।

Mr. Speaker : I have received another Zero Hour Notice from the Hon'ble Member Shri Chandra Mohan Patowary on a news item bublished in 'Ajir Batori' dated 28. 3. 92 under the caption 'Chairman Barkhasta' Now, I call upon the Hon'ble Member, Shri Patowary to speak on the matter.

শ্ৰীজয়নাথ শৰ্মা: নটিছ খনত মোৰো নাম আছিল।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, আজিৰ অসম বাতৰি কাকতত চেয়াৰমেন বৰ্খাস্ত শীৰ্ষক বাতৰি সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বাতৰিত প্ৰকাশ হৈছে যে শ্বহীদ কুশল কোঁৱৰ সূতাকল গোলাঘাটত আছে। তাৰ চেয়াৰমেনজন নানা দুৰ্নীতিত অভিযুক্ত। এইটো ভাল কথা হৈছে। গতিকে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো যে পাৰ্টিৰ এজন ব্যক্তি দুৰ্নীতিত অভিযুক্ত কাৰণে সভাপতি পদৰ পৰা আঁতৰাই দিছে। পাৰ্টিৰ কথা নাই, বেয়া কাম কৰিছে আঁতৰাই দিছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছে। এইটো এটা গুৰুত্বপূৰ্ণ কথা, তথ্য সহকাৰে কৈছে। সূতাকলৰ সভাপতি জনক আঁতৰাই দিয়াত ভাল পাইছে। মই লাখ লাখ টকা লুটি নিয়াৰ পিছত সদস্য পদৰ পৰা বৰ্খাস্ত কৰিলে মোৰ কোনো লোকচান নাই। এই সভাপতিজনক আঁতৰাই দিছে হয় কিন্তু লুটি-মেলি গুচি গল। শ্বহীদ কুশল কোঁৱৰৰ নামত সূতা কল হৈছে। তেখেতৰ কাৰণে বিধান সভা হৈছে, এম, এল, এ হৈছো। আঁতৰাই

---

* Speech not corrected

দিব বুলি গম পাই চাকৰি দিয়া লৰা কেইজনক মাতি নিছে। তেওঁ-লোকে সাক্ষী দিবলৈ টান পাইছে। কাৰণ চাকৰিটো গলে ডাঙৰ কথা হব। তেওঁলোকৰ পৰা চাকৰিৰ বাবদ ১৫-২৫ হাজাৰ টকা লৈছে। চাকৰি দিয়া লৰা কেইজনক মাতি নি টেবুলত ৰিভলভাৰ ৰাখি কৈছে চাকৰিৰ বাবদ পইচা লোৱা নাই বুলি লিখি দিয়া। নহলে চাকৰিৰ পৰা খেদি দিম। দুখীয়া লৰা কেইজনে ভয়তে লিখি দিছে। গতিকে এই সন্ত্ৰাসৰ সৃষ্টি কৰা লোকজনৰ ৰিভলভাৰ চিজ কৰিব লাগে। অন্য চেয়াৰমেনৰ হাতত ৰিভলভাৰ আছে নে নাই নাজানো। চৰকাৰে ভাল কাম কৰিম বুলি কৈছে। যদি এনে হৈ থাকে তেন্তে চৰকাৰৰ পঞ্জিচন বেয়া হব। ৰিভলভাৰৰ কেচ দুটা হল। এটা হল নলবাৰীত আৰু আনটো গোলাঘাটত। গোলাঘাটৰ ব্যৱস্থা হল নলবাৰীৰ ব্যৱস্থা হোৱা নাই। শীঘ্ৰে ব্যৱস্থা কৰিম বুলি কৈ কৰা নাই, দুখ পাইছো। গতিকে নলবাৰীৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো। আন এটা কথা হল চেয়াৰমেন জনৰ বিৰুদ্ধে ডিচিৰ ওচৰত অভিযোগ দিছে আৰু ডিচিয়েও খবৰ কৰিছে। এই চেয়াৰমেনজনে আতঁৰাব বুলি জানি টিন লোহা-লক্কৰ কেজি হিচাবত বিক্ৰী কৰি দিছে। তাৰোপৰি এই চেয়াৰমেনজন টেকনিকেল মানুহ নহয়। এদিনৰ লগত টুৰ সম্পৰ্কত একো যোগাযোগ নকৰে। মেচিন কিনাৰ বাবে নিজে যায়। এই চেয়াৰমেনজনে এবাৰ পাঁচ লাখ টকা উলিয়াইছে আৰু কিমান লাখ টকা উলিয়াইছে। মেচিন কিনিবৰ বাবে লগত কাকো নিয়া নাই। দিল্লী, বম্বে, কলিকতাত যিমান বাৰে টুৰ কৰিছে সিমানবাৰ মুখ্য মন্ত্ৰীয়েও টুৰ কৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, তেওঁ ইমান ডাঙৰ চেয়াৰমেন যে তেওঁ মুখ্য মন্ত্ৰীতকৈও বেছি টুৰ কৰে। তেওঁ মেচিন কিনিবলৈ গৈছে কিন্তু লগত কোনো টেকনিকেল পাৰচন নিয়া নাই। এতিয়া কথা হৈছে যে ব্যক্তিগত কথা বিলাক জেনেৰেলি সদনত কোৱা বেয়া কথা। কিন্তু কিছুমান ব্যক্তিগত কথা ৰাজহুৱা কথাৰ লগত জড়িত আছে। এই ব্যক্তিগত কথাটো মই ৰেফাৰেন্স হিচাবেহে দিছো। এই চেয়াৰমেন

জনে অলপতে গুৱাহাটীত ২/৩ টা মাটিৰ প্লট কিনিছে আৰু এছ বি হাউচিং কো-অ'পাৰেটিভ চছাইটিৰ জি-৭/৮২/৮৩ ফোন নং এ-৯/৩/২৫ গ্ৰাউণ্ড ফ্লোৰত ফ্লেটটো কিনিছে। কিন্তু কথা হৈছে ৪ মাহ চেয়াৰমেন হিচাবে থাকি তেওঁ গুৱাহাটীত ফ্লেট কিনিব পৰা হ'ল। এতিয়া আপোলোকে এইটো ভাবিব যে পাটোৱাৰীয়ে ইমান সৰু কথা চিন্তা কৰে নে? মইও এই কথা কবলৈ পাই দুখ পাইছো। কিন্তু কথা হৈছে যিহেতুকে চেয়াৰমেনজনে খেলি-মেলি কৰিছে। আমাৰ সন্দেহ হৈছে যে শ্বহীদ কুশল কোঁৱৰ সূতা কলৰ পইচাৰে তেওঁ এইটো কৰিছে নেকি? যদি কৰিছে বেয়া কথা হৈছে। তাৰোপৰি চৰকাৰৰ এজন মন্ত্ৰীৰ বিৰুদ্ধে কথা কবলৈ মই সদনত বেয়া পাইছো। মই এখন মাটিৰ ৰেজিষ্ট্ৰেচন দলিলৰ কপি ফটোষ্টেট কৰি লৈ আহিছো আৰু মই মাননীয় মুখ্য মন্ত্ৰীক তেওঁৰ চেম্বাৰত দিম। কাৰণ মুখ্য মন্ত্ৰীয়ে মন্ত্ৰী সভা চলাইছে। এই মন্ত্ৰীজনে ডিব্ৰুগড়ত ৮ মাহৰ ভিতৰত ১২ লাখ টকা দি ঘৰ কিনিছে আৰু ঘৈণীয়েকৰ নামত ১ লাখ টকাত কিনা বুলি কৈছে। মই মুখ্য মন্ত্ৰী মহোদয়ক এই কথাটো তদন্ত কৰিবলৈ অনুৰোধ কৰিলো। যদি তেখেতৰ হাতত পইচা আছিল তেনেহলে ইলেকচনৰ আগতে ঘৰ নিকিনিলে কিয়? চৰকাৰী কৰত মন্ত্ৰীয়েও ফাকি দিয়া হৈছে। কিন্তু প্ৰশ্নটো হৈছে যে এই বিষয়টো ৰাজহুৱা ধনৰ লগত জড়িত আছে গতিকে এনে ধৰণৰ কাম কৰা উচিত নহয়।

( ভইচ : নামটো কলে ভাল হয় )

মই নাম চাম নকওঁ। মই তথ্য সহকাৰে এই স্পেচিফিক কেছটো মুখ্য মন্ত্ৰী মহোদয়ক তদন্ত কৰিবলৈ দিম। এই চেয়াৰমেনজনে ৰাজহুৱা সম্পত্তি এই সূতা কলটো ৰাজহ আত্মসাৎ কৰাত তেওঁক তাৰ পৰা আঁতৰোৱা হ'ল। কিন্তু তেওঁ লোহা টিং চুৰ কৰিছে আৰু ৫/৬ লাখ টকা লৈ টুৰ কৰিছে। গতিকে এই বিষয়টো চি বি আইক তদন্ত কৰিবলৈ দিব নে হাউচৰ দ্বাৰা তদন্ত কৰিব। মুখ্য মন্ত্ৰী মহোদয়ে যিহেতুকে এই মানুহ জনক চাটাই কৰিলে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। গতিকে এতিয়া তদন্ত কৰি এইটো প্ৰতিষ্ঠা কৰক যে সঁচাকৈয়ে

যদি আপোনাৰ দলৰ মানুহৰ বিৰুদ্ধে যদি কিবা কথা জড়িত আছে ইয়াক তদন্ত কৰক। নহলে ইয়াৰ পিছত অহা চেয়াৰমেনেও বিভাগটো বুৰাই দিব। গতিকে এই তদন্তৰ ব্যৱস্থা যদি সোনকালে কৰা হয় তেতিয়াহলে বাকী বিলাক চেয়াৰমেন হুচিয়াৰ হৈ যাব। যোৱা কালি মুখ্য মন্ত্ৰী মহোদয়ে চাউলৰ ক্ষেত্ৰত পতাপত তদন্ত দিয়া কাৰণে ভাল পাইছো। গতিকে এই বিষয়টো তদন্ত কৰিবলৈ দিলে আমি সুখি হম। সদনৰ সকলো মাননীয় সদস্যৰ মতামত আছে। If you are willing donot go for 25 paise, but go for one rupee otherwise in the near future these sort of incident will not take place. এই খিনিকে কৈ মই মুখ্যমন্ত্ৰীৰ ওচৰত তদন্তৰ দাবী কৰিলো।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। আমি চৰকাৰৰ কিছুমান কাম-কাজ লক্ষ্য কৰি আছো আৰু কোনো ক্ষেত্ৰত দেখা পাইছো যে চৰকাৰে দুৰ্নীতিক অধিক ৰক্ষণা-বেক্ষণ দিবলৈ গৈছে। ৰাইজে জানিব পৰাকৈ চৰকাৰে যে ২/১ টা দুৰ্নীতিৰ কেচ ধৰা পেলোৱা নাই সেইটো নহয়। শ্বহীদ কুশল কোঁৱৰক ব্ৰিটিছে ফাঁচি দিয়া কাৰণে তেওঁ শ্বহীদ হ'ল। কিন্তু এই শ্বহীদ কুশল কোঁৱৰ সমবায় সুতা কলটোক এই চেয়াৰমেনজনে ফাঁচি দিলে গতিকে শ্বহীদ নহয়। কথাটো হ'ল যে মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টোত হস্তক্ষেপ নকৰি, অস্বীকাৰ নকৰি সভাপতি জনক পদৰ পৰা আতঁৰাই দিলে। মুখ্য মন্ত্ৰী মহোদয়ক মই খুব ভাল পাওঁ। তেখেতে মোক হাউচলৈ আনিলে। মই যেতিয়া জেলত আছিলো তেতিয়া তেখেত ৰাজ্যিক গৃহ মন্ত্ৰী আছিল আৰু মোক তেজপুৰ জেললৈ পঠাইছিল। তাত মই এজন মেজৰক লগ পাইছিলো। তেওঁ কৈছিল যে ৪০ লাখ টকা আত্মসাৎ কৰা বাবে তেওঁক ২ বছৰৰ বাবে ফাষ্ট ক্লাছ জেলত ৰাখিছে। তেওঁ কৈছিল। আপোনালোকে ৰাজনীতি কৰা সকলে, ষ্টুদেন্ট লিডাৰ সকলে জেল খাইছে। কিন্তু মই দুবছৰ জেল খাই ইয়াৰ পৰা ওলাই গৈ ৪০

---

* Speech not corrected

লাখ টকাৰে নিজৰ জীৱন আৰম্ভ কৰিম।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : আপুনি মুখ্য মন্ত্ৰী মহোদয়ক গুৰু হিচাবে মানিছে নেকি ?

* শ্ৰীজয়নাথ শৰ্মা : হয় মানিছো। তেওঁ সঁচা মিচা দুইটা কব পাৰে। সঁচাক মিচা কৰে মিচাক সঁচা কৰে গতিকে এনে এজন গুৰুক নামানিলে কেনেকৈ হব। পৰহি দৈনিক অসমত উলঙ্গ ৰজা বুলি সম্পাদকীয় ওলাইছে। আপোনালোকে ভালদৰে পঢ়িব; পঢ়িলে সকলো গম পাব। দৈনিক অসমত পৰহি লিখিছে ভাল কাম কৰিলে ভাল কথা। গতিকে কথাটো শুনক। যোৱা কালি মুখ্য মন্ত্ৰী মহোদয়ে চাউলৰ তদন্তৰ সম্পৰ্কত যি খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিলে সেইদৰে এই চেয়াৰমেন জনৰ তদন্তৰ সম্পৰ্কক পোনপটীয়া ভাৱে হস্তক্ষেপ কৰিব লাগে। তেখেতে যিটো ফ্লেট লৈছে তাত তলা মাৰি দিব লাগে। কেবিনেট মন্ত্ৰীয়ে মাটি কিনা দকুমেন্ট মোৰ হাতত আছে। এনে ধৰণৰ বহুত দকুমেন্ট আমাৰ হাতত আছে যিবিলাক উলিয়ালে গণ্ডগোলো হব পাৰে। যোৱা কালি চাউলৰ তদন্ত কৰিবলৈ দিয়াৰ পিছত গাড়ী চিধাই নগৰবেৰা মাৰি দিলে। কথাটো হ'ল যে এটা দুৰ্নীতি ৰক্ষা কৰিবলৈ গলে হাজাৰ হাজাৰ দুৰ্নীতি ৰক্ষা কৰিব লাগে।

অধ্যক্ষ মহোদয়, এই সভাপতি গৰাকীৰ এচ, বি, হাউচিঙত যিটো ফ্লেট আছে তাত চৰকাৰে তলা মাৰি দিয়ক। এই সূতা কলটোৰ লগত বহুতো কৰ্মচাৰী জড়িত হৈ আছে। আপোনালোকে ইমান এটা দুৰ্নীতি ঢাকি ৰাখিবলৈ বিচাৰিলে কেনেকৈ হব ? আচলতে এইটো কেলেংকাৰীৰ কথা ৰুলিং পাৰ্টিৰ সদস্যইহে এই সদনত উলিয়াব লাগিছিল আৰু কব লাগিছিল যে সভাপতিজনৰ ওপৰত ষ্টাৰ্ণ একচন লব লাগে— তেতিয়া আপোনালোকক সকলোৱে ভাল পালেহেঁতেন। অধ্যক্ষ মহোদয়, মোৰ আপোনাৰ ওচৰত দুটা অনুৰোধ আছে এটা হৈছে—এই গৰাকী সভাপতিয়ে টকা লোৱাৰ সংক্ৰান্তত কেইবাজনো সন্মানীয় ব্যক্তিৰ নাম

---

* Speech not corrected

জড়িত কৰিছে। মই কব খোজা নাছিলো, লাজ লাগে, কিন্তু কবলগীয়া হৈছে—তেখেতে মাননীয় অধ্যক্ষৰ নামত, মাননীয় মুখ্য মন্ত্ৰীৰ নামত, মাননীয় সমবায় মন্ত্ৰীৰ নামত টকা লৈছে। অধ্যক্ষ মহোদয়, ঘটনাটো বোধকৰো আপোনাৰ সমষ্টিতেই—গতিকে আপুনি ইয়াৰ কিবা এটা ব্যৱস্থা লব লাগে। অধ্যক্ষ মহোদয়, আলফাই টকা লয়, তেওঁলোকৰ সংবিধানত টকা লব লাগে বুলি উল্লেখ আছে। কিন্তু আপোনালোকৰ সংবিধানত টকা লোৱাৰ কথা নাই। আলফাই টকা লয় ধনী সম্প্ৰদায়ৰ পৰা আৰু আপোনালোকে লয় দুখীয়া জনসাধাৰণৰ পৰা চাকৰিৰ আশা দি। এই সভাপতি গৰাকীয়ে ইমান কেইজন সন্মানীয় ব্যক্তিক টকা দিব লাগে বুলি চাকৰী প্ৰাৰ্থীৰ পৰা টকা তুলিলে। টকা নোলোৱাকৈ এজনকো তেওঁ চাকৰি দিয়া নাই। এচ, বি, হাউচিং কৰ্পোৰেচনটো বহুত কেলেংকাৰী আছে—এইটো বন্ধ কৰি দিব লাগে। এই সূতাকলৰ সভাপতি গৰাকীক মই এবাৰ কলিকতাৰ অসম ভৱনত লগ পাইছিলো। মই কিবা কামত তালৈ গৈছিলো—গম পালো শ্ৰীতালুকদাৰ আহিছে বুলি, মই দেখা কৰো বুলি গলো তেখেত মজগুল। কিন্তু তেখেতৰ তাত কি মানুহৰ ভীৰ। অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে কিবা ভাল কাম কৰিলে আমি ভাল বুলি কম কিন্তু বেয়া কাম কৰিলে বেয়া বুলি কম। মঙ্গলদৈত পশুপালন বিভাগত, ভূৱা বিল দিয়া সম্পৰ্কত, মই জোৰ দি নধৰা হলে এনকুৱাৰী নহলহেঁতেন। মই নধৰা হলে ২৩ লাখ টকাৰ ভূৱা বিল লৈ গ'লহেতেন। মই বিভাগীয় মন্ত্ৰীক জোৰ দি কলো যে ইয়াৰ ওপৰত মন্ত্ৰীয়ে যদি প্ৰয়োজনীয় ব্যৱস্থা নলয় তেন্তে মই লোক আয়ুক্তৰ ওচৰলৈ যাম। তেতিয়াহে মন্ত্ৰীয়ে গুৰুত্ব দিছে। মঙ্গলদৈ অফিচৰ ৰেকৰ্ড-পত্ৰ যাতে কোনেও লুকুৱাব বা নোহোৱা কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, শ্বহীদ কুশল কোঁৱৰ সমবায় সূতাকলৰ সভাপতি গৰাকীয়ে ২৩ লাখ টকাৰ মেচিন কিনিছে কোনো টেকনিকেল পাৰচন নোহোৱাকৈ। অধ্যক্ষ মহোদয়, আপুনি ইয়াৰ আগৰ বিধান সভাৰ প্ৰচিডিং যদি চায় তেন্তে তাত দেখিবলৈ পাব যে যি কেইখন হাউচ

কমিটি সদনে গঠন কৰি দিছিল তাৰ প্ৰায়কেইখন গঠনৰ কাৰণে মই জোৰ বক্তব্য ৰাখিছিলো। এ, এচ, ই, বি, মেডিকেল, ষ্টেটফেড আদিৰ হাউচ কমিটি গঠনত মই জোৰ দিছিলো। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী মোৰ বন্ধু মানুহ তথাপি মই তেখেতৰ বিৰুদ্ধে উঠা মেডিকেল এডমিচন সম্পৰ্কৰ অভিযোগৰ বাবে হাউচ কমিটি গঠন কৰিবলৈ জোৰ দিছিলো গতিকে এতিয়াৰ চৰকাৰে ইমান একোটা ডাঙৰ কেলেংকাৰীৰ কাৰণে হাউচ কমিটি গঠন কৰাৰ আপত্তি কি?

মাননীয় অধ্যক্ষ :— আপোনাৰ হৈছেনে বাৰু?

* শ্ৰীমুকুট শৰ্ম্মা : — আপুনি লাহে লাহে কওঁক।

* শ্ৰীজয় নাথ শৰ্মা : — অধ্যক্ষ মহোদয়, মই টানকৈ কলে চৰকাৰী পক্ষৰ লোকে নুশুনে, কিন্তু তেখেত সকলৰ কাণত ফুচফুচাই কথা কলেহে শুনে। তথাপি মই লাহে লাহে কওঁ। অধ্যক্ষ মহোদয়, চৰকাৰে এই পলিটিকেল নেতা সকলক বোৰ্ড বা কৰ্পোৰেচনৰ সভাপতি কৰাৰ ব্যৱস্থাটো একেবাৰে বন্ধ কৰিব লাগে। এই ৰাজনৈতিক নেতা সকলৰ সংস্থাপনৰ ঠাই এই বোৰ্ড বা কৰ্পোৰেচনবোৰ হব নেলাগে। এইটো বন্ধ কৰিব লাগে। এই চৰকাৰে আমাৰ ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ পৰামৰ্শ নিৰ্দ্দেশ অমান্য কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে মুঠ সদস্যৰ ১০ ভাগৰ এভাগ মন্ত্ৰী হব লাগে। ৰাষ্ট্ৰপতিয়েও মন্ত্ৰী সভাৰ আকাৰ সৰু কৰিব লাগে বুলি পৰামৰ্শ দিছে। সেইমতে আমাৰ ইয়াত ১২ জনীয়া মন্ত্ৰী সভা হব লাগে কিন্তু হৈছে ৩৬ জনীয়া। চৰকাৰে সেয়ে ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ নিৰ্দ্দেশ ৩ গুণ অবমাননা কৰিছে। অধ্যক্ষ মহোদয়, মোৰ হাতত এ, পি, চি, চি, (আই) কমিটিৰ এখন চিঠি আছে। চিঠিখন পঢ়ি দিছো —

My dear Pulakesh Babu,

I am sorry I could not write to you earlier. I am sorry you were rudely behaved by one of our Minister

★ Speech not corrected.

of State at Janata Bhawan. I have brought this matter to the notice of Chief Minister for such complaints. For any matter you may meet Shri Goala and through him you can discuss with Chief Minister also. I am ext e nely sorry such a thing happend.

With regards

Shri Pu'akesh Sinha<br>Ex-MLA.<br>Vill & P.P. Bekirpar<br>Dist. Cachar

Yours sincerely<br>Sd/-Dhruba Narayan Barua<br>General Secretary<br>Assam PCC (I)

অধ্যক্ষ মহোদয়, এইজন এজন প্ৰাক্তন বিধায়ক - নাম পুলকেশ সিনহা, কাচাৰৰ। আমাক গেটত পুলিচে চিনি নেপায় পাছ বিচাৰি দিকদাৰ দিয়ে কাৰণে দুই এজন সদস্যই আমাক ইউনিফৰ্ম দিয়াৰ কাৰণে কৈছে। মই কিন্তু পুলিচে গেটত চেক কৰিলে ভালহে পাওঁ— সেইটো তেওঁলোকৰ দায়িত্ব তেওঁলোকে পালন কৰিছে। এবাৰ মই মোৰ পত্নীৰ লগত আহি থাকোতে, বাটত পুলিচে মোৰ পৰিচয় বিচাৰিলে। পত্নীয়ে কলে কি এম, এল, এ হৈছে আপুনি, গেটৰ পুলিচেও চিনি নেপায়। তেতিয়া মই শ্ৰীমতীৰ আগত পুলিচৰ দায়িত্ব সম্পৰ্কে এক লেকচাৰ দিলো।

* শ্ৰীমুকুট শৰ্মা মন্ত্ৰী :- আপুনি পৰিয়ালৰ লগত কথা কওঁতে ধমকি দি কথা কয় নে কোমল সুৰত কথা কয়।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰীও বাইদেউক দবদ কৰি কথা কয়। এদিন মুখ্যমন্ত্ৰীক মই লগ ধৰিবলৈ যাওঁতে মোক ধমকি মাৰি কথা কৈছিল। কিন্তু সেইদিনা মুখ্যমন্ত্ৰীক লগ ধৰোতে তেখেতে হাঁহি হাঁহি কথা কৈ আছিল কাৰণ বাইদেউ ওচৰতে বহি আছিল। গতিকে মুখ্যমন্ত্ৰীও বাইদেউক দবদ কৰি কথা কয়। মাননীয় অধ্যক্ষ

* Speech not corrected.

মহোদয়, আমাৰ মন্ত্ৰী সকলে কি কি কৰি আছে আপুনিও জানে আৰু সকলো তথ্য পাতি আমিও পাই আছো। এইখন তেনে এখন তথ্যৰ চিঠি। আপোনালোকে পাৰ্চনেল ৰিহেবিলিটেচন বন্ধ কৰক। শ্ৰীমুজিবুৰ ৰহমানক চেয়াৰমেন দিছে। মইও তেখেতক দিবলৈ কৈছিলো। এতিয়া কথা হ'ল সভাপতি ডাঙৰীয়াই কি কি কৰিছে। শ্ৰীওজা ডাঙৰীয়াক সোধক। প্ৰতিজন চেয়াৰমেনে কি কি কৰিছে? সভাপতিক মই কিবা এটা কথা সুধিছিলো। কিন্তু তেওঁৰ ঠাইত মেনেজিং ডিৰেক্টৰে উত্তৰটো দিলে। মই মনে মনে আছো। আপোনালোকে অনভিজ্ঞ সভাপতি বহুৱাই দিব, তাত মই নিজাকৈ উলিয়াব লগা একো নাই। গতিকে সভাপতি সকলৰ আচৰণ, মন্ত্ৰী সকলৰ আচৰণ এটা গুৰুত্বপূৰ্ণ কথা হৈছে। ৪০/৫০ লাখ টকা লৈ গুচি যাব। যোৱাৰ পাচত সভাপতি নাৰাখিলেও সেই টকাটো ৰিকোভাৰী হোৱা ব্যৱস্থা নাই। যদি ৰিকোভাৰি কৰাৰ ব্যৱস্থা নকৰে তেন্তে মই কম যে মাননীয় অধ্যক্ষ মহোদয়, আপুনি মুখ্যমন্ত্ৰী, সকলোৱে এই সম্পৰ্কত জড়িত আছে। সেয়ে যদি নহয়, তেন্তে আপোনালোকে ৰিকোভাৰি কৰাৰ ব্যৱস্থা কৰক। যদি সাহস আছে আজিয়েই তলা মাৰক। মাননীয় অধ্যক্ষ মহোদয়, আপুনি প্ৰতিশ্ৰুতি দিয়ক তলা মাৰিব নে নামাৰে? এই প্ৰতিশ্ৰুতি এতিয়াই দিব লাগিব।

* শ্ৰীগেন্দোক ৰাজবংশী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মাননীয় অধ্যক্ষৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছে। এই বিষয়ত মাননীয় অধ্যক্ষই প্ৰতিশ্ৰুতি দিব নোৱাৰে।

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয় আপুনি কি কৰিব পাৰে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে আপোনাক বুজাই দিছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি কুশল কোঁৱৰ সূতা কলৰ চেয়াৰমেনৰ অপসৰণ সম্পৰ্কে বহুখিনি কথা মাননীয় সদস্য পাটোৱাৰী আৰু শৰ্মাই কৈছে। যি গৰাকী চেয়াৰমেন নিয়োগ কৰাৰ ক্ষেত্ৰত যিখিনি অভিযোগ মোলৈ আহিছে, অভিযোগ

* Speech not corrected.

অহাৰ লগে লগে তেখেতক অপসৰণ কৰা হৈছে আৰু এটা কথা ঠিক নহয়, শৰ্মাই কৈছে যে চেয়াৰমেন সকলক আপোনালোকে ৰাজনীতিত লিপ্ত কৰিছে। যিটো পৰম্পৰা চলি আছে। মই চাইছো ৰেকৰ্ডৰ পৰা যেতিয়া জনতা দলৰ চৰকাৰ অসমত আছিল, তেখেত সকলেও তেখেত সকলৰ দলৰ লোককে চেয়াৰমেন পাতিছিল। গণ পৰিষদ দল যেতিয়া আহিছিল, তেখেতসকলেও পাতিছিল। মই ভাবো যে ৰাজনীতি কৰিলে চেয়াৰমেন হব নোৱাৰি। আমি ৰাজনীতি কৰা মানুহে যে চেয়াৰমেন হব নোৱাৰিম বা যদি যিবোৰ থাকে, সেইবোৰ হব নোৱাৰে বা যিবোৰৰ নাথাকে আৰু দুৰ্নীতি থাকে অকামিলা হয় অপসৰণ কৰাৰ ক্ষমতা চৰকাৰৰ আছে। আৰু সেই পৰিপ্ৰেক্ষিতত আমি সূতাকলৰ চেয়াৰমেনক অপসৰণ কৰিছো। আৰু মাননীয় সদস্য সকলে যি অভিযোগ আনিছে নিশ্চয় সেই বিলাক তদন্ত কৰা হব। মই আজি শৰ্মা ডাঙৰীয়াক এইখিনি কথা কওঁতে পুনৰ ভেটেৰীনাৰী ডিপাৰমেণ্টৰ বিল বিলাকৰ কথা উংথাপন কৰিছে। অভিযোগ বহুত আছে, যদি অভিযোগ বিলাকৰ তদন্ত নকৰাকৈ আমি নিশ্চয় কাৰোবাক শাস্তি দিয়াটো উচিত নহব। এতিয়া মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে সেই কেইটা কোম্পানীৰ বিল পেমেণ্ট কৰা নাই। এক পইচাও দিয়া নাই। বিলবিলাক দিয়াটো, যিবিলাক দিয়াৰ পিচত যদি কোনো বিচাৰ নকৰাকৈ যদি বিষয়া সকলে তেওঁলোকক পেমেণ্ট কৰিছে তেনেহলে কব লাগিব সেই সকল জগৰীয়া। যিহেতু বিলৰ পইচা দিয়া নাই, এইটো কব পাৰে যে যি কেইটা কোম্পানীয়ে ফল্চ্ বিল দিছে, তেওঁলোকৰ তদন্ত কৰি শাস্তি দিয়ক। তেতিয়া আমি মানি লম যে তেওঁলোকক তদন্ত কৰিব লাগিব। শাস্তি দিব লাগিব। কিন্তু বিষয়া জনৰ হাতত কাগজখন পৰাৰ পিচত তেওঁ যদি সেইখনৰ ওপৰত কাম হাতত ললেহেঁতেন বা পেমেণ্ট কৰিলেহেঁতেন, নিশ্চয় তেতিয়া মই কলোহেঁতেন, তেওঁক বৰ্খাস্ত কৰক বা নিলম্বিত কৰক, শাস্তি দিয়ক। সেই কথাটো মই ভাবো। এইটো কথাত আমি লাগি থাকিব নালাগে।

যিহেতু প্ৰফুল্ল মহন্ত ডাঙৰীয়াই কৈছে যে আমি তদন্ত কৰিছোঁৱেই, এক পইচা নোখোৱাকৈ তদন্ত কৰিছো, যিহেতু আপত্তি আহিছে, অধ্যক্ষ ডাঙৰীয়া, যোৱাকালি মোলৈ এটা গোচৰ আহিছে। এই গোচৰটো হৈছে ১৯৮৪-৯০ চনত স্বাস্থ্য বিভাগত এল-অ'-চি নোহোৱাকৈ ২০ কোটি টকাৰ দৰব কিনিছে। সেই কাৰণে সেই সময়ৰ বিষয়া সকলক মই আজিয়েই চাচপেণ্ড কৰি দিম নেকি? এইটো ভয়ানক অফোনছ। অফোনছ হলেও অধ্যক্ষ ডাঙৰীয়া মই নিশ্চয় জানিবই দিব লাগিব। এখন কাগজ পাই যদি সেই বিষয়া সকলক চাচপেণ্ড কৰোঁ অন্যায় কৰা হব। বৰং তদন্ত কৰিব লাগিব। এল-অ'-চি নোহোৱাকৈ যদি সঁচাকৈ ড্ৰ কৰিছে ২০ কোটি, ক্ৰাইম নিশ্চয় শাস্তি দিম তাৰ কাৰণে। সেই কাৰণে মাননীয় সদস্য সকলক মই কব খুজিছো যে আপত্তি আহিলে আপোনালোকে আছে যদি দিয়ক। আৰু তদন্ত যদি নকৰো তেতিয়া আপোনালোকে আমাক কব দুৰ্নীতিৰ কথা বিলাক কৈ আছে। অধ্যক্ষ ডাঙৰীয়া, এই দুৰ্নীতিৰ কথাবিলাক কেতিয়াও এক পক্ষত নহয়। মই সিদিনা কৈছো যে দুৰ্নীতিৰ সম্পৰ্কে নানা অভিযোগ বহুতৰে আছে আৰু মই এইটো কৈছো যে এই দুৰ্নীতিৰ কথাবিলাক আমি পালে নিশ্চয় তদন্ত কৰিব লাগিব। সেইয়ে মই মাননীয় সদস্যক কব খুজিছো যে দুৰ্নীতিৰ কথাটো যে আমাৰ একপক্ষ কংগ্ৰেছে কৰিছে। তেনেহলে মই যদি যোৱা পাঁচ বছৰৰ ফাইলবিলাক উলিয়াই চাওঁ সেইবোৰৰ বহুতো অভিযোগ পাম। অধ্যক্ষ ডাঙৰীয়া, মই প'ষ্টমৰ্টেন কৰিব খোজা নাই। মই সিদিনাও কৈছো প'ষ্টমৰ্টেন কৰিব খোজা নাই। অনাহকত এই সদনৰ সময়বোৰ নষ্ট কৰিব খোজা নাই। মই মাননীয় সদস্য সকলক এইটো কব খুজিছো যে যিয়ে দুৰ্নীতি কৰিছে তাক নিশ্চয় শাস্তি দিয়া হব। আৰু মই এইটোও কৈছো পাটোৱাৰী ডাঙৰীয়াক— কোনোবা মন্ত্ৰীয়ে যদি ২০ লাখৰ মাটি ১ লাখত কিনিছে তেওঁ নিশ্চয় শাস্তি পাব। ইয়াত কোনো ধৰণৰ ইনজাষ্টিচ হব নোৱাৰে। সেয়ে মই কব খুজিছো যে দুৰ্নীতি সম্পৰ্কত মই সিদিনাও কৈছো আৰু মোক ৬ মাহ সময় দিয়ক। যিহেতু মই নানা কামত ব্যস্ত আছো, শান্তি সক্ৰান্তত

নানা কথাত। সেয়েহে নিশ্চয় মই ভাবো আৰু কিছু পিচত এই দিশতো মই নিশ্চয় লম আৰু দুনী'তি সম্পৰ্কত যিবিলাক কথা আছে। এই বিলাক কঠোৰ ভাবে ব্যৱস্থা কৰা হব। আজি এই তেওঁলোকে চেয়াৰ-মেনৰ সংক্ৰান্তত যিখিনি কথা কৈছে এই চেয়াৰমেনক নিশ্চয় মই তাৰ কাৰণে তদন্ত কৰিম। আমাৰ বুৰো ইকনমিক অ'ফেনছ আছে। তেওঁলোকক আজিয়েই দায়িত্ব দিম। আৰু তাত যাতে বিচাৰ হয়। অধ্যক্ষ ডাঙৰীয়া, চাওঁক মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই মাজে মাজে জগনাথ শৰ্মাৰ কথা আমাক সুধি থাকে। মই সিদিনাও কৈছো যে মই চি-বি আইক দিছো। তাৰ পিচতো মোক আৰু সুধি থাকে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, কালি কোনোবাই এখন চিঠি মোক দিছে, মই চাইছো। এই জগনাথ শৰ্মাক আনকি এটা সময়ত আমাৰ এটা চৰকাৰে পদ্মশ্ৰীৰ কাৰণেও ৰিকমেণ্ড কৰিছে। এইখন কেবিনেট পেপাৰ। যিজন মানুহক জগনাথ শৰ্মাক পদ্মশ্ৰীৰ কাৰণে অনুমোদন কৰে আজি মই পইচা খোৱা বুলি কলে কেনেকৈ হব অধ্যক্ষ মহোদয়। সেইটো সাধাৰণ কথা। সেই কাৰণে মই অধ্যক্ষ ডাঙৰীয়া চিফ্ মিনিষ্টাৰ হৈ আছো। সেয়ে মই কব খুজিছো আমি বোকা ছটিওৱাৰ কাৰণে নহয়। এই সদনখনক আমি অধ্যক্ষ ডাঙৰীয়া আমাৰ ইজনে সিজনক বোকা ছটিওৱাবলৈ নহয়। সদনখন হৈছে অসমৰ উন্নয়নৰ কাম কৰিবৰ কাৰণে। সেয়ে মাননীয় সদস্য সকলক কৈছো যদি আমি কোনোবাই দুনী'তি কৰিছো স্পষ্টকৈ দেখুৱাই দিয়ক। শাস্তি দিয়া হব আৰু নহলে আমি সময়বোৰ নষ্ট নকৰো। কেনেকৈ অসমৰ উন্নতিৰ কাৰণে আমি কাম কৰিব পাৰো তাৰ কাৰণে আমাক সময় দিব।

* শ্ৰীজয়নাথ শৰ্মা : — অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা চাৰ্টিফিকেট দিয়া নাই। আপোনালোকে দিছে। অসমৰ মানুহে দিছে। যদিও মানুহ বিলাকে দিছে মই কৈছো সদনৰ পৰা এটা সদন কমিটিয়ে কথাখিনি চালিজাৰি চাব পাৰিলেহেঁতেন। সেইটো কি আপত্তিৰ কথা আছে। ভবিষ্যত গাওঁৰ দুখীয়া শিপিনীখিনি যাতে বঞ্চিত নহয় তাৰ কাৰণে ব্যৱস্থা লব পৰা গ'লহেঁতেন।

---

* Speech not corrected.

* শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথাই কব বিচাৰিছো। শৰ্মা ডাঙৰীয়াৰ লগত মইও একমত। কিন্তু আমি ৰেকৰ্ড আদি যিবিলাক পাইছো সেই বিলাকৰ ওপৰতহে নিৰ্ভৰ কৰি কথা কৈছো। মানুহজন বেয়া নে কোৱা নাছিলো। মানুহজনে মহিলা সকলৰ কাম কৰিছে। আজি ৰেকৰ্ডৰ ওপৰত ভিত্তি কৰি যাব লাগিব। ৰেকৰ্ড ফাইলৰ ওপৰত ভিত্তি কৰিব লাগিব। ফাইলৰ নোটিছৰ ওপৰত কি আছে সেইবিলাক চাইহে তাৰ ওপৰত কৈছো। শৰ্মা ডাঙৰীয়াই যিটো দুৰ্নীতিৰ কথা কৈছে সেইটো শুনাৰ পিচত বিষয়টো চি-বি-আইক দিছো।

Mr. Speaker : I have received another 'Zero Hour Notice' from the Hon'ble Members Shri Phani Bhusan Choudhury and Shri Bhupen Rai on a news item published in 'Ajir Batoi' dated 1.4.92 under the caption "ৰাজনৈতিক বঞ্চনাত অশোক কাগজকল সন্দৰ্ভত চৰকাৰী স্থিতিৰ আহ্বান"

Now, I call upon Shri Phani Bhusan Choudhury to Speak.

* শ্ৰীফনীভূষণ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, মই আজি ১ এপ্ৰিল তাৰিখে 'আজিৰ অসম' কাকতত প্ৰকাশিত 'ৰাজনৈতিক বঞ্চনাত বিপন্ন অশোক কাগজ কল সন্দৰ্ভত চৰকাৰী স্থিতিৰ আহ্বান' শীৰ্ষক বাতৰিৰ প্ৰতি মাননীয় মুখ্য মন্ত্ৰী আৰু মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। যোৱা ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখে সদৌ অসম ছাত্ৰ সন্থা আৰু ভাৰত চৰকাৰৰ মাজত এখন চুক্তি সাক্ষৰিত হৈছিল। সেই চুক্তি অনুযায়ী যোগীঘোপাৰ অশোক কাগজ কলটো পুনৰ কাৰ্য্যক্ষম কৰাৰ কাৰণে এটা চুক্তি সম্পন্ন হৈছিল। সেই চুক্তি সম্পন্ন হোৱাৰ পিছতো অশোক কাগজ কলটো অসম গণ পৰিষদ চৰকাৰৰ দিনত পুনৰ কাৰ্য্যক্ষম নহ'ল। তদুপৰি বৰ্ত্তমানৰ যিখন চৰকাৰ এই চৰকাৰখনেও অশোক কাগজ কলটো পুনৰ কাৰ্য্যক্ষম কৰাৰ কাৰণে

* Speech not corrected

কোনো ধৰণৰ স্পষ্ট নীতি গ্ৰহণ নকৰাৰ কাৰণে আমি এই বিষয়ে সদনৰ মজিয়াত বিষয়টো পুনৰ উত্থাপন কৰিবলগীয়া হৈছে।

(মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট হয়)

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৯৯০ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে এই কাগজ কলটো বিহাৰৰ দ্বাৰভঙা গোটৰ পৰা পৃথক কৰি অশোক পেপাৰ মিল (অসম) লিমিটেড নামে ৰাষ্ট্ৰীয়কৰণ কৰি কলটোত উৎপাদন আৰম্ভ কৰাৰ ঘোষণা কৰা হয়। কিন্তু দুৰ্ভাগ্য বশতঃ ১৯৯২-৯৩ চনৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ বাজেট ভাষণতো বা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণতো অশোক কাগজ কলৰ এটা কথাও নথকাটো আচৰ্যাজনক বিষয় হৈ পৰিছে। মাননীয় ৰাজ্যপালৰ ভাষণত অসম চুক্তি আৰু অন্যান্য দাবীৰ কথাও আছে, আই, আই. টিৰ কথাও উল্লেখ আছে। তৎ স্বত্বেও মুক্ত হৈ থকা এই অশোক কাগজ কলটোৰ উল্লেখ নথকাটো দুখৰ কথা। আমাৰ মনত আজি প্ৰশ্ন হৈছে যে অবিভক্ত গোৱালপাৰা জিলাত এইটো অৱস্থিত কাৰণেই নেকি অসম চৰকাৰে কাগজ কলটোক পুনৰ কাৰ্য্যক্ষম কৰাৰ কাৰণে কাৰ্যাকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। দ্বিতীয়তে অশোক কাগজ কলৰ কৰ্মচাৰী সকলৰ যিখিনি দৰ্মহা পাতি আছে সেই দৰ্মহা পাতি দিবৰ কাৰণে ১৯৯১ চনৰ মাৰ্চ মাহত এজন কমিচনাৰ নিযুক্তি কৰি কৰ্মচাৰী সকলৰ ওজৰ-আপত্তি বিলাক নিস্পত্তি কৰি তাৰ জৰিয়তে দৰ্মহা পাতি দিয়াৰ কাৰণে নিৰ্দ্দেশ দিছিল। কিন্তু ডিচেম্বৰ মাহত শুনানী গ্ৰহণ কৰাৰ পিচত আজিকোপতি কাগজ কলটোৰ কৰ্মচাৰী সকলে পাবলগীয়া দৰ্মহা পাতি দিয়া হোৱা নাই। তাৰোপৰি যোৱা ১৯৯১ চনৰ চেপ্তেম্বৰৰ মাহত পাবলিক এণ্টাৰ প্ৰাইজৰ পৰা সচিব মহোদয়ে অসমৰ কৰ্পোৰেচন বিলাকলৈ কৰ্মী সকলক এমাহৰ দৰ্মহা অগ্ৰিম দিয়াৰ বাবে নিৰ্দ্দেশ দিছিল। আৰু বিভিন্ন কৰ্পোৰেচনৰ কৰ্মচাৰী সকলে এই অগ্ৰিম দৰ্মহা পাইছে কিন্তু আমাৰ অশোক কাগজ কলৰ কৰ্মচাৰী সকলে পোৱা নাই। অৰ্থাৎ অশোক কাগজ কলৰ কৰ্মচাৰী সকলৰ কাৰণে কোনো বলিষ্ঠ পদক্ষেপ লোৱা নাই। সেয়ে মই আশা কৰিছো মাননীয় মুখ্যমন্ত্ৰী

মন্ত্ৰী মহোদয়ে বা উদ্যোগ মন্ত্ৰী মহোদয়ে এই অশোক কাগজ কলটো পুনৰ কাৰ্য্যক্ষম কৰাৰ কাৰণে কি ব্যৱস্থা লয় তাৰ এটা বিবৃত্তি আজি এই সদনত দাখিল কৰিব।

* শ্ৰীভূপেন ৰয়ঃ উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত 'ৰাজনৈতিক বঞ্চনাত বিপন্ন, অশোক কাগজ কল সন্দৰ্ভত চৰকাৰী স্থিতিৰ আহ্বান শীৰ্ষক আজিৰ ১ এপ্ৰিলৰ সংখ্যা 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ সুযোগ দিয়া কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। অশোক কাগজ কলৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে আধাৰ-শিলা স্থাপন কৰিছিল। অসমৰ উদ্যোগ বিভাগৰ পৰাও ইয়াত যথেষ্ট অৰিহণা আছিল। কিন্তু আমাৰ পৰিচালনাৰ ত্ৰুটিৰ কাৰণে অশোক কাগজ কল সম্পূৰ্ণ ৰূপে বন্ধ হৈছে। অথচ উৎপাদনৰ ক্ষেত্ৰত লাভজনক স্থিতিত উপনীত হৈছিলহে মাত্ৰ। ১৯৯১ চনৰ পৰা অৰ্থাৎ ৩১ মাৰ্চৰ পৰা কলটো উৎপাদন আৰম্ভ কৰাৰ কথা আছিল যদিও আজি পুনৰ উৎপাদন আৰম্ভ কৰাৰ পৰিবৰ্ত্তে যি সকল কৰ্মচাৰী আছিল সেই সকলক বাধ্যতামূলক অৱসৰ লবলৈ নিৰ্দ্দেশ দিছিল। ইয়াৰ ফলত বহুত কৰ্মচাৰীয়ে স্বেচ্ছামূলক অৱসৰ লৈছে। আমি আশা কৰিছো বহু সংখ্যক কৰ্মচাৰী থকা কাৰণে দৰমহা পাতিৰ কাৰণে টকা খৰচ কৰাৰ প্ৰয়োজনত কলটো বন্ধ হৈ গৈছে। এই কাগজ কলটো অসম চুক্তিৰ অন্তৰ্ভূক্ত কৰাৰ পিচত অৰ্থাৎ ১৯৮৫ চনৰ সদৌ অসম ছাত্ৰ সন্থা, ভাৰত চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত আলোচনা কৰাৰ পিচত এক চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তিমতে কাগজ কলটো পুনৰ আৰম্ভ কৰাৰ কথা আছিল। উপাধ্যক্ষ মহোদয়, এই কাগজ কলটোত যি সকল কৰ্মচাৰীয়ে কাম কৰিছিল সেই সকল থলুৱা কৰ্মচাৰী। অসমৰ বিভিন্ন জনগোষ্ঠীৰ কৰ্মচাৰীয়ে বিভিন্ন সম্প্ৰদায়ৰ লোকে তাত কাম কৰি জীৱিকা নিৰ্বাহ কৰি আছিল। এইটো বন্ধ হোৱাৰ লগে লগে নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰেই বিশেষকৈ এক মূল্যবান সম্পদ ধ্বংস হৈ যাবলৈ ধৰিছে। চৰকাৰে

* Speech not corrected

কাগজ কলৰ উৎপাদনক্ষম কৰা চৌ তুলি যোৱা ১৯৯০ চনৰ ১২ ফেব্ৰুৱাৰীত বিহাৰৰ দ্বাৰভঙা পোষ্টৰ পৰা কলটো পৃথক কৰি ১৯৯০ চনৰ ২৭ ডিচেম্বৰ তাৰিখে এ—কে-শৰ্মাক নিযুক্তি দি তাৰ পিচত ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহত চাৰিশ কৰ্মচাৰীক চেচ্ছামূলক অৱসৰ দিবলৈ নিৰ্দেশ দিয়া হ'ল। কিন্তু কাগজ কলটো খোলাৰ কাৰণে পুনৰ আৰম্ভ কৰাৰ কাৰণে কোনো সুস্পষ্ট ব্যৱস্থা লোৱা নহ'ল।

এই বিষয়ে নিস্পত্তি হোৱাৰ লগে লগে বিহাৰ চৰকাৰৰ অংশ বন্ধ হৈ যায় আৰু অসম চৰকাৰৰ অৰ্থনৈতিক অধীনলৈ আহে আৰু তেতিয়া অসম চৰকাৰলৈ কেন্দ্ৰই ১৫০ কোটি টকা দিয়ে। এই টকাৰ ৫৭ কোটি টকা হেনো ধাৰ মাৰোতে যাব। গতিকে এই অশোক কাগজ কলটো যাতে উৎপাদনক্ষম কৰিব পাৰি তাৰ বিষয়ে মন্ত্ৰী মহোদয়ে চিন্তা চৰ্চা কৰিব বুলিয়ে বিষয়টো বিধান সভাত উত্থাপন কৰা হৈছে। আনহাতে এই অশোক কাগজ কল আৱাসিক অঞ্চলত কলটোৰ কৰ্মচাৰী সকলৰ কাৰণে এখন এল পি স্কুল, এখন এম ই স্কুল আৰু এখন হাইস্কুলো আছিল, আগতে এই অনুষ্ঠান সমূহ কল কৰ্তৃপক্ষই চলাইছিল. এতিয়া কলটো যেতিয়া বন্ধ হৈ গ'ল অনুষ্ঠানবিলাকৰ অৱস্থা কি হব? তাত এখন চিকিৎসালয় আছে। এতিয়া তাত ডাক্তৰো নাই আৰু প্ৰয়োজনীয় ঔষধো নাই। এতিয়া তাৰ মানুহবিলাকৰ চিকিৎসাৰ কি ব্যৱস্থা হব? এইবিলাক কথাও চিন্তা কৰিব লাগে। এই আৱাস অঞ্চলত কিছুমান লো আৰু অন্যান্য সামগ্ৰী এনেয়ে পৰি আছে, সেইবিলাকৰ তৎবীৰ কৰিবলৈ কোনো নাই, কিছুমানে চুৰী কৰি এই সামগ্ৰী বিলাক বিক্ৰীও কৰিছে। শ্ৰমিক সকলে যোগীঘোপা পুলিচ থানাত তাৰ কাৰণে কেচ ৰুজু কৰিছে, চালে গম পাব। এই সামগ্ৰীবিলাক যদি পাৰে নীতি নিয়মৰ মাজেৰে যদি পাৰি বিক্ৰী কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনহাতে কাগজ কলত কাম কৰা যিবিলাক কৰ্মচাৰী তেওঁলোকে ভালেমান দিন দৰ্মহাই পোৱা নাই কিন্তু গুৱাহাটীত থকা কাগজকলৰ যিটো গোট এই গোটৰ কৰ্মচাৰী সকলে কিন্তু নিয়মীয়াকৈ দৰ্মহা পাই থাকে। এই কৰ্মচাৰী সকলক দুটা ভাগত কিয় বিভক্ত কৰা হ'ল?

গুৱাহাটীত থকা কৰ্মচাৰী সকলক দৰ্মহা নহয় প্ৰমোচনো দিছে। বন্ধ হৈ থকা কল এটাত প্ৰমোচনৰ কি দৰ্কাৰ?

গতিকে এই গোটেই বিলাক বিষয়ত চৰকাৰে কি ব্যৱস্থা লব বিচাৰিছে কি পদক্ষেপ লব এই বিষয়ে বিভাগীয় মন্ত্ৰীৰ পৰা স্পষ্টকৈ জানিব বিচাৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীবিজিৎ শইকীয়া (উদ্যোগ মন্ত্ৰী): অধ্যক্ষ মহোদয়, কাগজ কল সম্পৰ্কে আমাৰ মাননীয় দুজন সদস্যই যিখিনি কথা উত্থাপন কৰিছে এই সংক্ৰান্তত মোৰ হাতত তথ্য নাই। গতিকে বিতং তথ্যপাতি সংগ্ৰহ কৰি অহা শুক্ৰবাৰে সদনক অৱগত কৰিম।

* শ্ৰীফনীভূষণ চৌধুৰী: উপাধ্যক্ষ মহোদয়, এই সংক্ৰান্তত অশোক কাগজ কল শ্ৰমিক সন্থাই এই বিভাগৰ আয়ুক্তলৈ এখন স্মাৰকপত্ৰ দিছিল। মই তাৰ নকল এটি মন্ত্ৰীক দিম। এই সম্পৰ্কেও সিদিনা বক্তৃতাত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে কব পাৰিব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, মই এটা চিৰিয়াচ মেটাৰ আপোনাৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। এইমাত্ৰ মই এখন চিঠি পাইছো-ৰেলৰ ভাড়া বৃদ্ধি সংক্ৰান্তত বিভিন্ন দলে আজি আন্দোলনৰ কাৰ্যসূচী লৈছিল আৰু তাত আমাৰ এচ, ইউ, চি আইয়েও অংশ গ্ৰহণ কৰিছিল। এওঁলোকে গুৱাহাটী ৰেল ষ্টেচনত ধৰ্ণা দিবলৈ যাওঁতে পুলিচে তাত লাঠি চাৰ্জ কৰাত লগত থকা আমাৰ মাননীয় সদস্য শ্ৰীনজমুল হক ডাওৰীয়া জখম হৈছে। তাত ভাৰতবৰ্ষৰ বহুত কেইজন ট্ৰেড ইউনিয়ন লিডাৰ আছিল। পুলিচে লাঠি চাৰ্জ কৰি জখম কৰাই নহয় ৰেলৱে পুলিচে শ্ৰীহকক জখম সহ পুলিচ থানাত এৰেষ্ট কৰি ৰাখিছে বুলি শুনিছো আৰু চিঠি পাইছো। এই বিষয়ে বিহিত ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ: বিধান সভাৰ সদস্য এজনক এৰেষ্ট কৰিলে ২৪ ঘণ্টাৰ ভিতৰত পুলিচে তাৰ কাৰণ দৰ্শাই অধ্যক্ষক জনাব লাগে। এই সংক্ৰান্তত

* Speech not corrected

আমি এতিয়ালৈকে কোনো খবৰ পোৱা নাই। মই নিশ্চয় এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লম। Now, I proceed to item No. 2 Mr. Dilip Kumar Saikia will put forward the Question under Rule 54.

## CALL ATTENTION NOTICE

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শক্তি মন্ত্ৰী উপস্থিত নাই দেখোন (ভইচ : ৰাজ্যিক মন্ত্ৰী আছে) অসম বিধান সভাৰ প্ৰক্ৰীয়া আৰু নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ৫ মাৰ্চ তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত "বিদ্যুৎ সংকট চৰকাৰৰ ষড়যন্ত্ৰ" ৫ মাহত সভাপতিৰ ব্যয়, ১'৬০ হাজাৰ শীৰ্ষক বাতৰিটোৰ প্ৰতি শক্তি মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

আমাৰ শক্তি মন্ত্ৰীয়ে বৰ শুৱলা ভাষাত বিভিন্ন ধৰণৰ বক্তৃতা দিলে। কেবিনেট মন্ত্ৰীয়ে তাৰ পিছতো এনে ধৰণৰ বাতৰি পৰিবেশনে অসমৰ ৰাইজক ভাবিবলগীয়া কৰিছে। ৫ মাৰ্চ তাৰিখে প্ৰকাশ পাইছে বিদ্যুত সংকট চৰকাৰৰ যড়যন্ত্ৰ, পাঁচ মাহত সভাপতিৰ ব্যয় এক লাখ ষাঠি হেজাৰ টকা।

অধ্যক্ষ মহোদয়, অসম ৰাজ্যখন কিছুমান লোকৰ কাৰণে অমৃত ভাণ্ডাৰ, মুক্ত চৰণীয়া পথাৰ। অমৃত মন্থন কৰি মুক্তভাবে ঘূৰি ফুৰিছে। এহাতে বিদ্যুতৰ সংকট আনহাতে খৰছৰ মাত্ৰা দিনক দিনে বাঢ়ি গৈ আছে এইজন সভাপতিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে ১৬ চেপ্তেম্বৰত আৰু তেতিয়াৰ পৰা তেখেতে ৮ বাৰ দিল্লীলৈ গৈছে। দিল্লীলৈ যাওঁতে ধন ব্যয় কৰাৰ নমুনা এনে ধৰণৰ—চেপ্তেম্বৰ ভ্ৰমণ বানচ ৬,৭৩৪'০০, চিকিৎসা বানচ ১৪,৭০০'০০, অক্টোবৰ ভ্ৰমণ বানচ ১৫,০২৬'০০, চিকিৎসা বানচ ১৫,১৯০'০০ টকা, নবেম্বৰ ভ্ৰমণ বানচ ৭,৪২৬ টকা চিকিৎসা বানচ ১৪,৮৪১'৩৫ টকা, ডিচেম্বৰ ভ্ৰমণ বানচ ৮০৩৪'০০ টকা, চিকিৎসা বানচ ১৫,৪১১'৭৫ টকা, জানুৱাৰী

* Speech not corrected

ভ্ৰমণ বানচ ৭;৯৭৪'০০ টকা, চিকিৎসা বানচ ১১,৬৮০'০০ টকা, ফেব্ৰুৱাৰী ভ্ৰমণ বানচ ২০,০৮০'০০ টকা, চিকিৎসা বানচ ১৫১৯০'০০ টকা, মুঠ ভ্ৰমণ বানচ ৭২৯৯১'০০০ টকা চিকিৎসা বানচ ৮৭০১৩'১০ টকা।

মাননীয় অধ্যক্ষ মহোদয়, এই বাত্তৰিটোৰ সম্পৰ্কত আমি চৰকাৰৰ পৰা কোনো স্পষ্টীকৰণ দেখিবলৈ পোৱা নাই। আজি ৰাজ্যখনত যিটো সংকটে দেখা দিছে সেইটোৱে যথেষ্ট গুৰুত্বপূৰ্ণ ৰূপ লৈছে। দিন দুপৰতে বিদ্যুৎ নোহোৱা হৈছে। অন্যহাতে হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা চলি আছে। অসম ৰাজ্যিক বিদ্যুৎ কৰ্মী সংঘৰ তৰফৰ পৰা আজি আয়োজিত এক সাংবাদিক মেলত এই অভিযোগ উত্থাপন কৰা হৈছে। সংঘই অভিযোগ কৰা মতে সভাপতিজনে এতিয়ালৈকে অবাবতে হেজাৰ হেজাৰ টকা অপচয় কৰিছে। এই বিষয়ে চৰকাৰৰ পৰা স্পষ্টীকৰণ আজিলৈকে একো দেখা পোৱা নাই। সভাপতি গৰাকীয়ে কি কাৰণত এই পাৱাৰ মিচ ইউজ কৰিছে তাৰ বিবৃতি দিব বুলি শক্তি মন্ত্ৰী গৰাকীক দাবী কৰিছো আৰু আশা ৰাখিছো যাতে ইয়াৰ ওপৰত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰে। আজি দিছপুৰতো এঘন্টা ডেৰঘন্টা বিদ্যুৎ কৰ্ত্তন কৰিছে। মই ভাবো গুৱাহাটীৰ যিবিলাক ষ্ট্ৰীট লাইট আছে সেইবিলাকৰ তলত এখনকৈ টেবুল দিয়াৰ ব্যৱস্থা কৰিব লাগে। য'ত নেকি ল'ৰা-ছোৱালী-বোৰে পঢ়াৰ সুবিধা পায়। শেষত এই সকলোবিলাকৰ তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনায় মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া বিদ্যুৎ বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীদেবানন্দ কোঁৱৰ (বিদ্যুৎ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়াদেৱে যিটো বিষয়ৰ ওপৰত উত্থাপন কৰিছে সেইটোৰ ওপৰত ইতিমধ্যে আমাৰ দৃষ্টিগোচৰ হৈছে। মাননীয় সদস্য-জনে কোৱাৰ দৰে বিদ্যুৎ সংকট যিটো চলি আছে সেইটো এটা কথা আৰু ৰাজ্যখনত বিত্তীয় সংকট চলি আছে সেইটো অন্য এটা কথা।

---

* Speech not corrected

বিদ্যুৎ সংকট আছে। এই কাগজৰ ষ্টাফ ৰিপোৰ্টাৰ ৪ তাৰিখৰ সাংবাদিক মেলত তেওঁলোকে সাংবাদিক মেলত যিটো অভিযোগ পাইছিল সেইটো অভিযোগ ভেৰিফাই নকৰাকৈ যেয়ে যেনেকৈ অভিযোগ আনিছে তাকে প্ৰিন্ট কৰিছে। মাননীয় সদস্যজনে কৈছে যে ইয়াৰ স্পষ্টীকৰণ বা শুধৰণি দিয়া নাই। নিদিয়াৰ কাৰণে এইটো শুদ্ধ বুলি ধৰি লৈছে। আজিকালি আমি দেখিবলৈ পাইছো যে বিভিন্ন ধৰণে বিভিন্ন ধৰণৰ ৰাতৰি পৰিবেশন কৰে। মাননীয় সদস্যসকলে নিশ্চয় উপলব্ধি কৰিছে যে এইবিলাক বেচি ভাগেই আনভেৰিফাই ৰিপোৰ্ট। ক্লিপিং কৰি পেটিত আছে যে' বিদ্যুৎ সংকট চৰকাৰৰ ষড়যন্ত্ৰ।

মাননীয় অধ্যক্ষ মহোদয়, আমি আজি কি অৱস্থাত ৰাজ্যখনে বিদ্যুৎ সংকটৰ মাজেদি দিন অতিবাহিত কৰিবলগীয়া হৈছে। সেইটো সকলোৱে জানে। বিদ্যুৎ সংকট চৰকাৰৰ ষড়যন্ত্ৰ এই অভিযোগ কোনে আনিছে। এই অভিযোগ বিদ্যুৎ পৰিষদৰ এজন কৰ্মীয়ে আনিছে। বিদ্যুৎ সংকট ৰাজ্যখনত চলিছে। মই এইটো আজি আটাইতকৈ দুখ পাইছো যে যিটো এলিগেচন আনিছে সেইটো এলিগেচন এজন বিদ্যুৎ পৰিষদৰ কৰ্মচাৰীয়ে আনিছে। সেই এলিগেচনটো যিভাৱে দিয়া হৈছিল সেই ভাৱেই প্ৰিন্ট কৰা হৈছে। বিদ্যুৎৰ সংকট চৰকাৰৰ ষড়যন্ত্ৰ। আমি দিনে ৰাতিয়ে চিন্তা কৰিছো কেনেকৈ ইয়াৰ পৰা মুক্তি পাব পাৰি। কিন্তু তেনে এটা অৱস্থাতে এজন কৰ্মীয়ে কৈছে বিদ্যুৎ সংকট চৰকাৰৰ ষড়যন্ত্ৰ। নাজানো সেই সকল কৰ্মীয়ে এই সংকট ৰক্ষা কৰিবৰ কাৰণে কিমান অৰিহণা স্বকীয় ভাৱে যোগান ধৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৬ চেপ্তেম্বৰত এই বিদ্যুৎ পৰিষদৰ সভাপতি গৰাকীয়ে কামত যোগদান কৰিছে। ১৬ চেপ্তেম্বৰৰ পৰা আজিলৈকে অৰ্থাৎ ফেব্ৰুৱাৰী শেষলৈকে ভ্ৰমণ বানচ দেখুৱাইছে ৭২ হেজাৰ ৯৯১ টকা। সেই কালৰ পৰা মাহে ১২ হেজাৰ ৬ মাহত ৭২ হেজাৰ টকা সেইজন বিষয়াই দিল্লী বোম্বাইলৈ অহা-যোৱা ক্ষেত্ৰত অধিক হৈছে বুলি মই নেভাবো। মাননীয় সদস্য সকলে জানে যে কাৰ্বিলংপি হাইড্ৰো প্ৰজেক্টটো ১৯৭৯ চনৰ পৰা আৰম্ভ কৰি বৰ্তমান

একো কাম হোৱা নাই। যন্ত্ৰপাতি অনা নিয়াৰ কাৰণে খৰচৰ বাবে ইয়াৰ আগৰ চৰকাৰে এটা কোম্পানীক ২ কোটি টকা আদায় দিয়ে। এই এন, পি, চি, চি কোম্পানীটোৰ পৰা সম্পূৰ্ণ কাম হৈ ছুঠিবগে। এই এন, পি, চি, চি ৰ যিটো এডমিনিষ্ট্ৰেচন বিভাগ সেইটোৱে ওৱাটাৰ ৰিচাৰ্চ ডেভেলপমেণ্ট বোৰ্ড কনট্ৰ'ল কৰে। এই বিষয়ে মই ভি, চি শুক্লাৰ লগত আলোচনা কৰিছিলো আৰু কৈছিলো এই যে এই কৰপ'ৰেচনটো আপোনালোকে উঠাই লওঁক। ইয়াৰ দ্বাৰা আমাৰ কোনো কামত নাহে। সেইবাবে এটা বেলেগে প্ৰস্তাৱ দিছিলো আৰু সেই পৰিপ্ৰেক্ষিতত হিন্দুস্থান কনষ্ট্ৰাকচন কৰপ'ৰেচনৰ লগত যোগাযোগ কৰিবৰ কাৰণে সভাপতিজন দিল্লীলৈ যাবলগীয়া হৈছিল।

অধ্যক্ষ মহোদয়, যোৱা তিনি মাহত চেয়াৰমেন গৰাকী দিল্লীলৈ তিনিবাৰ যাব লগা হৈছে আৰু মাননীয় সদস্য সকলে এটা কথা নিশ্চয় জানে যে আজিৰ তাৰিখত গুৱাহাটীৰ পৰা দিল্লীলৈ বিমানেৰে অহা যোৱা কেৱল ভাড়াৰ বাবেই লাগে ৫,৬৯৪ টকা। তেখেতে এই আমগুৰি প্ৰকল্পৰ কাৰণে ৰিজাৰ্ভ বেংক আৰু এচিয়ান ডেভেলপমেণ্ট বেংকৰ লগত যোগাযোগ কৰিবলৈ বম্বেলৈকো যাব লগা হৈছিল। যোৱা ৬ মাহত তেখেত ৭ বাৰ দিল্লীলৈ যাব লগা হৈছিল আৰু এবাৰ বম্বেলৈ যাব লগা হৈছিল আৰু ইয়াৰ বাবদ মুঠ ৭২,৯৭২ টকা খৰচ হৈছে। এইটো কোনো কাৰণতে অধিক খৰচ হোৱা বুলি মই বিবেচনা কৰিব নোৱাৰো। আন এটা কথা হৈছে যে আমি নীতি হিচাবে সিদ্ধান্ত কৰি যোৱা ২৬ তাৰিখে ওৱেষ্টিং হাউচ কোম্পানীৰ ডিৰেক্টৰ জনক মাতি আমাৰ হাতত থকা তেওঁলোকৰ মেচিনবোৰৰ বিষয়ে আলোচনা কৰিছিলো আৰু এটা কথা কৈছো তেওঁলোকৰ যিখিনি মেচিন আমাৰ হাতত আছে তাতোকৈ পুৰণি মেচিন অইন ইণ্ডিয়াত চলি আছে। সেই কাৰণে তেওঁলোকক কোৱা হৈছে যে You must repair your engine and give back our engine for generation. এই মানুহ বিলাকক মাতি আনি যিখিনি কথা আলোচনা কৰা হৈছে সেই আলোচনাৰ পৰৱৰ্ত্তী কামখিনি এচ কৰ্টচ কোম্পানীৰ লগত কৰিব

লগা হোৱা কাৰণে আৰু এই কোম্পানীৰ কৰ্মচাৰী সকল দিল্লীত থকা বাবে চেয়াৰমেনজন তালৈকে যাব লগা হয়। আজি অসমৰ যিটো বিদ্যুৎ সংকত সেই সংকত দূৰ কৰিবৰ কাৰণেই তেখেত দিল্লীলৈ যাব লগা হৈছে আৰু বিমানৰ ভাড়া আৰু তেখেতে পাবলগীয়া ভাট্টা ধৰিলে এইটো অধিক হৈছে বুলি মই নাভাবো।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হৈছে চিকিৎসা বানচ সম্পৰ্কে যিটো কথা কৈছে সেই ক্ষেত্ৰত মই এটা কথা কওঁ যে আজিকালি বাতৰি কাকতত এনেকুৱা কিছুমান বাতৰি প্ৰকাশ পায় যে সেইবোৰ বাতৰিৰ প্ৰত্যেক-টোৰে যদি আমি কনট্ৰাডিক্টৰী দিব লগা হয় তেনেহলে আমি অকল সেই কামতে ব্যস্ত থাকিব লাগিব। মাননীয় সদস্য সকলে এই কথাটো মোক সুশুধি তেওঁলোকে নিজে এই বিষয়টো অনুধাৱণ কৰিলে বিষয়টো নিশ্চয় বিবেচনা কৰিব পাৰিম। চিকিৎসা বানচৰ ক্ষেত্ৰত এই সভাপতি গৰাকীয়ে ২৭,০১৩'১০ টকা লোৱা বুলি কৈছে। এইটো শুদ্ধ নহয়। ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে আচলতে তেখেতে চিকিৎসা বানচ লৈছে ১,১১,০৩৫ টকা। সভাপতি গৰাকীয়ে লিখিছে যে Mr. H. Pris, who is the Chairman of the Assam State Electricity Board, is an I. A. S. Officer, that is controled and guided and regulated by the All India Service Rules on the certi-fication by the Authorised medical attendant, that is paid under the relevant rules of All India Service. বাতৰিটোত আৰু এটা কথা প্ৰকাশ পাইছে যে সভাপতিৰ এগৰাকী পুত্ৰ দিল্লীৰ কোনোবা ব্যক্তিগত নাৰ্চিং হোমত চিকিৎসাধীন হৈছে কিন্তু আচলতে তেওঁ 'গোবিন্দ বল্লভ পন্ট' হস্পিতেলতহে চিকিৎ-সাধীন হৈছিল। এনে ধৰণৰ আনস্পেচিফাইড বাতৰিবোৰ বাতৰি কাকতত প্ৰকাশ পাইছে। মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে মই জনাব খোজো যে হিলাৰী পাইচ এজন আই, এ, এচ বিষয়া, তেওঁ কি ধৰণৰ চিকিৎসা বানচ পায় An I.A.S. Officer is entitled whether he is in the Assam State Electricity Board or in any other office

প্ৰকৃততে তেওঁ ১ লাখ ১১ হাজাৰ ৩৫ টকা চিকিৎসাৰ বানচ লৈছে। কিন্তু কাকতত সেইটো কমকৈহে প্ৰকাশ পাইছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে শ্ৰীতুলন ভড়ালী নামৰ যিজন কৰ্মচাৰীয়ে চেয়ামেন গৰাকীৰ বিৰুদ্ধে যিটো অভিযোগ আনিছে সেইটো যদি সত্য নহয় তেনেহলে তেওঁ ডিচিপ্লিনৰ বাহিৰত কাম কৰিছে। গতিকে এই কৰ্মচাৰী জনৰ বিৰুদ্ধে কিবা বিভাগীয় ব্যৱস্থা লৈছে নে নাই ? তেওঁক চাচ্‌পেণ্ড কৰিছেনে নাই ? এই সংক্ৰান্তত মন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ দিব লাগে।

* শ্ৰীদেবানন্দ কোঁৱৰ ( শক্তিমন্ত্ৰী ) অধ্যক্ষ মহোদয়, মই জনামতে এতিয়ালৈকে কাকো চাচ্‌পেণ্ড কৰা হোৱা নাই। এইখিনিতে মই সদনৰ জ্ঞাতাৰ্থে আৰু এটা কথা কব খুজিছো যে অসম বিদ্যুৎ পৰিষদৰ যিটো বিদ্যুৎ সংকত হৈছে সেই সংকটত প্ৰত্যেকৰে অৰিহনা আছে। এই প্ৰতিষ্ঠানটোত ২৪ টা ইউনিয়ন আছে আৰু ইয়াৰ কিমান কৰ্মচাৰী আছে সেইটোও নিৰ্ণিত হৈছে অলপতে। কিন্তু কৰ্মচাৰীৰ হিচাবটো যে সঠিকভাবে নিৰ্ণিত হৈছে সেইটোও মই ডাঠিকৈ কব পৰা নাই। এনে ধৰণৰ কামো ইয়াত চলি আছে। এই বিভাগটোত বহুতো মিচ্ মেনেজমেন্ট হৈ আছে। কিন্তু চেয়াৰমেন গৰাকীয়ে ভ্ৰমণ আৰু চিকিৎসাৰ বাবদ যি টকা লোৱা বুলি অভিযোগ উথাপিত হৈছে সেইটো প্ৰকৃততে সত্য নহয়। এই ক্ষেত্ৰত যিজন কৰ্মচাৰীয়ে এই অভিযোগ আনিছে বা বাতৰি কাকতত প্ৰকাশ কৰাইছে সেই ক্ষেত্ৰত নিশ্চয় তেওঁ ডিচিপ্লিন ভঙ্গ কৰিছে। কিন্তু তেওঁৰ বিৰুদ্ধে চৰকাৰে এতিয়ালৈকে একপক্ষীয়ভাবে কোনো ব্যৱস্থা লোৱা নাই আৰু চৰকাৰে কোনো আক্ৰোশ মূলক ব্যৱস্থা নলয়। সকলো কথা চোৱা-চিতা কৰি প্ৰয়োজন হলে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হব।

* শ্ৰীনগেন শৰ্মা :— অধ্যক্ষ মহোদয়, তেখেতে নিজে কৈছে, কৰ্মচাৰীয়ে ইনডিচিপ্লিন কৰিছে, তেখেতে নিজে ব্যৱস্থা লব লাগিব।

---

* Speech not corrected.

* শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইন্ ডিচিপ্লিন হলেও এক্ চন যে লব লাগে সেইটো নহয়। এই ক্ষেত্ৰত বহুত কথা বিবেচনা কৰি চোৱা হয়। That is not automatically. It is taken in discretion. পিছত ডিচিপ্লিনাৰী একচন লব পৰা হব।

## MATTER UNDER RULE 301.

Mr, Speaker : Hon'ble members, we have a very long programme to-day. Many Bills are to be introduced and many discussions are there and at the same time, Hon'-ble Chief Minister will make a very important state-ment to-day in the House. So, I am now proceeding to item No. 3. Shri Badan Barua to draw the attention of the Minister Education by raising a matter under Rule 301.

* শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত "শিক্ষকক গ্ৰেচুইটীৰ ধন দিয়াৰ আশ্বাস।" শীৰ্ষক বাতৰিটো উত্থাপন কৰি শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, এনেকুৱা ধৰণৰ আশ্বাস অকল আজিৰ বাতৰিতে নহয় সময়ে সময়ে বিভিন্ন ধৰণৰ শিক্ষক সকলৰ কাৰণে বহুত বাতৰি পৰিবেশন কৰা হৈছে। শিক্ষক সকলৰ লগত মই নিজে পৰিচিত, কাৰণ মই নিজে শিক্ষক আছিলো। যেতিয়া আমাৰ স্কুল বিলাক চৰ-কাৰীকৰণ কৰা হ'ল তাৰ আগে আগে বহুত শিক্ষকে এই সুবিধা পাব লাগিছিল। কিন্তু তেখেত সকলে নাপালে। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে স্বাধীনতাৰ আগতে আমাৰ যি সকল ভাল ছাত্ৰই শিক্ষা লাভ কৰিছিল, তেখেত সকলে গাওঁলৈ আহি তাত স্কুল পাতি শিক্ষকতা কৰিছিল। তেতিয়া যদি ছাত্ৰ সকলে চৰকাৰী চাকৰি

* Speech not corrected.

বিচাৰিলেহেঁতেন নিশ্চয় চৰকাৰী চাকৰি পালেহেঁতেন। কিন্তু তেখেত সকলে সেই সুবিধাটো নললে আৰু চাকৰিও নাপালে। তেওঁলোকে গাওঁতে বিদ্যালয় পাতিলে। কিছুমান অৱসৰপ্ৰাপ্ত শিক্ষকে কিতাপ লিখিছিল আৰু সেই কিতাপ বিক্ৰী কৰি পৰিয়াল চলাব বুলি আশা কৰিছিল। কিন্তু আজি পাঠ্যপুথি চৰকাৰীকৰণ কৰা হ'ল অৱসৰপ্ৰাপ্ত শিক্ষক সকলে যি সুবিধা পাব লাগিছিল সেইটো নোপোৱা হ'ল। তেনেকুৱা এজন শিক্ষকৰ লৰা-ছোৱালী নাই, কিতাপ বিক্ৰী কৰি তেখেতে চলিব লগা হৈছে। মই নিজে কেতিয়াবা তেখেতৰ ঘৰলৈ যাওঁ আৰু তেখেতক যথেষ্ট সন্মান কৰো। মই যি স্কুলত পঢ়িছিলো তাৰ শিক্ষক আছিল আৰু তেখেতে পেন্‌চন নাপালে। তেখেতৰ অৱস্থা শোচনীয় কাৰণে আমি সহায় কৰো। তেখেতে সহায় খুজিবলৈ লাজ পায়। তেখেতৰ সন্মান হিচাবে মাজে মাজে সহায় কৰিব লগা হয়। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে এটা অনুষ্ঠানত যোগদান কৰিবলৈ যাওঁতে তেখেতৰ দুৰ্দশাৰ কথা জানিবলৈ দিছে। মন্ত্ৰীয়ে তেখেতক আশ্বাস দিছে। এই ক্ষেত্ৰত যদি আশ্বাস নিদি তেখেতক গ্ৰেচুইটি বা পেন্‌চন দিব লাগিছিল। আমাৰ যি সকলে খাব পৰা নাই, যি সকলৰ লৰা ছোৱালী নাই তেওঁলোকে কি কৰিব। যিসকল অভাৱগ্ৰস্থ লোক আছে সেই সকলক বৃদ্ধ পেন্‌চন দিয়া হয়। তেনেকৈ এই শিক্ষক সকলোকো পেন্‌চন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে তেওঁলোকে দুবেলা চলিব পাৰে। এইখিনি কৈ মই শিক্ষা-মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি মই ভালকৈ উপলব্ধি কৰিছো। আমাৰ অৱসৰপ্ৰাপ্ত শিক্ষক সকলৰ কি অৱস্থা হয় সেইটো মই ভালকৈ উপলব্ধি কৰি এইখিনি কব খুজিছো যে যিবিলাক চাৰ্ভিচ বুক দিয়া হয় সেইবিলাক কিছুমানৰ শুধৰণি কৰোতে পলম হয়। সেই কাৰণে পেন্‌চন দিয়াতো পলম হয়। এইটো যাতে সোনকালে দিব পৰা হয় তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা প্ৰভিজনেল পেন্‌চনৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাই আগবঢ়াই দিব। কি ধৰণে সকলোকে ফাইনেলি দিব পৰা যাব তাৰ ব্যৱস্থা লোৱা হব।

* Speech not corrected

* শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, যিসকল শিক্ষকে অৱসৰ গ্ৰহণ কৰিলে তেওঁলোকৰ বাবে পেন্চন গ্ৰেচুইটিৰ ব্যৱস্থা ৰখাৰ আগে আগে যি সকলে অৱসৰ পালে তেওঁলোকৰ বাবে হব নে নহয়। অৱসৰ পাই চলিব নোৱাৰা বহুতো শিক্ষক আছে। এই শিক্ষক সকলৰ নাম মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত লিষ্ট আছে। এই সম্পৰ্কে তেখেত অৱগত। মাননীয় মন্ত্ৰী মহোদয়ে বহুতো অনুষ্ঠানৰ সভাত আশ্বাস দিয়ে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে তেনেকুৱা শিক্ষক সকলৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হয়।

* ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি গ্ৰেচুইটি দিয়াৰ কথাটো বিবেচনা কৰি আছো।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াৰ প্ৰশ্ন কৰাত তেখেতে উত্তৰ দিছে। এইটো স্বভাৱসিদ্ধ। এই গুৰুত্বপূৰ্ণ ভাবে শোধা কথাখিনিত মাননীয় শিক্ষা মন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ বুলি কলেও আচলতে গুৰুত্ব নিদিলে। তেখেতে যি পেঞ্চন ব্যৱস্থাৰ কথা কৈছে গ্ৰেচুইটিৰ ব্যৱস্থাৰ কথা কৈছে এইটো মানৱতাৰ লগত জড়িত। এজন শিক্ষকে ৩০/৩৫ বছৰ শিক্ষকতাৰ পিচত পেঞ্চন বা গ্ৰেচুইটিৰ ব্যৱস্থা কৰা হয় কিন্তু তেওঁলোকে সেইটো সময়তে নাপায়। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এইটো প্ৰভিজনেলী দিয়াৰ কথা কৈছে। কিন্তু এজন শিক্ষকে কেতিয়া পেঞ্চন পাব এই কথাটো বিভাগে ১০ বছৰৰ আগতে জানে। সেই মানুহজনৰ পেঞ্চনৰ কামখিনি কিয় আগতীয়াকৈ কৰি নথয়। গোলাঘাটৰ কথা উল্লেখ কৰা হৈছে। তাৰ ১৬ জন ব্যক্তিৰ চাৰ্ভিছ বুক পঠোৱা আজি ৬ বছৰ হল। এই ৬ বছৰে কিয় চাৰ্ভিছ বুক ঘূৰাই দিব পৰা নাই। সেইটো কৰিবলৈ তেওঁলোকে জামেলা পায়। আমাৰ পেঞ্চন সঞ্চালকালয় নিচেই ওচৰতে আছে। তাত গলে দেখিবলৈ পাব। বহুতৰে চাকৰি নিয়মীয়া কৰণ হোৱা নাই।

* Speech not corrected

যদি এইবিলাক্ খবৰ লবলৈ যোৱা হয় তেতিয়াহলে কর্মচাৰী সকলক পইচা দিব লাগে। গতিকে এই বিষয়টোত গুৰুত্ব দিব লাগে বুলি মই মাননীয় মন্ত্ৰীক অনুৰোধ কৰিলো।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো বহু দিনৰ পৰাই চলি অহাৰ কথা। এইটো ঠিক হোৱা নাই আৰু মাননীয় সদস্যৰ লগত মই একমত। আমাৰ মাননীয় সদস্য সকলে জানে যে আৰ্মিৰ চাকৰিয়াল সকলে তেওঁলোকৰ চাকৰিকাল শেষ হোৱাৰ লগে লগে তেওঁলোকে পেঞ্চন পায়। এই কথাটো আমাৰ ইয়াত কৰিবলৈও ব্যৱস্থা কৰা হৈছে।

* শ্ৰীহিতেশ্বৰ ডেকা: মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চন সঞ্চালকালয়ত পইচা নোহোৱাকৈ ফাইল ইফাল সিফাল নহয়। যদি সেইটো নহয় তেতিয়া হলে মোৰ নাম উলিয়াই থব। এতিয়াই বলক মই দেখুৱাই দিম।

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, ময়ো পেঞ্চন বিভাগৰ মন্ত্ৰী আছিলো। পেঞ্চন সঞ্চালকালয়টো বেলেগ কৰিবৰ কাৰণে শিক্ষক সকলে দাবি কৰিছিল কিন্তু বাৰে বাৰে কেঞ্চেল হয়। তাৰ পিচত মই জোৰ কৰি এইটো কৰিছিলো। তাত ষ্টাফ লাগে বুলি কোৱাটো চেংশ্যন নিদিলে। শিক্ষা সঞ্চালকালয়ৰ পৰা কেইজনমান ষ্টাফ আনি সোমোৱাই থৈছে। এজন শিক্ষকে পেঞ্চন পাবৰ কাৰণে তেওঁৰ চাৰ্ভিছ বুকটো ডিপাৰ্টমেণ্টে ডি আই অফিচলৈ পঠাই দিব লাগে, কিন্তু নাহে। পইচা নিদিয়াৰ কাৰণে নাহে। এটা কেচ পাৰচু কৰোঁতে কিমান সময় লাগে। এই ক্ষেত্ৰত ইল মটিভ আছে বুলি ধৰিব লাগিব। এই কেচ বিলাকত এটা সময়সীমা বান্ধি দিব লাগে। ডিষ্ট্ৰিকৰ পৰা অহা কেচ যাতে প্ৰতি মাহে ১০/২০ টা সম্পূৰ্ণ কৰিব পাৰে তাৰ এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো সময় সীমা বান্ধি দিয়াৰ ব্যৱস্থা লম।

---

* Speech not corrected.

* শ্ৰীগিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, অকল পেঞ্চন বিভাগতে নহয় প্ৰায় সকলো বিভাগতে এনেকুৱা ধৰণৰ খেলিমেলি আছে। এইটো ৰঙা ফিটাৰ মেৰপাক কেতিয়া শেষ হব। কেনেকৈ শেষ কৰিব লাগে আপোনালোকে নাজানিলেও মই জানো। যদি মন্ত্ৰী মহোদয়ে ইচ্ছা কৰে তেতিয়াহলে মই তেখেতৰ লগত বহিব পাৰো।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য-জনৰ লগত মই আলোচনা কৰিম।

* শ্ৰীজয়নাল আবেদ্দিন ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক বুলি কওঁতে আমি জনামতে প্ৰাথমিক শিক্ষকৰ পৰা ধৰি কলেজৰ শিক্ষক আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক সকল আছে। কলেজৰ শিক্ষক বিলাকে বহু দিনৰ পৰা ধৰি আপত্তি কৰি আহিছে। এই ৰিকগনাইজ কলেজ শিক্ষক সকলৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে জনাব নেকি।

* ডাঃ ভূমিধৰ বৰ্মন ঃ (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে ব্যৱস্থা লোৱা হৈছে।

## STATEMENT BY THE CHIEF MINISTER

Mr. Speaker : This is over. Now, I request the Hon'ble Chief Minister to lay a statement.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সংযুক্ত মুক্তি বাহিনীৰ সৈতে আলাপ আলোচনাৰ জড়িয়তে ৰাজ্যখনত শান্তি স্থাপন কৰিবলৈ চৰকাৰে চলাই অহাৰ প্ৰচেষ্টাৰ বিষয়ে যোৱা ৩০ মাৰ্চ তাৰিখে মই সদনৰ মজিয়াত বিবৰি কৈছিলো। সেই প্ৰসংগতে মই উনুকিয়াইছিলোঁ যে সংগঠনটোৰ তথাকথিত সভাপতি শ্ৰীঅৰবিন্দ ৰাজখোৱা ১৯ মাৰ্চ তাৰিখৰ বিবৃতি এটাই সেই প্ৰচেষ্টাত অন্তৰায়ৰ সৃষ্টি কৰিছে। আনহাতে সংগঠটোৰ সাতখন জিলা সমিতিয়ে শ্ৰীৰাজ-খোৱাৰ বিবৃতিটোৰ বিৰোধিতা কৰা বুলিও মই সদনক অৱগত কৰিছিলো। মই সদনক জনাবলৈ পাই আনন্দ পাইছো যে সেই সাতখন

* Speech not corrected

জিলাৰ জিলা সমিতিৰ তৰফৰ পৰা সমিতিৰ সভাপতি বা তেওঁলোকৰ প্ৰতিনিধিয়ে চৰকাৰৰ সেয়ে নিজা ববীয়াকৈ শান্তিপূৰ্ণ আলোচনা চলাই যাবলৈ সমূহীয়াকৈ সিদ্ধান্ত কৰিছে। কালি আবেলি সংগঠনটোৰ শীৰ্ষ স্থানীয় নেতা শ্ৰীমুনিন নবীশ আৰু কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক শ্ৰীসুনীল নাথ প্ৰমুখ্যে এটি দহজনীয়া দলে মোৰ লগত সাক্ষাৎ কৰেহি আৰু তেওঁলোকে আনুষ্ঠানিক ভাৱে গ্ৰহণ কৰা সেই সিদ্ধান্তৰ কথা জনায়। এই সিদ্ধান্তৰ ভিত্তিতে কালি তেওঁলোকে আনুষ্ঠানিক ভাবে মোৰ লগত এলানি আলোচনাও আৰম্ভ কৰে। উক্ত জিলা সমিতি সমূহৰ হৈ জিলা সমিতিৰ নেতাসকলে বে-আইনী ভাবে অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ বা ব্যৱহাৰৰ বিৰোধিতা কৰি প্ৰস্তাৱ লৈছে আৰু সুস্থ গণতান্ত্ৰিক, মুক্ত, ভয়হীন পৰিবেশতহে অসমবাসীৰ সমস্যা সমূহ সমাধান কৰিব পৰা যাব বুলি ঐক্যমত প্ৰকাশ কৰিছে। চৰকাৰৰ সৈতে আলোচনাৰ বাবে তেওঁলোকে এখন কমিটিও গঠন কৰিছে। আৰু আমাৰ লগত পুনৰ আনুষ্ঠানিক ভাবে মিলিত হৈ সংশ্লিষ্ট বিষয় সমূহৰ ক্ষেত্ৰত আলোচনা কৰাৰ কথা আছে। অধ্যক্ষ মহোদয়, অসম সংযুক্ত মুক্তি বাহিনীৰ উক্ত জিলা সমিতি সমূহ আৰু সেই সমিতি সমূহৰ নেতৃত্বৰ আমি শলাগ লৈছো। শান্তিপূৰ্ণ আলাপ-আলোচনাৰ জড়িয়তেহে সকলোবোৰ সমস্যা সমাধান কৰিব পৰা যায় বুলি চৰকাৰে নিজৰ নীতিৰ কথা সদায়েই দোহাৰি আহিছে। সেই নীতিৰ আধাৰতে সংযুক্ত মুক্তি বাহিনীকো হিংসা পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আহিবলৈ আমি আমন্ত্ৰণ জনাই আহিছিলো। উক্ত জিলা সমিতি সমূহে আমাৰ এই আমন্ত্ৰণত সহাঁৰি দিয়াৰ বাবে স্বাভাৱিকতে আমি আনন্দ পাইছো। ৰাইজে শান্তি বিচাৰে আৰু আলাপ-আলোচনাৰ জড়িয়তে সকলো সমস্যাৰ সমাধান হোৱাটো কামনা কৰে। ৰাইজৰ সেই ইচ্ছাৰ প্ৰতি সন্মান আৰু সহাঁৰি দি শান্তিপূৰ্ণ আলোচনাৰ বাটলৈ ওলাই অহা সকলো আমাৰ আটাইৰে প্ৰশংসা আৰু অভিনন্দনৰ যোগ্য। উক্ত জিলা সমিতি সমূহৰ নেতা আৰু কৰ্মী সকলকো আমি ওলগ জনাইছো আৰু শান্তি প্ৰচেষ্টা অব্যাহত ৰখাৰ বাটত আহিব পৰা যিকোনো অন্তৰায় দূৰ কৰাত চৰকাৰে সকলো

ব্যৱস্থা লব বুলিও আমি তেওঁলোকক আশ্বাস দিছো।

এই প্ৰসঙ্গতে সন্মানিত সদনক মই জনাব খোজো যে আন কেইখনমান জিলা সমিতিৰ ফালৰ পৰা একে ধৰণৰ সহাঁৰি এতিয়াও আমাব হাতত পৰাহি নাই। সেই পৰিপ্ৰেক্ষিততে আগেয়ে সদনক জনোৱা মতে যোৱা নিশাৰ পৰা ৰাজ্যখনৰ নিৰ্ব্বাচিত কিছু এলেকাত সামৰিক অভিযান পুনৰ আৰম্ভ কৰিবলগীয়া হৈছে। হিংসা আৰু সন্ত্ৰাসবাদী কাৰ্য্যকলাপ পুনৰ গা-কৰি উঠি সেই অঞ্চল সমূহৰ ৰাইজৰ নিৰাপত্তা যাতে বিঘ্নিত কৰিব নোৱাৰে, তাৰ বাবেই এই ব্যৱস্থা অপৰিহাৰ্য্য হৈ উঠিল। তথাপিও আমি আশা কৰিছো যে শান্তি প্ৰচেষ্টাৰ বাটলৈ উভতি অহা জিলা সমিতি কেইখনৰ সদিচ্ছা আৰু সাহসৰ দৃষ্টান্তই এতিয়াও মন স্থিৰ কৰিব নোৱাৰা সকলক অনুপ্ৰাণিত কৰিব আৰু তেওঁলোককো হিংসাৰ বাট এৰি শান্তিৰ বাটলৈ মুকলিকৈ ওলাই আহিব। ৰাইজৰ জীৱন আৰু নিৰাপত্তাৰ বাবে নিৰ্বাচিত এলেকা সমূহত সামৰিক অভিযান চলোৱাটো অপৰিহাৰ্য্য হলেও আমি আশা পৰিহাৰ কৰা নাই। এই প্ৰসংগতে মই আকৌ এবাৰ দোহাৰিব খোজো যে হিংসা আৰু সন্ত্ৰাস পৰিহাৰ কৰি স্বাভাৱিক জীৱনলৈ উলটি আহিব খোজা সকলোকে স্বাভাৱিক জীৱন সুনিশ্চিত কৰাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব। তেওঁলোকক সংস্থাপিত কৰাৰ ভাৰো চৰকাৰে উৎসাহেৰে আৰু আনন্দ মনেৰে বহন কৰিব।

মই আশা কৰিছো, মাননীয় সদস্য সকলে বৰ্ত্তমানৰ পৰিস্থিতি আৰু সেই পৰিপ্ৰেক্ষিতত চৰকাৰে নীতি কাৰ্য্য ব্যৱস্থা আৰু ঘোষণা সমূহক সমান ভাবে বিচাৰ বিবেচনা আৰু উপলব্ধি কৰিব আৰু এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতি সহযোগিতা আগবঢ়াব। ৰাজ্যখনত শান্তিপূৰ্ণ পৰিবেশ নিশ্চিত কৰাৰ ক্ষেত্ৰত আৰু সংশ্লিষ্ট সকলো সমস্যা সমাধানৰ ক্ষেত্ৰত আমি সকলো শ্ৰেণীৰ ৰাইজৰ পৰাও উদাৰ সহযোগিতা কামনা কৰিছো।

## Presentation of Reports

Mr. Speaker : Now, item No. 4. Hon'ble Member Shri Prithibi Majhi to present the 43rd Report of the

Committee on Estimates.

Shri Prithibi Majhi : Mr. Speaker Sir, I beg to present the 43rd Report of the Committee on Estimates, Assam Legislative Assembly.

* শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰাক্ কলন সমিতিৰ চেয়াৰমেন শ্ৰীপৃথিবী মাজি ডাঙৰীয়াই প্ৰতিবেদনত এটা ৰিপোৰ্ট দিছে কিন্তু তেখেতে তাত এটা কথা উল্লেখ কৰা নাই । তেখেতে যিকেইখন ঠাইলৈ গৈছে তাৰহে ৰিপোৰ্ট দিছে কিন্তু উত্তৰ পলাশবাৰী, মৰিয়াহোলা আৰু দক্ষিন শালমাৰা আদি ঠাইলৈ যোৱা নাই । তেখেতে কাজিৰঙালৈ যোৱাৰ কথাটোহে উল্লেখ কৰিছে । বাকী ঠাই কেইখনলৈ নোযোৱাৰ কাৰণ তেখেতে জনাব নেকি ?

The committee will examine the Departnent. and the Quality Control.

মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই এটা কথা কব খুজিছো যে এই বিভাগত যিসকল ব্যক্তি ইয়াৰ দায়িত্বত আছে তেখেত সকলৰ জড়িয়তে আমি সুব্যৱস্থা পাম বুলি নাভাবো । গতিকে মাননীয় চেয়াৰমেন মহোদয়ে এই বিষয়ে জনাবনে ?

Sri Golok Rajbangshi ( Minister ) : Sri, there should a motion to discuss this.

মাননীয় অধ্যক্ষ : তেখেতে পাচত কব নহয় । Now, item No. 5.

Shri Prithibi Majhi : Sir, I beg to present the 44th Report of the Committee on Estimates, Assam Legislative Assembly.

Mr. Speaker : Now, item No. 6 Shri Prithibi Majhi.

Shri Prithibi Majhi : Sir, I beg to present the 45th Report of the Committee on Estimates, Assam Legis-

---

* Speech not corrected

lative Assembly.

Mr. Speaker : Now, item No. 7, Chief Minister will move.

## INTRODUCTION OF GOVERNMENT BILL

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg leave to introduce 'The Assam Taxation Laws ( Amendment ) Bill, 1992.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill, ( Voices : yes, yes ) :

The leave is granted.

Now, there is a message from the Governor of Assam.

Raj Bhawan,
Guwahati.
19th March, 1992.

Under the provision of Art. 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam recommend the introduction in the Assam Legislative Assembly of Assam Taxation Laws ( Amendment ) Bill, 1992.

Sd/—Loknath Misra,
Governor of Assam.

Now, Hon'ble Chief Minister to introduce the Bill.

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to introduce 'The Assam Taxation Laws ( Amendment ) Bill, 1992.

( The Secretary read out the title of the Bill )

Mr. Speaker : Now item No. 8 Minister Transport to introduce.

Shri Shio Shambhu Ojha ( Minister ) : Sir, I beg leave to introduce. 'The Assam Motor Vehicles Taxation ( Amendment ) Bill, 1992.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the bill ? ( Voices – yes, yes )

The leave is granted.

Now, there is a message from the Governor of Assam.

Raj Bhawan,
Guwahati
19th March, 1992.

Under the provisions of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Motor Vehicles Taxation ( Amendment ) Bill, 1992.

Sd/—Loknath Misra,
Governor of Assam.

Now, Hon'ble Transport Minister to introduce the Bill.

Shri Shio Shombhu Ojha ( Minister ) : Sir, I beg to introduce the Assam Motor Vehicles Taxation ( Amendment ) Bill, 1992.

( Secretary, read out the title of the Bill )

Mr. Speaker : Now, item No. 9.

Shri Shio Shombhu Ojha ( Minister ) : Sir, I beg leave to introduce 'The Assam Passangers and Goods Taxation ( Amendment ) Bill, 1992.

Mr, Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

( Voices— yes, yes ) The leave is granted.

Now, there is a message from the Governor of Assam.

Raj Bhavan, Guwahati.
19th March, 1992

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Passangers and Goods Taxation ( Amendment ) Bill, 1992.

Sd/—Loknath Misra,
Governor of Assam.

Now, Shri Shio Shombhu Ojha, Hon'ble Minister to introduce the Bill.

Shri Shio Shombhu Ojha ( Minister ) : Sir, I beg to introduce "The Assam Passangers and Goods Taxation ( Amendment ) Bill, 1992.

( Secretary read out the title of the Bill ).

Mr. Speaker : Now, item No. 10. Hon'ble Chief Minister to move the Assam Administrative Tribunal ( Amendment ) Bill, 1992 be taken into consideration.

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that the Assam Administrative Tribunal (Amendment Bill, 1992 be taken into consideration.

( The Motion is adopted )

Mr. Speaker : There is no amendment to Clause 2 of the Bill. Now, I put that Clause 2 shall form part of the Bill. There is an amendment in the name of Shri Hitendra Nath Goswami.

Shri Goswami shall move it.

* Shri Hitendra Nath Goswami : Sir, I beg to move that the proposed Sub-Section (2) and (3) of Section 9 of the Assam Administrative Tribunal Act. 1977 sought to be amended by this Bill shall be deleted and original sub-section (2) and (3) of Section 9 of the Principal Act shall be retained". Sir, I take my stand to oppose the proposed amendment. In the statement of objects and reasons it is mentioned that the present Act shall not be able to fulfil the desired end for exclusion of Civil Courts in such matters. Presently Section 9 (2) and 9 (3) have clearly stated that the Civil Courts shall not entertain any matter in respect of cases which fall under the jurisdiction of the

---

* Speech not corrected

Tribunal. Now, by proposed amendment the gap is further sought to be titened by specifically stating that in respect of any matter relating to conditions of services shall not be entertained by the Civil Courts. Now, here from our experience I would like to state that in the Administrative Tribunal who are aggrieved by the decision they connot go to the Administrative Tribunal by simple reason that there is a close 4 (2) wherein it is stated that notwithstanding anything contained in Sub-section (1) above, the Tribunal shall have no jurisdiction with respect to any order passed, when the civil servant has not availed of all the remedies available to him under the relevant service rules, executive instructions of orders .

Provided that notwithstanding any thing contained in the above paragraph the Tribunal may entertain an appeal from a civil servant, if any appeal revision petition or representation filed by him under the relevant service rules before the competent authority has not been finally disposed of by the competent authority within a period of six months from the date of filing such appeal, revision petition or representation. That means there is a six months time bar limit to move the Administrative Tribunal. So, generally, when a person is agrieved it is natural that he wants a quick remedy and he wants to move the civil court, but because of this particular clause he is unable to do so. Under such a situation one cannot hope for protection of

his life in the Assam Administrative Tribunal. Therefore, the very purpose of bringing this amendment for problems of Govt. servants in Assam Administrative Tribunal will be meaningless unless this six months' limit is removed. Unless this six months, bar is removed the civil court will decline to entertain such type of petition in connection with service matters of Govt. servants and, therefore, the Supreme Court has recently struck down the clause because it leads to political biousness. Here one point is very clear, in my opinion, that if a man is denied his promotion or when a man is terminated from his services he needs a forum for appeal. He is to move the competent authority but he has to wait for six months and he has no farther alternative forum for remedy and in this way nobody is getting quick remedy. We must remove this six months, limit particular Act. My further submission to the House is that the strength of the Administrative Tribunal may be upgraded so that the Tribunal can dispose of cases quickly. Finally I would like to request this August House to entertain any matter relating to service conditions and Govt. should give the effective forum for further appeal but if we don't remove this six months' bar we will be unable to do any justice to the Govt. servants. In Central Tribunal there is no such limit. With these few words I conclude my speech.

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন আনোতে আচলতে ষ্টেনডিং অব ৰুলৰ কথা কৈছে। ১৯৮১ চনৰ গুৱাহাটী হাইকোৰ্টৰ ৰিপোৰ্ট এটাৰ কথা কৈছে। আচলতে ৰিপোৰ্টটোত কি আছিল সবিশেষ নজনাকৈ এই বিলখন পাছ কৰাত আমাৰ অসুবিধা আছে। ৰিপোৰ্টটোত কনটিনিউ দিয়া নাই। ইয়াত দেখ দেখ কৈ কথাটো কৈছে গুৱাহাটী হাককোৰ্টে কি দিলে ? গুৱাহাটী হাইকোৰ্টৰ পৰা কি সংশোধনী আনিছে। সিদ্ধান্তটো কি আছিল ?

* Shri Hiteswar Saikia ( Chief Minister ) : The original Section 9 (2) and 9 (3) barred the jurisdiction of Civil Court in Service matters which are under jurisdiction of Assam Administrative Tribunal, but uncertainly arose due to interpretation given by the Guwahati High Court in 1981 about the exclusion of Civil Courts jurisdiction in service matters. Hence, to put the matter beyond doubt, the existing Sections 9 (2) and 9 (3) are sought to be added. The Guwahati High Court interpreted that existing Section 9 (2) and 9 (3) do not totally bar the jurisdiction of Civil Court in matters of service conditions. Wording Section 9 (2) and Section 9 (3) of proposed amendments have been suitably composed to clearly ban this jurisdiction of Civil Court in service matters so that there is no further scope for idterpretation otherwise.

* Shri Giasuddin Ahmed : I want to submit a few words regarding this. The intention of this amendment is obviously to bar the jurisdiction of the Civll

---

* Speech not corrected.

Courts in matters of conditions of services Sir, as the earlier principal section, I mean the original section, does not completely bar the jourisdiction of the Civil Court, as ruled by the Hon'ble High Court, the amendement that has been brought forward is only to make it sure that no Civil Court can ever entertain any suit regarding condition of service. Sir. that is why I ask the question why the jurisdiction of the Civil Court is sought to be curtailed or debar the Govt. servants to seek any justice, Sir, the conditions of services, rather the service itself, is a matter of fundamental right. We have certain bitter experiences in the past regarding the functioning of the so-called Tribunals or the Administrative Tribunal and such other forums constituted by the Govt. Now, Sir, when an aggrieved Govt. employes does not get justice or could not take resort to the Tribunal in Assam he should not be debarred from taking recourse to Law Court. Therefore, Sir, the earlier sections should be retained. Sir, the High Court has correctly observed in its rulling that the original section does not bar the jurisdiction of the court and that it should be retained. It is not proper that jurisdiction of the Civil Court be barred by this amendment because it will not help anybody, neither the Govt. nor the employee. That is why, I would rather request the Govt. to withdraw this amendment.

* Shri Hiteswar Saikia ( Chief Minister ) : Sir, it is no so. This section does not bar the Civil Court in its functioning. Sir, there is ample scops for interpretation of this section.

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ কৰিব বিচাৰিছো, আপোনালোকে কৈ থাকে এ, জি, পিয়ে ভুল কাম কৰিছে কিন্তু এই বিলখন ১৯৭৪ চনতে পাচ কৰা হৈছিল কিন্তু আমি এইখন পাচ কৰা নাই। ১৯৭৩ চনতে হাইকোৰ্টে ৰায় দিছিল তাৰ পাচতো ১৯৮৭ চনত সংশোধন অনা নাই। কিয়নো যাতে এই ব্যৱস্থাৰ বা আইনৰ দ্বাৰা যাতে বিষয়া কৰ্মচাৰী সকলৰ ওপৰত পলিটিকেল হেৰাচমেণ্ট নহয়। এতিয়া আকৌ হাইকোৰ্ট বা চিভিল কোৰ্টলৈ কৰ্মচাৰী সকল যাব নোৱাৰাৰ ব্যৱস্থা কিয় কৰিব বিচাৰিছে ? মই নিজে এটা ট্ৰেন্সফাৰ কেচ লৈ লাগিব লগা হৈছে, এজন মানুহক ৫ বাৰ ট্ৰেন্সফাৰ কৰা হৈছিল, শেষত মই উপায় নাপাই ৰাজ্যিক মন্ত্ৰী আৰু কেবিনেট মন্ত্ৰী হুয়োগৰাকীকে চহী দিবকৈ কোৱাত জানিবা কামটো হ'ল। আপোনালোকে এতিয়া এই সংশোধনী আনি বিষয়া কৰ্মচাৰী সকলক চিভিল কোৰ্ট বা হাইকোৰ্টলৈ যোৱাৰ ৰাস্তাটো বন্ধ কৰিলে তেওঁলোকৰ ৰাইটটো খৰ্ব কৰিব বিচাৰিছে। বিষয়া কৰ্মচাৰী সকলৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিব বিচাৰিছে। অধ্যক্ষ মহোদয়, লিগেল ইন্টাৰপ্ৰিটেশন বহু ধৰণে হব পাৰে, যদি সোধা হয় এইটো আপোনাৰ চহী হয় নে নহয় তেতিয়া আপুনি হয়তো কব পাৰে 'ইট চিমচ টু বি মাইন' তেতিয়া উকীলে লিগেল ইন্টাৰপ্ৰিটেশন কৰি হয় বুলি কব পাৰে নহয় বুলিয়ো কব পাৰে। আইনৰ এনেকুৱা সুবিধা থকা উচিত। মানে কাৰটেইল' ল অব দি ৰাইট। মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো, তেখেতে কোৱা মনত আছে যে তেখেতে কৰ্মচাৰী সকলক বৰ ভাল পায়, তেখেতে কৈছিল ১৯৮৩ চনত কৰ্মচাৰী সকল মোৰ

* Speech not corrected

